হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়

ডিব্ৰুগড়



# বাণিজ্য দৰ্পণ

সম্পাদনাত—

শ্ৰীধৈৰ্য্য হাজৰিকা

১৯৮৯-৯০ চন

বাণিজ্য বসতি লক্ষ্মীঃ

# কানৈ বাণিজ্য মহাবিদ্যালয় আলোচনী

# বানিজ্য দর্পন

।। বছেৰেকীয়া প্ৰকাশ ।।

সপ্তবিংশতিতম সংখ্যা

১৯৮৯ - ৯০ চন


ভাৰপ্ৰাপ্ত অধ্যাপক
শ্ৰীঘনশ্যাম অধিকাৰী
ডিব্ৰুগড়

ভাৰপ্ৰাপ্ত সম্পাদক
শ্ৰীধৈৰ্য্য হাজৰিকা
ডিব্ৰুগড়

★ এই সংখ্যা "বাণিজ্য দৰ্পন" ৰ
সম্পাদনা সমিতি ★

অধ্যাপক শ্ৰীযুত ঘনশ্যাম অধিকাৰী (ভাৰপ্ৰাপ্ত অধ্যাপক)
" " মনোমোহন দাস ( উপদেষ্টা )
" " দেৱৰঞ্জন ধৰ ( " )
অধ্যাপিকা শ্ৰীযুক্তা নীৰঞ্জনা মহন্ত বেজবৰা ( " )



★ ছাত্ৰ সদস্য ★

শ্ৰী ৰাজুকুমাৰ বড়া
" কমলেশ্বৰ গগৈ
" কৰুণা হাজৰিকা
" চন্দ্ৰ প্ৰকাশ জৈন
" কুশল বুঢ়াগোঁহাই (ৰিচি)।

★ অঙ্গ সজ্জা ★

শ্ৰী ধৈৰ্য্য হাজৰিকা

★ পাণ্ডুলিপি চাওঁতা ★

অধ্যাপক শ্ৰীযুত ঘনশ্যাম অধিকাৰী।
অধ্যাপিকা শ্ৰীযুক্তা কল্পনা খাউণ্ড।

★ ★ সম্পাদনাত ★ ★
শ্ৰী ধৈৰ্য্য হাজৰিকা
ডিব্ৰুগড়

# FOREWORD



It gives me great pleasure to express my views about the present issue of ' BANIJYA DARPAN ' published by the students' Union of this D.H.S.K. Commerce College, Dibrugarh for the academic Session 1989-90. This Magazine with an abundance of reading materials of varied nature attuning to varied literary tastes, contributed by the Teachers and students of this College, is expected to find readership quite appreciative of the literary quality of its content. I congratulate the members of the College students' Union Executive in general and the members of the Editorial Board in particulars on the publication of the present issue of ' BANIJYA DARPAN '.

Dr. C. D. Mishra, M. Com., Ph. D.
Principal I/C,
DHSK Commerce College,
DIBRUGARH

# "বাণিজ্য দৰ্পণ" অনুক্ৰমাণিকা


★ সম্পাদকীয়

## কবিতা

| | | |
|---|---|---|
| ★ ফুটুকাৰ ফেন | (৪) | শ্ৰীধৈৰ্য্য হাজৰিকা |
| ★ ভাবান্তৰ | (৫) | শ্ৰীপ্ৰদীপ কুমাৰ গোহাঁই |
| ★ প্ৰতিক্ষা | (৬) | শ্ৰীসঞ্জয় প্ৰধান |
| ★ অগ্ৰসৰ | (৬) | শ্ৰীপবিত্ৰ কুমাৰ দত্ত |
| ★ সঙ্কল্প | (৭) | শ্ৰীৰঞ্জিৎ চেতিয়া |
| ★ এটি কবিতা | (৭) | অধ্যাপক শ্ৰীভৱেশ ভাগৱতী |
| ★ স্বপ্নফুল | (৮) | শ্ৰীদেৱজিৎ শইকীয়া |
| ★ জাগৰণ | (৯) | শ্ৰীশিৱ ছেত্ৰী |
| ★ হয়নে আমি অসমীয়া | (১০) | শ্ৰীধনঞ্জয় দত্ত |
| ★ মিলি যাওঁ (আধুনিক গীত) | (১১) | শ্ৰীযতীন ফুকন |

## গল্প

| | | |
|---|---|---|
| ★ মনালিচা | (১২-১৮) | শ্ৰীমতী ৰশ্মিৰেখা দাস |
| ★ আজীৱণ প্ৰহৰী | (১৯-২৩) | শ্ৰীধীৰেণ দাস |
| ★ বেদনা | (৫১-৫৩) | শ্ৰীযোগেন চেতিয়া |
| ★ অতৃপ্ত অপেক্ষা | (৬৪ক-৬৭ক) | শ্ৰীহৰিচন্দ্ৰ সোনোৱাল |
| ★ আনন্দময়ী বেদনা | (৬৫-৬৭) | শ্ৰীপবিত্ৰ দিহিঙীয়া |

## প্ৰবন্ধ

| | | |
|---|---|---|
| ★ অসম আৰু বিকৃত গতিধাৰা | (২৪-৩৩) | শ্ৰীৰবীন দেউৰী |
| ★ নেলচন মেণ্ডেলা | (৩৪-৩৭) | শ্ৰীচন্দ্ৰ প্ৰকাশ জৈন |
| ★ এটা সাঁথৰ | (৩৮-৪১) | শ্ৰীদিব্যজোতি শৰ্মা |
| ★ নিবনুৱা সমস্যা আৰু সমাধাৰণ চিন্তা | (৪২-৪৬) | অধ্যাপক শ্ৰীৰঘু বৰবৰা |
| ★ সংগীত সূৰ্য্য ডঃ ভূপেন হাজৰিকা | (৪৭-৫০) | শ্ৰীশিৱ ছেত্ৰী |
| ★ দেশ প্ৰেম | (৫৪-৫৬) | শ্ৰীবিক্ৰম গগৈ |
| ★ প্ৰাসঙ্গিক চিন্তা | (৫৭-৫৮) | শ্ৰীদিলিপ জয়ছোৱাল |
| ★ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ স্থল সেনা | (৫৯-৬৪) | শ্ৰীনিপন হাজৰিকা |

| | | |
|---|---|---|
| ★ মহান পুৰুষৰ মহান বাণী | (৬৮-৬৯) | শ্ৰীনিপন হাজৰিকা |
| ★ বিভাগীয় সম্পাদকৰ প্ৰতিবেদন | (৭০-৭৬) | |

## "বাণিজ্য দৰ্পণ" অনুক্ৰমাণিকা


★ সম্পাদকীয়

কবিতা

★ ফুটুকাৰ ফেন (৪) শ্ৰীধৈৰ্য্য হাজৰিকা
★ ভাবান্তৰ (৫) শ্ৰীপ্ৰদীপ কুমাৰ গোহাঁই
★ প্ৰতিক্ষা (৬) শ্ৰীসঞ্জয় প্ৰধান
★ অগ্ৰসৰ (৬) শ্ৰীপবিত্ৰ কুমাৰ দত্ত
★ সঙ্কল্প (৭) শ্ৰীৰঞ্জিৎ চেতিয়া
★ এটি কবিতা (৭) অধ্যাপক শ্ৰীভৱেশ ভাগৱতী
★ স্বপ্নফুল (৮) শ্ৰীদেৱজিৎ শইকীয়া
★ জাগৰণ (৯) শ্ৰীশিৱ ছেত্ৰী
★ হয়নে আমি অসমীয়া (১০) শ্ৰীধনঞ্জয় দত্ত
★ মিলি থাওঁ (আধুনিক গীত) (১১) শ্ৰীযতীন ফুকন

গল্প

★ মনালিচা (১২-১৮) শ্ৰীমতী ৰশ্মিৰেখা দাস
★ আজীৱন প্ৰহৰী (১৯-২৩) শ্ৰীধীৰেণ দাস
★ বেদনা (৫১-৫৩) শ্ৰীযোগেন চেতিয়া
★ অতৃপ্ত অপেক্ষা (৬৪ক-৬৭ক) শ্ৰীহৰিচন্দ্ৰ সোনোৱাল
★ আনন্দময়ী বেদনা (৬৫-৬৭) শ্ৰীপবিত্ৰ দিহিঙীয়া

প্ৰবন্ধ

★ অসম আৰু বিকৃত গতিধাৰা (২৪-৩৩) শ্ৰীৰবীন দেউৰী
★ নেলচন মেণ্ডেলা (৩৪-৩৭) শ্ৰীচন্দ্ৰ প্ৰকাশ জৈন
★ এটা সাঁথৰ (৩৮-৪১) শ্ৰীদিব্যজোতি শৰ্মা
★ নিবনুৱা সমস্যা আৰু সমাধাৰণ চিন্তা (৪২-৪৬) অধ্যাপক শ্ৰীৰঘু বৰবৰা
★ সংগীত সূৰ্য্য ডঃ ভূপেন হাজৰিকা (৪৭-৫০) শ্ৰীশিৱ ছেত্ৰী
★ দেশ প্ৰেম (৫৪-৫৬) শ্ৰীবিক্ৰম গগৈ
★ প্ৰাসঙ্গিক চিন্তা (৫৭-৫৮) শ্ৰীদিলিপ জয়ছোৱাল
★ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ স্থল সেনা (৫৯-৬৪) শ্ৰীনিপন হাজৰিকা

★ মহান পুৰুষৰ মহান বাণী (৬৮-৬৯) শ্ৰীনিপন হাজৰিকা
★ বিভাগীয় সম্পাদকৰ প্ৰতিবেদন (৭০-৭৬)

# অসমীয়া বিভাগ

# -ঃ অশ্রু অঞ্জলি ঃ-

"নিত্যানন্দ চুতীয়া দেৱৰ পৱিত্ৰ স্মৃতিত ঃ-

" জন্মিলে মৰিব লাগে
ৰীতি এই ধৰা বন্ধা
ত্ৰকেৰাহে চলি আছে
সৃষ্টিৰ পাতনিৰে পৰা "



এৰি অহা বছৰটোত যি আমাৰ মাজৰ পৰা চিৰদিনলৈ বিদায় লৈ গলগৈ — সেই মহান ব্যক্তিক আমি কেতিয়াও পাহৰিব নোৱাৰো ★ ১৯৯০ চনৰ ১৪ ডিচেম্বৰ তাৰিখে নিষ্ঠুৰ নিয়তিয়ে আমাৰ মাজৰ পৰা কাঢ়ি নিলে শিক্ষাগুৰু, প্ৰৱক্তা — শ্ৰী নিত্যানন্দ চুতীয়াদেৱক ★ সৰবৰহী শিক্ষাগুৰু শ্ৰী চুতীয়াদেৱৰ অকাল আৰু আকস্মিক বিয়োগত আমি এক অমূল্য সম্পদ হেৰুৱালো ★ তেখেতৰ পৱিত্ৰ স্মৃতিত আমি অশ্ৰু অঞ্জলি যাচিলো ★ তেখেতৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক ★

কানৈ বানিজ্য মহাবিদ্যালয়ৰ
ছাত্ৰ-একতা সভাৰ হৈ —
শ্ৰী ধৈৰ্য্য হাজৰিকা ( সম্পাদক )
= ডিব্ৰুগড় =

-ঃ আলোচনী সম্পাদনা সমিতিৰ বিষয়ববীয়া সকল ঃ-



**বহি বাওঁপক্ষৰ পৰা সোঁপক্ষলৈ ঃ** - অধ্যাপক দেৱ ৰঞ্জন ধৰ ( উপদেষ্টা ) অধ্যাপক চন্দ্ৰ দেউ মিশ্ৰ ( অধক্ষ্য ও সভাপতি ) অধ্যাপিকা নীৰঞ্জনা মহন্ত বেজবৰা ( উপদেষ্টা ) সুমন সেন ( সদস্য ) ।

**থিয়হৈ বাওঁপক্ষৰ পৰা সোঁপক্ষলৈ ঃ**— ৰাজু কুমাৰ বড়া ( সদস্য ) , ধৈৰ্য্য হাজৰিকা ( আলোচনী সম্পাদক ) , কমলেশ্বৰ গগৈ (সদস্য) , কৰুণা হাজৰিকা ( সদস্য )

**অনুপস্থিত ঃ** - চন্দ্ৰ প্ৰকাশ জৈন ( সদস্য ) , কুশল ( ৰিচি ) বুঢ়াগোহাঁই ( সদস্য ), ঘনশ্যাম অধিকাৰী ( ভাৰপ্ৰাপ্ত অধ্যাপক ) আৰু মনোমোহন দাস ( উপদেষ্টা ) ।



# সম্পাদকীয়

জয় জয়তে মই কানৈ বাণিজ্য মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী ও ছাত্ৰ একতা সভা তথা অধ্যাপক অধ্যাপিকা সকললৈ পৰম শ্ৰদ্ধা ও নমস্কাৰ জনালোঁ। মহাবিদ্যালয়ৰ ( ১৯৮৯-৯০ চনৰ ) ছাত্ৰ-ছাত্ৰী বৃন্দৰ সহায় সহযোগিতাত মই কানৈ বানিজ্য মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হবলৈ পাই নথৈ সুখী হৈছো। আমাৰ ( কলেজৰ ) মহাবিদ্যালয়ৰ আলোচনী " বাণিজ্য দৰ্পনৰ " সম্পাদনাৰ দায়িত্ব হাতত লৈয়েই গল্প, প্ৰবন্ধ কবিতা ইত্যাদি ধৰণৰ আলোচনীৰ লিখনি বিচাৰি কেইবা বাৰো জাননী দিয়াৰ ওপৰিও ব্যক্তিগত ভাবেও বহুতক অনুৰোধ কৰিছিলো। আলোচনী হৈছে এখন মহাবিদ্যালয়ৰ প্ৰতিফলক, সাহিত্য হৈছে-- জাতিৰ দাপোন স্বৰূপ বাণিজ্যিক, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু শিক্ষাৰ ক্ষেত্ৰটো সাহিত্যৰ প্ৰভাৱ বহু পৰিমানে আছে। মানুহেই হ'ল বিশ্বৰ চালিকা শক্তি ! এই মানৱ শক্তিৰ সৰ্বাঙ্গীন উন্নতি নিৰ্ভৰ কৰে শিক্ষাৰ ওপৰত কিয়নো, শিক্ষা হ'ল মানৱ জাতিৰ মেৰুদণ্ড স্বৰূপ। মেৰুদণ্ডহীন প্ৰাণী যি দৰে পৰ নিৰ্ভৰশীল ঠিক সেইদৰে শিক্ষাবিহীন এটা জাতিয়ে কেতিয়াও উন্নতি কৰিব নোৱাৰে। সাহিত্য মানৱ জীৱণৰ মনুষ্যত্বৰ প্ৰহৰী। জাতিৰ সামগ্ৰীক উন্নতিৰ বাবে সাহিত্যৰ অৱদান অপৰিহাৰ্য। সাহিত্যই সমাজ সংস্কাৰ কৰিব পাৰে। আমাৰ ভাৰতীয় সাহিত্যত আজিও অমৰ হৈ আছে শঙ্কৰদেৱ, মাধৱদেৱ, ব্যাস, বাল্মীকি ইত্যাদি বিলাক আৰু বৰ্তমানৰ মানৱ সমাজক এতিয়াও উন্নতিৰ উপযুক্ত দিগন্ত নিৰ্দ্দেশ দি আজিও আমাৰ মাজত জীয়াই আছে। " মানুহৰ জীৱনৰ যৱনিকা নোহোৱালৈকে

শিক্ষাৰ বা জ্ঞানৰ অন্ত নাই। জন্মৰ পৰা মৃত্যু লৈকে যি শিক্ষা পোৱা যায় সেয়ে শিক্ষা " আমি জানো যে " Literature is the train of humanity " জাতীয় সাহিত্য জাতীয় জীৱনৰ কঠিন দুৱাৰ। যি জাতিৰ সাহিত্য নাই পৃথিৱীত সেই জাতিয়েই দুখীয়া কাৰণ সাহিত্য নিজ জাতিৰ স্মৃতি স্বৰূপ, যাৰ সাহিত্য নাই তাৰ স্মৃতিও নাই। তথাপিও আমি কামনা কৰো যে সকলো জাতিৰেই সাহিত্য সদায় চিৰ-সেউজীয়া হৈ জীয়াই থাকক। যেনেকৈ ভষাৰ অন্ত নাই ঠিক তেনেকৈ দেশৰ প্ৰতিটি শিক্ষা প্ৰতিষ্ঠানৰ আলোচনী সাহিত্যৰ প্ৰবাহমান শক্তি বুলি ক'ব পাৰি। এই ভ্ৰাম্যমান বিশ্বত শিক্ষাৰ প্ৰধান লক্ষ্য হ'ল মানুহৰ আত্ম - নিৰ্ভৰশীল হোৱা। ইমান বোৰ কথা জানিও আমাৰ সমাজৰ ছাত্ৰ-ছাত্ৰীৰ মন সাহিত্য মুখী হোৱা দেখা পোৱা নাযায়। মোৰ ব্যক্তিগত তগিদা আৰু বহু অনুনয় বিনয়ৰ ফলত যি সকলৰ পৰা কবিতা, গল্প, প্ৰবন্ধ আদি পাইছিলো সি বিলাকৰ পৰাই চালি-জাৰি চাই কিছুমান প্ৰকাশৰ বাবে দিহা কৰা হল। মহাবিদ্যালয়ৰ আলোচনী হল ছাত্ৰ-ছাত্ৰীৰ শক্তিশালী এটা মাধ্যম, কিন্তু আমাৰ মহাবিদ্যালয়ৰ আলোচনী খনৰ আৰ্থিক অৱস্থা অত্যন্ত দুখ-জনক ভাবে শোচনীয়। কাৰণ এখন সৰ্বাঙ্গ সুন্দৰ আলোচনীৰ বাবে জন বলৰ উপৰিও ধনবলৰ প্ৰয়োজন বেছি। ইয়াত জনবল হৈছে ছাত্ৰ - ছাত্ৰীৰ আৰু অধ্যাপক, অধ্যাপিকা সকলৰ মনোবল নিৰন্ধ। আনহাতে আলোচনীৰ বাবে যি " আলোচনী মাচুল " ( Magazine fees ) লোৱা হয় সি এখন উচ্চ মান দণ্ডৰ কথাই নাই এখন সাধাৰণ আলোচনীৰ বাবেও উপযুক্ত নহয়। এই বিষয়ে আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন সম্পাদক কিছুমানে উনুকিয়াই গৈছে --- মই মাত্ৰ দোহাৰিছো আগন্তুক আলোচনীৰ সম্পাদকে যাতে এই কাম সমাধা কৰে। আমাৰ যোজনা এফাকি লৈ মনত পৰিছে " ভবা কথা নহয় সিদ্ধি বাটত আছে বন্দ বিধি " হয়তো এই ফাকি আমাৰ গাতে ফলিয়ালে। নানা প্ৰতিকুল অৱস্থাৰ মাজেৰে গৈ এখন সৰ্বাঙ্গ সুন্দৰ আলোচনী প্ৰকাশ কৰিব নোৱাৰা বাবে আমি দুঃখিত। তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

আলোচনীখন সম্পাদনাৰ কামত ও প্ৰকাশৰ বাবে, শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী সকলৰ পৰা নানা উপদেশ/পৰামৰ্শ সহায় সহযোগ নোপোৱা হ'লে, হয়তো আজি এই ওলগ কোনো দিনেই লবলৈ নপালো হেঁতেন।

শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়কে আদি কৰি বহু কেইজন অধ্যাপকে তেখেত লোকৰ সীমিত সময় কনত আজৰি উলিয়াই এই আলোচনীলৈ প্ৰকাশৰ বাবে একোটি প্ৰবন্ধ সম্পাদকৰ হাতত দিয়াৰ বাবে তেখেত সকলৈলে মোৰ অশেষ প্ৰনাম যাচিছোঁ।

লগতে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলে আলোচনীৰ ভিতৰ চৰা শুৱণি কৰা বাবে মই তেওঁলোকৰ ওচৰত চিৰ কৃতজ্ঞ।

আলোচনী সম্পাদকৰ দৰে দায়িত্ব এটা এই অভাজনক লবলৈ সুবিধা দিয়া বাবে ছাত্ৰ-ছাত্ৰী বৃন্দলৈ মোৰ হিয়াভৰা ওলগ জনালো। মোৰ সীমিত জ্ঞানৰ বাবে আলোচনীখনৰ ভুল ভ্ৰান্তি থাকি যোৱাটো কোনো অস্বাভাৱিক নহয়। সুহৃদয়, পাঠক পাঠিকা সকলে এই অসোঁৱাই বোৰ আঙুলিয়াই দিলে নথৈ কৃতাৰ্থ হম।

আলোচনী খন প্ৰকাশৰ ক্ষেত্ৰত অনেকৰ পৰা উপদেশ, পৰামৰ্শ আৰু সহায় যথেষ্ট লাভ কৰিছিলো। এই ক্ষেত্ৰত অধ্যক্ষ চন্দ্ৰ দেউ মিশ্ৰ, উপাধ্যক্ষ মনোমোহন দাস, অধ্যাপক ঘনশ্যাম অধিকাৰী, অধ্যাপক দেৱ ৰঞ্জন ধৰ, অধ্যাপিকা নিৰঞ্জনা মহন্ত বেজবৰা, অধ্যাপিকা কল্পনা খাউণ্ড বাইদেউ আৰু কলেজৰ ছাত্ৰ সংস্থাৰ বিষয়-ববীয়া সকলৰ উপৰিও ছাত্ৰ বন্ধু চন্দ্ৰ প্ৰকাশ, কুশল (ৰিচি), কমলেশ্বৰ, ৰাজু, করুনা, ভীম, ৰাজেশ, ভৰত, আৰু প্ৰাক্তন ছাত্ৰ উৎপল-দাৰ ওচৰত মই চিৰ কৃতজ্ঞ।

অৱশেষত যি সকল শিক্ষা গুৰু আৰু ছাত্ৰ ছাত্ৰীয়ে এই আলোচনীত তেখেত সকলৰ লিখা প্ৰৱন্ধ পাতি প্ৰকাশ কৰিবলৈ দি সহায় কৰিলে তেখেত সকললৈ পুনৰবাৰ কৃতজ্ঞতা আৰু ভৱিষ্যতলৈ অধিক শুভেচ্ছা জনাই আজিলৈ ইমানতে সামৰণি মাৰিলো—।

॥ জয় আই অসম ॥

শ্ৰী ধৈৰ্য্য হাজৰিকা, (সম্পাদক)
কানৈ বানিজ্য মহাবিদ্যালয় আলোচনী
— ১৯৮৯-৯০ —
ডিব্ৰুগড়, (অসম)



# ফুটুকাৰ ফেন

শ্ৰীধৈৰ্য্য হাজৰিকা
স্নাতক ২য় বাৰ্ষিক
—: ডিব্ৰুগড় :—

— হে মোৰ চেনেহী —

কাৰ পৰশত এপাঁহী গোলাপ হৈ
ফুলিছিল মোৰ মন ফুলনীত
সময়ৰ লগে লগে তুমি ডাঙৰ হ'লা
এক অবিৰাম গতিত।
হঠাৎ এদিন মনৰ ফুলনীত
কিয় আহি মেলিলা পাঁহি,
বন কুৱৰী হৈ কিয় গীত গালা
মনৰ আঁৰত বহি।
মিচিকি হাঁহিৰে সু-মধুৰ সুৰে
কিয়নো গালা গান,
গোলাপ কুঁৱৰীৰ মৰম্ বোলাই
মোহিলা মোৰ প্ৰাণ।
মোৰ চঞ্চল মুখত কিয়নো
তুমি দি গ'লা ভাষা,
দুখ কষ্টৰ বিষাদৰ হাঁহিয়ে
বান্ধিলা বুকুত আশা।
কিন্তু! কালৰ আন্ধাৰে বাট ধাকি ধৰি,
দিলে আশা আতৰাই
চন ধৰি উঠা ফুটুকাৰ ফুল
ফুলনীত মাৰ যায়।
মনৰ মাজত বয় ধীৰে ধীৰে
নিছিগা সোতৰ ধাৰ
শৈশৱ কালৰ প্ৰেমৰ বালি গড়া
যেন লুইতৰ পাৰ॥

ৰোমাণ্টিক কবিতা—

# ভাৱান্তৰ

শ্ৰীপ্ৰদীপ কুমাৰ গোহাঁই
স্নাতক ২য় বাৰ্ষিক

যদিও থাকা আঁতৰি পাওঁ তোমাৰ বাতৰি
মলয়া বতাহে দিয়ে।
তুমি মোৰ জীৱনৰ অন্তৰঙ্গ লগৰী
সদায় মনত পৰি থাকে।
চাই ভাল লাগে আকাশৰ নীলিমা
সৰু সৰু ৰূপালী তৰা।
আৰু ভাল লাগে তোমাৰ মুখখনি
যেতিয়া হাঁহিটি মাৰা।
মোৰ পৰিচয় নিশ্চয় তুমি জানা
যদি তুমি কৰিছা আশা।
সময় পোৱা যদি লিখিবা কলা আখৰ
নেলাগে অকৃত্ৰিম ধুনীয়া ভাষা।
জোনবাই জোনাকৰ অষ্টমিৰ পোহৰত
নোৱাৰো থাকিব ঘৰত।
নিৰিবিলি সময়ত মনত পৰে তোমালৈ
নেপাও যে তোমাক মোৰ কাষত।
এনেদৰে কিমানদিন জীয়াতু ভুগি থাকিম মই
ভাবিলে পাগল হম যেন লাগে।
অৱশেষত নাপালে উপায় মই বিচাৰি
শেষহে যাম যেন অন্তৰত জাগে।



## অগ্ৰসৰ

শ্ৰীপবিত্ৰ কুমাৰ দত্ত

দুখৰ হিচাপ আঙুলিৰ মূৰত নাটে
পাহাৰ ঢাকিবা কেনেদৰে,
দুবেগেত কাপোৰ টানো মানে ফাটে।
থৰ-থৰকৈ কপেঁ কুঁৰলী পিছল
হৃদয়ৰ কপালত,
সপোনৰ পখিলা কেনেদৰে ধৰিবা
ফুটা হৃদয়েদি উৰা মাৰে।
হালধীয়া সৰাপাত
তাৰেই তলতেই লুকাই আছে,
অন্তৰৰ কোমল মাত।
চকুৰ আগত দেখিলেই অন্তৰৰ বাসনা বোৰ
ভাঙে।
বনজুইৰ দৰে দপ দপকৈ পুৰি
মনৰ ইচ্ছাবোৰ ছাঁই হৈ যায়,
ফুল কুমলীয়া ৰদ চেৰেঙাৰ কথা
কোনেবা জানে?
গোলাপ ফুলৰ পাপৰীয়ে মন নচুৱাই,
অচিন ফুলৰ পাপৰীৰ সুবাসত উজুতি খাই
গম পালো আজি কান্দোনৰ বাহিৰে
আন একোকে নাই।
জাৰৰ ৰাতি নেজাই নুপুৱায়
ফৰিংফুটা উজাগৰী নিশা,
ৰাউচি জুৰি হৃদয়ে কান্দে ইনাই-বিনাই।

## প্ৰতিজ্ঞা

শ্ৰীসঞ্জয় প্ৰধান
স্নাতক ২য় বাৰ্ষিক

তুমি কি বুজিবা জীৱন কি
জীৱনৰ ঘাট প্ৰতিঘাটক ঢাকি
কিবা পোৱাৰ আনন্দতকৈ
বহুতো হেৰুৱাৰ বেদনাকলৈ
মই মানুহ হিচাবে
ঘৃণা আৰু লাঞ্ছনাৰ জীৱনলৈ জীয়াই আছো
নীৰৱে নতুন দিনটোৰ প্ৰতিজ্ঞাত
কল্পনাৰ সাগৰত নাচি নাচি
বহুতো সপোন ৰচিছো



## সঙ্কল্প

শ্ৰীৰঞ্জিৎ চেতীয়া
২য় বাৰ্ষিক স্নাতক মহলাৰ পৰক্ষাৰ্থী

সেইয়া বীৰ শ্বহীদে চিঞৰিছে
অসম মাতৃয়ে কৰ ধৰিছে,
ৰণাঙ্গণলৈ সাজু হৈ ওলাই আহ ॥
শত্ৰু আহি পালে আকৌ শৰাইঘাট,
যাব লাগে আকৌ লাচিতৰ ডাক ॥
শত্ৰুক উছন কৰা অতি প্ৰয়োজন,
সেয়োহ আজি ৰণাঙ্গণৰ এই আয়োজন ॥
লাচিত, দেৱানৰ এই সোনৰ দেশ,
কিহৰ আজি এইবোৰ মুখাপিক্ষা বেশ ॥
যদি ৰাখিবই খুজিছা অসমৰ মান,
তেন্তে লবই লাগিব শত্ৰুৰ প্ৰাণ ॥
যদি চাবই নোৱাৰা শত্ৰুৰ তেজৰ চেকুৰা,
তেন্তে কিহৰ তুমি লাচিতৰ লুইতপৰীয়া ॥
আগবাঢ়ি আহি কৰা আয়োজন,
মাতৃভূমিক হৈছে আজি তোমাৰ প্ৰয়োজন ॥
উমি থকা জুইকুৰা জ্বলিবলৈ দিয়া,
অসম মাতৃৰ যুদ্ধলৈ সাজু হৈ বলা ॥
কৰিম নহয় মৰিম বুলি সঙ্কল্প লোৱা,
অসম আমাৰ বুলি আকৌ এবাৰ কোৱা ॥

## এটি কবিতা

অধ্যাপক ভূবোল ভাগৱতী

চকুৰ চিনাকী হ'ল
কঙ্কালৰ মহাসভা
চা টোকো ভাবো কঙ্কাল বুলিহে
কেতিয়াবা
প্ৰগতিৰ ৰথ চলে
থৰক-বৰক
সমূখত কেচাতেজ
গেলা মঙহৰ বোকাময় পথ
ক্লান্তিহীন শোষণৰ ক্ষুধাৰ্ত্ত সোকা
অভিশপ্ত বিবেকৰ নিৰ্লিপ্ত ভূমিকা
কলিজাই ধাউনি নেপায়
চকুলোৰ লুণীয়া সাগৰ
প্ৰতিবাদ অৰ্থহীন
অপমান হয় জানা, সামন্ত প্ৰভুৰ
এনেকৈয়ে আগবাঢ়ো আমি
সভ্যতাৰ জয়গান গাই
শান্তিয়ে চকুলো মচে
তাকে চাই চাই ।

# স্বপ্নফুল

শ্ৰীদেৱজিৎ শইকীয়া
একাদশ মান শ্ৰেণী

বালিৰ ধুমুহা আহি
পথ যদি ৰাখে ঢাকি
কদাচিত্তো মন তুমি ভাঙি নিদিবা।

সংঘাটে যদি আহি
পথ যদি আৱৰেহি
জীৱনৰ গতিপথ সাহসেৰে বুলিবা
সুখে-দুখে পৰিপূৰ্ণ জীৱন জানিবা।

মায়াময় সংসাৰৰ অতি ক্ষুদ্ৰ জীৱ আমি
কাঁইটেৰে ভঁৰা আমাৰ জীৱনৰ পথ।
বিষাদ-বেদনাকো যদি,
লোৱাহে আশীৰ্ব্বাদ বুলি
আপুনি আঁতৰি যাব কালৰ কণ্টক।

মৰমৰ কাৰেংঘৰ অতি থুনুকা
ভাঙে যদি কেতিয়াবা কাল-পছোৱাই
দুগুণ সাহসেৰে তুমি দুনাই গঢ়িবা
যত-জীৱ জগতৰ তেৰে নচুঁৱাই

অন্তৰ পবিত্ৰ কৰি ৰাখিবা পাৰাহে যদি
নেদেখা জনেই সঙ্গ হব জীৱনৰ
স্বপ্নফুল এয়ে জীৱনৰ।



# সম্পাদকীয়

জয় জয়তে মই কানৈ বাণিজ্য মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী ও ছাত্ৰ একতা সভা তথা অধ্যাপক অধ্যাপিকা সকললৈ পৰম শ্ৰদ্ধা ও নমস্কাৰ জনালোঁ। মহাবিদ্যালয়ৰ ( ১৯৮৯-৯০ চনৰ ) ছাত্ৰ-ছাত্ৰী বৃন্দৰ সহায় সহযোগিতাত মই কানৈ বানিজ্য মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হবলৈ পাই নথৈ সুখী হৈছো। আমাৰ ( কলেজৰ ) মহাবিদ্যালয়ৰ আলোচনী "বাণিজ্য দৰ্পনৰ" সম্পাদনাৰ দায়িত্ব হাতত লৈয়েই গল্প, প্ৰবন্ধ কবিতা ইত্যাদি ধৰণৰ আলোচনীৰ লিখনি বিচাৰি কেইবা বাৰো জাননী দিয়াৰ ওপৰিও ব্যক্তিগত ভাবেও বহুতক অনুৰোধ কৰিছিলো। আলোচনী হৈছে এখন মহাবিদ্যালয়ৰ প্ৰতিফলক, সাহিত্য হৈছে-- জাতিৰ দাপোন স্বৰূপ বাণিজ্যিক, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু শিক্ষাৰ ক্ষেত্ৰটো সাহিত্যৰ প্ৰভাৱ বহু পৰিমানে আছে। মানুহেই হ'ল বিশ্বৰ চালিকা শক্তি। এই মানৱ শক্তিৰ সৰ্বাঙ্গীন উন্নতি নিৰ্ভৰ কৰে শিক্ষাৰ ওপৰত কিয়নো, শিক্ষা হ'ল মানৱ জাতিৰ মেৰুদণ্ড স্বৰূপ। মেৰুদণ্ডহীন প্ৰাণী যি দৰে পৰ নিৰ্ভৰশীল ঠিক সেইদৰে শিক্ষাবিহীন এটা জাতিয়ে কেতিয়াও উন্নতি কৰিব নোৱাৰে। সাহিত্য মানৱ জীৱণৰ মনুষ্যত্বৰ প্ৰহৰী। জাতিৰ সামগ্ৰীক উন্নতিৰ বাবে সাহিত্যৰ অৱদান অপৰিহাৰ্য্য। সাহিত্যাই সমাজ সংস্কাৰ কৰিব পাৰে। আমাৰ ভাৰতীয় সাহিত্যত আজিও অমৰ হৈ আছে শঙ্কৰদেৱ, মাধবদেৱ, ব্যাস, বাল্মীকি ইত্যাদি বিলাক আৰু বৰ্ত্তমানৰ মানৱ সমাজক এতিয়াও উন্নতিৰ উপযুক্ত দিগন্ত নিৰ্দ্দেশ দি আজিও আমাৰ মাজত জীয়াই আছে। " মানুহৰ জীৱনৰ যৱনিকা নোহোৱালৈকে

শিক্ষাৰ বা জ্ঞানৰ অন্ত নাই। জন্মৰ পৰা মৃত্যু লৈকে যি শিক্ষা পোৱা যায় সেয়ে শিক্ষা" আমি জানো যে "Literature is the train of humanity" জাতীয় সাহিত্য জাতীয় জীৱনৰ কঠিন দুৱাৰ। যি জাতিৰ সাহিত্য নাই পৃথিৱীত সেই জাতিয়েই দুখীয়া কাৰণ সাহিত্য নিজ জাতিৰ স্মৃতি স্বৰূপ, যাৰ সাহিত্য নাই তাৰ স্মৃতিও নাই। তথাপিও আমি কামনা কৰো যে সকলো জাতিৰেই সাহিত্য সদায় চিৰ-সেউজীয়া হৈ জীয়াই থাকক। যেনেকৈ ভৱাৰ অন্ত নাই ঠিক তেনেকৈ দেশৰ প্ৰতিটি শিক্ষা প্ৰতিষ্ঠানৰ আলোচনী সাহিত্যৰ প্ৰবাহমান শক্তি বুলি ক'ব পাৰি। এই ভ্ৰাম্যমান বিশ্বত শিক্ষাৰ প্ৰধান লক্ষ্য হ'ল মানুহৰ আত্ম - নিৰ্ভৰশীল হোৱা। ইমান বোৰ কথা জানিও আমাৰ সমাজৰ ছাত্ৰ-ছাত্ৰীৰ মন সাহিত্য মুখী হোৱা দেখা পোৱা নাযায়। মোৰ ব্যক্তিগত তগিদা আৰু বহু অনুনয় বিনয়ৰ ফলত যি সকলৰ পৰা কবিতা, গল্প, প্ৰবন্ধ আদি পাইছিলো সি বিলাকৰ পৰাই চালি-জাৰি চাই কিছুমান প্ৰকাশৰ বাবে দিহা কৰা হল। মহাবিদ্যালয়ৰ আলোচনী হল ছাত্ৰ-ছাত্ৰীৰ শক্তিশালী এটা মাধ্যম, কিন্তু আমাৰ মহাবিদ্যালয়ৰ আলোচনী খনৰ আৰ্থিক অৱস্থা অত্যান্ত দুখ-জনক ভাবে শোচনীয়। কাৰণ এখন সৰ্বাঙ্গ সুন্দৰ আলোচনীৰ বাবে জন বলৰ উপৰিও ধনবলৰ প্ৰয়োজন বেছি। ইয়াত জনবল হৈছে ছাত্ৰ - ছাত্ৰীৰ আৰু অধ্যাপক, অধ্যাপিকা সকলৰ মনোৰম নিবন্ধ। আনহাতে আলোচনীৰ বাবে যি "আলোচনী মাচুল" (Magazine fees) লোৱা হয় সি এখন উচ্চ মান দণ্ডৰ কথাই নাই এখন সাধাৰণ আলোচনীৰ বাবেও উপযুক্ত নহয়। এই বিষয়ে আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন সম্পাদক কিছুমানে উন্মুকিয়াই গৈছে — মই মাত্ৰ দোহাৰিছো আগন্তুক আলোচনীৰ সম্পাদকে যাতে এই কাম সমাধা কৰে। আমাৰ যোজনা এফাকি লৈ মনত পৰিছে "ভবা কথা নহয় সিদ্ধি বাটত আছে বন্দ বিধি" হয়তো এই ফাকি আমাৰ গাতে ফলিয়ালে। নানা প্ৰতিকুল অৱস্থাৰ মাজেৰে গৈ এখন সৰ্বাঙ্গ সুন্দৰ আলোচনী প্ৰকাশ কৰিব নোৱাৰা বাবে আমি দুঃখিত। তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

আলোচনীখন সম্পাদনাৰ কামত ও প্ৰকাশৰ বাবে, শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী সকলৰ পৰা নানা উপদেশ/পৰামৰ্শ সহায় সহযোগ নোপোৱা হ'লে, হয়তো আজি এই ওলগ কোনো দিনেই লবলৈ নপালো হেঁতেন।

শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়কে আদি কৰি বহু কেইজন অধ্যাপকে তেখেত লোকৰ সীমিত সময় কনত আজৰি উলিয়াই এই আলোচনীলৈ প্ৰকাশৰ বাবে একোটি প্ৰবন্ধ সম্পাদকৰ হাতত দিয়াৰ বাবে তেখেত সকললৈ মোৰ অশেষ প্ৰনাম যাচিলো।

লগতে ছাত্র-ছাত্ৰী, বন্ধু-বান্ধৱী সকলে আলোচনীৰ ভিতৰ চৰা শুৱণি কৰা বাবে মই তেওঁলোকৰ ওচৰত চিৰ কৃতজ্ঞ ।

আলোচনী সম্পাদকৰ দৰে দায়িত্ব এটা এই অভাজনক লবলৈ সুবিধা দিয়া বাবে ছাত্ৰ-ছাত্ৰী বৃন্দলৈ মোৰ হিয়াভৰা ওলগ জনালো । মোৰ সীমিত জ্ঞানৰ বাবে আলোচনীখনৰ ভুল ভ্ৰান্তি থাকি যোৱাটো কোনো অস্বাভাৱিক নহয় । সু-হৃদয়, পাঠক পাঠিকা সকলে এই আসোঁৱাই বোৰ আঙুলিয়াই দিলে নথৈ কৃতাৰ্থ হম ।

আলোচনী খন প্ৰকাশৰ ক্ষেত্ৰত অনেকৰ পৰা উপদেশ, পৰামৰ্শ আৰু সহায় যথেষ্ঠ লাভ কৰিছিলো । এই ক্ষেত্ৰত অধ্যক্ষ চন্দ্ৰ দেউ মিশ্ৰ, উপাধ্যক্ষ মনোমোহন দাস, অধ্যাপক ঘনশ্যাম অধিকাৰী, অধ্যাপক দেৱৰঞ্জন ধৰ, অধ্যাপিকা নিৰঞ্জনা মহন্ত বেজবৰা, অধ্যাপিকা কল্পনা খাউণ্ড বাইদেউ আৰু কলেজৰ ছাত্ৰ সংস্থাৰ বিষয়-বৰীয়া সকলৰ উপৰিও ছাত্ৰ বন্ধু চন্দ্ৰ প্ৰকাশ, কুশল (ৰিচি), কমলেশ্বৰ, ৰাজু, করুনা, ভীম, ৰাজেশ, ভৰত, আৰু প্ৰাক্তন ছাত্ৰ উৎপল-দাৰ ওচৰত মই চিৰ কৃতজ্ঞ ।

অৱশেষত যি সকল শিক্ষা গুৰু আৰু ছাত্ৰ ছাত্ৰীয়ে এই আলোচনীত তেখেত সকলৰ লিখা প্ৰৱন্ধ পাতি প্ৰকাশ কৰিবলৈ দি সহায় কৰিলে তেখেত সকললৈ পুনৰবাৰ কৃতজ্ঞতা আৰু ভবিষ্যতলৈ অধিক শুভেচ্ছা জনাই আজিলৈ ইমানতে সামৰণি মাৰিলো— ।

॥ জয় আই অসম ॥

শ্ৰী ধৈৰ্য্য হাজৰিকা, (সম্পাদক)
কানৈ বানিজ্য মহাবিদ্যালয় আলোচনী
— ১৯৮৯-৯০ —
ডিব্ৰুগড়, (অসম)

# ফুটুকাৰ ফেন

শ্ৰীধৈৰ্য্য হাজৰিকা
স্নাতক ২য় বাৰ্ষিক
—: ডিব্ৰুগড় :—

— হে মোৰ চেনেহী —

কাৰ পৰশত এপাঁহী গোলাপ হৈ
ফুলিছিল মোৰ মন ফুলনীত
সময়ৰ লগে লগে তুমি ডাঙৰ হ'লা
এক অবিৰাম গতিত।
হঠাৎ এদিন মনৰ ফুলনীত
কিয় আহি মেলিলা পাঁহি,
বন কুঁৱৰী হৈ কিয় গীত গালা
মনৰ আঁৰত বহি।
মিচিকি হাঁহিৰে সু-মধুৰ সুৰে
কিয়নো গালা গান,
গোলাপ কুঁৱৰীৰ মৰম বোলাই
মোহিলা মোৰ প্ৰাণ।
মোৰ চঞ্চল মুখত কিয়নো
তুমি দি গ'লা ভাষা,
দুখ কষ্টৰ বিষাদৰ হাঁহিয়ে
বান্ধিলা বুকুত আশা।
কিন্তু! কালৰ আন্ধাৰে বাট ধাকি ধৰি,
দিলে আশা আতৰাই
চন ধৰি উঠা ফুটুকাৰ ফুল
ফুলনীত মাৰ যায়।
মনৰ মাজত বয় ধীৰে ধীৰে
নিছিগা সোতৰ ধাৰ
শৈশৱ কালৰ প্ৰেমৰ বালি গড়া
যেন লুইতৰ পাৰ ॥

ৰোমাণ্টিক কবিতা—

# ভাৱান্তৰ

শ্ৰীপ্ৰদীপ কুমাৰ গোহাঁই
স্নাতক ২য় বাৰ্ষিক

যদিও থাকা আঁতৰি পাওঁ তোমাৰ বাতৰি
মলয়া বতাহে দিয়ে।
তুমি মোৰ জীৱনৰ অন্তৰঙ্গ লগৰী
সদায় মনত পৰি থাকে।
চাই ভাল লাগে আকাশৰ নীলিমা
সৰু সৰু ৰূপালী তৰা।
আৰু ভাল লাগে তোমাৰ মুখখনি
যেতিয়া হাঁহিটি মাৰা।
মোৰ পৰিচয় নিশ্চয় তুমি জানা
যদি তুমি কৰিছা আশা।
সময় পোৱা যদি লিখিবা কলা আখৰ
নেলাগে অকৃত্ৰিম ধুনীয়া ভাষা।
জোনবাই জোনাকৰ অষ্টমিৰ পোহৰত
নোৱাৰো থাকিব ঘৰত।
নিৰিবিলি সময়ত মনত পৰে তোমালৈ
নেপাও যে তোমাক মোৰ কাষত।
এনেদৰে কিমানদিন জীয়াতু ভুগি থাকিম মই
ভাবিলে পাগল হম যেন লাগে।
অৱশেষত নাপালে উপায় মই বিচাৰি
শেষহে যাম যেন অন্তৰত জাগে।



## অগ্ৰসৰ

শ্ৰীপৱিত্ৰ কুমাৰ দত্ত

দুখৰ হিচাপ আঙুলিৰ মূৰত নাটে
পাহাৰ ঢাকিবা কেনেদৰে,
ধুবেগেত কাপোৰ টানো মানে ফাটে ।
থৰ-থৰকে কপেঁ কুঁৱলী পিছল
হৃদয়ৰ কপালত,
সপোনৰ পখিলা কেনেদৰে ধৰিবা
ফুটা হৃদয়েদি উৰা মাৰে ।
হালধীয়া সৰাপাত
তাৰেই তলতেই লুকাই আছে,
অন্তৰৰ কোমল মাত ।
চকুৰ আগত দেখিলেই অন্তৰৰ বাসনা বোৰ
ভাঙে ।
বনজুইৰ দৰে দপদপকৈ পুৰি
মনৰ ইচ্ছাবোৰ ছাঁই হৈ যায়;
ফুল কুমলীয়া ৰদ চেৰেঙাৰ কথা
কোনেবা জানে ?
গোলাপ ফুলৰ পাপৰীয়ে মন নচুৱাই,
অচিন ফুলৰ পাপৰীৰ সুবাসত উজুতি খাই
গম পালো আজি কান্দোনৰ বাহিৰে
আন একোকে নাই ।
জাৰৰ ৰাতি নেজাই নুপুৱায়
ফৰিংফুটা উজাগৰী নিশা,
ৰাউচি জুৰি হৃদয়ে কান্দে ইনাই-বিনাই ।

## প্ৰতিক্ষা

শ্ৰীসঞ্জয় প্ৰধান
স্নাতক ২য় বাৰ্ষিক

তুমি কি বুজিবা জীৱন কি
জীৱনৰ ঘাট প্ৰতিঘাটক ঢাকি
কিবা পোৱাৰ আনন্দতকৈ
বহুতো হেৰুৱাৰ বেদনাকলৈ
মই মানুহ হিচাৱে
ঘৃণা আৰু লাঞ্ছনাৰ জীৱনলৈ জীয়াই আছো
নীৰৱে নতুন দিনটোৰ প্ৰতিক্ষাত
কল্পনাৰ সাগৰত নাচি নাচি
বহুতো সপোন ৰচিছো



## সঙ্কল্প

শ্ৰীৰঞ্জিৎ চেতীয়া
২য় বাৰ্ষিক স্নাতক মহলাৰ পৰক্ষাৰ্থী

সেইয়া বীৰ শ্বহীদে চিঞৰিছে
অসম মাতৃয়ে কৰ ধৰিছে,
ৰণাঙ্গণলৈ সাজু হৈ ওলাই আহ ॥
শত্ৰু আহি পালে আকৌ শৰাইঘাট,
যাব লাগে আকৌ লাচিতৰ ডাক ॥
শত্ৰুক উছন কৰা অতি প্ৰয়োজন,
সেয়েহে আজি ৰণাঙ্গণৰ এই আয়োজন ॥
লাচিত, দেৱানৰ এই সোনৰ দেশ,
কিহৰ আজি এইবোৰ মুখাপিন্ধা বেশ ॥
যদি ৰাখিবই খুজিছা অসমৰ মান,
তেন্তে লবই লাগিব শত্ৰুৰ প্ৰাণ ॥
যদি চাবই নোৱাৰা শত্ৰুৰ তেজৰ চেকুৰা,
তেন্তে কিহৰ তুমি লাচিতৰ লুইতপৰীয়া ॥
আগবাঢ়ি আহি কৰা আয়োজন,
মাতৃভূমিক হৈছে আজি তোমাৰ প্ৰয়োজন ॥
উমি থকা জুইকুৰা জ্বলিবলৈ দিয়া,
অসম মাতৃৰ যুদ্ধলৈ সাজু হৈ বলা ॥
কৰিম নহয় মৰিম বুলি সঙ্কল্প লোৱা,
অসম আমাৰ বুলি আকৌ এবাৰ কোৱা ॥

## এটি কবিতা

অধ্যাপক ভূবোল ভাগৱতী

চকুৰ চিনাকী হ'ল
কঙ্কালৰ মহাসভা
চা টোকো ভাবো কঙ্কাল বুলিহে
কেতিয়াবা
প্ৰগতিৰ ৰথ চলে
থৰক-বৰক
সমুখত কেচাতেজ
গেলা মঙহৰ বোকাময় পথ
ক্লান্তিহীন শোষণৰ ক্ষুধাৰ্ত্ত সোকা
অভিশপ্ত বিবেকৰ নিৰ্লিপ্ত ভূমিকা
কলিজাই থাউনি নেপায়
চকুলোৰ লুণীয়া সাগৰ
প্ৰতিবাদ অৰ্থহীন
অপমান হয় জানা, সামন্ত প্ৰভুৰ
এনেকৈয়ে আগবাঢ়ো আমি
সভ্যতাৰ জয়গান গাই
শান্তিয়ে চকুলো মচে
তাকে চাই চাই ।

# স্বপ্নফুল

শ্ৰীদেৱজিৎ শইকীয়া
একাদশ মান শ্ৰেণী

বালিৰ ধুমুহা আহি
পথ যদি ৰাখে ঢাকি
কদাচিৎ তো মন তুমি ভাঙি নিদিবা ।

সংঘাটে যদি আহি
পথ যদি আৱৰেহি
জীৱনৰ গতিপথ সাহসেৰে বুলিবা
সুখে-দুখে পৰিপূৰ্ণ জীৱন জানিবা ।

মায়াময় সংসাৰৰ অতি ক্ষুদ্ৰ জীৱ আমি
কাঁইটেৰে ভঁৰা আমাৰ জীৱনৰ পথ ।

বিষাদ-বেদনাকো যদি,
লোৱাহে আশীৰ্ব্বাদ বুলি
আপুনি আঁতৰি যাব কালৰ কণ্টক ।

মৰমৰ কাৰেংঘৰ অতি থুনুকা
ভাঙে যদি কেতিয়াবা কাল-পচোৱাই
দুগুণ সাহসেৰে তুমি হুনাই গঢ়িবা
গত-জীৱ জগতৰ তেৰে নচুঁৱাই

অন্তৰ পবিত্ৰ কৰি ৰাখিবা পাৰাহে যদি
নেদেখা জনেই সঙ্গ হ'ব জীৱনৰ
স্বপ্নফুল এয়ে জীৱনৰ ।

# ঃ জাগৰণ ঃ

শ্ৰী শিৱ ছেত্ৰী
স্নাতক ৩য় বাৰ্ষিক

ভয়, হতাশা, শংকাৰে আজি পৃথিৱী তোলপাৰ
দেশ দেশান্তৰৰ পৰা ওলোৱা বিভীষিকাৰ ঢৌ
কোনোৱে পৰা নাই ( আজি ) ৰুধিব তাক
লালসা, স্বাৰ্থ পৰতাত এখন দেশে আনখনৰ
কৰিব বিচাৰিছে নিৰ্লজ্জ ভাৱে অধিকাৰ
কোনোৱে ওচৰ চুবুৰীয়া দেশত সন্ত্ৰাসৰ সৃষ্টিত উদগনি দিছে
কোনোৱে ধৰ্ম্মৰ গোৰামি পুষি হেজাৰ হেজাৰ
নিৰিহ লোকৰ প্ৰানৰ হেতালী খেলিছে
কোনোৱে জাত পাতৰ সাম্প্ৰদায়িকতাৰ ফাকু খেলিছে
কোনোৱে খণ্ডৰাজ্য দাবী কৰি ঘৰে ঘৰে কন্দল সৃষ্টি কৰিছে
কোনোৱে ৰাজনীতিক তমা আজোৰা কৰিছে।
ধনতন্ত্ৰ, ক্ষমতাতন্ত্ৰয়ে আজি গনতন্ত্ৰৰ নামত
দুখীয়া দৰিদ্ৰ সকলক শোষন কৰিছে
এ'মুঠি পুঁজিপতিয়ে গনতন্ত্ৰৰ পিঠিত চাবুক মাৰিছে।
সেয়েহে আজি নিপীৰিত সকলে
মুক্তিৰ বাবে সংগ্ৰামৰ পথ বিচাৰিছে।

# হয়নে আমি অসমীয়া

শ্ৰীধনঞ্জয় দত্ত
( বাণিজ্য ) স্নাতক ২য় শাখা

ভাৰতৰ পূব দিশত সীমান্ত প্ৰহৰী
অসম নামৰ দেশ,
ৰূপ, গুণ, বল বীৰ্য্য কৰ্ম ধৰ্মৰ
নাই একো ভেদাভেদ ।
ইতিহাসে কয় আহোম নামৰ
ইন্দ্ৰ বংশৰ ৰজাই,
ছশ বছৰ ৰাজত্ব কৰিছিল
বাবেই নাম হয় অসম ।
যি কি নহওঁক কৰ্মৰ ধৰ্মৰ
জাতিৰ কথাকে ছোৱা,
এই দেশত হেনো নাছিল আগতে
নাপিত মুচি ধোবা ।
তাঁতি বোলা জাতি এই দেশত
নাই বুলিলেই হয় ,
ৰাতিৰ ভিতৰতে আমাৰ শিপিনীয়ে
কবচ কাপোৰ বয় ।
চুলি কাটিবলৈ নাপিত নাছিল
ইজনে সিজনে কাটে,
আলি বান্ধিবলৈ মুনীয়া নাছিল
ৰাতিতে গড়টো বান্ধে ।

ঘৰুৱা কামত মুনিহ তিৰুতাৰ
সমানে অধিকাৰ,
ধৰ্ম্মৰ নামত শঙ্কৰে দি যোৱা
হৰি নামেই সাৰ ।
কিন্তু এতিয়া স্বাধীন হৈ
সকলোৱে হলো ৰজা,
কামৰ নামত একোকে নোৱাৰো
সকলো হলো ভোদা ।
গুণৰ নামত একোৱেই নাই
পিন্ধিবলৈ ললো ঠেঙা,
তাৰ সুযোগতে বিদেশী ভাইহতে
লগাইছে হেলা জেঙা ।
বিয়া নাম, আয় নাম, হৰিনামৰ
কতো নাই কোলাহল,
আনৰ অনুকৰণ কৰোতেই জ্ঞান
সকলো পৰিল ত'ল ।
কৃষ্টি, সংস্কৃতি, ভাষা, ৰীতি-নীতি
যদি হয় নাইকীয়া,
তেনেহলে হেৰা ভাৰি ছোৱাচোন
হয়নে আমি অসমীয়া ?

আধুনিক গীত ঃ—

# মিলি যাওঁ

শ্ৰীযতীন ফুকন
একাদশ শ্ৰেণী

মিলি যাওঁ
আহা আমি
মিলি যাওঁ
ভেদা-ভেদ তেজি যাওঁ
জাতি ধৰ্ম্ম নিৰ্বিশেষে,
আহা আমি
মিলি গাওঁ
বিজয়ৰ গান।
মিলি যাওঁ
আহা আমি
মিলি যাওঁ।
লক্ষ্য কোটি জনতা মিলি
আহা সাধো অক্ষুন্ন ঐক্য,
আহা আমি
গঢ়ো শান্তিৰ ৰাজ্য,
মিলি যাওঁ আহা আমি
মিলি যাওঁ
ভেদা-ভেদ তেজি যাওঁ
জাতি ধৰ্ম্ম নিৰ্বিশেষে,
আহা আমি
মিলি যাওঁ।
নোৱাৰি যি কাম
এজনে সাধিব,
ভয় নাই তথাপি
আহাঁ আমি সাধোঁ
সমিল মিলেৰে
নহব তেনে দুঃসাধ্য,
একতাৰ শক্তিৰে আমি
হমেই কৃতকাৰ্য্য।
তেন্তে!
আহা আমি
মিলি যাওঁ
ভেদা-ভেদ তেজি যাওঁ
জাতি ধৰ্ম্ম নিৰ্বিশেষে
আহা আমি মিলি যাওঁ
আহা আমি মিলি যাওঁ....
মিলি যাওঁ...মিলি যা...ওঁ।

# মনালিচা

( চুটি গল্প )

শ্ৰীমতী ৰশ্মি ৰেখা দাস
স্নাতক ২য় বাৰ্ষিক

সন্ধ্যা হ'বলৈ এতিয়াও বহুত সময়। ৰ'দটোৰ কাৰনে অৱশ্যে এতিয়াও দুপৰীয়া যেনেই হৈ আছে। মনিষাই হাতত কিবা এখন উপন্যাস লৈ সন্মুখৰ পদূলিলৈ নামি যোৱা প্ৰথমটো চিৰিতে বহি পৰিলহি। চকুত লগা ৰদটোৱে প্ৰথমে মনটো বিৰক্তিৰে ভৰাই তুলিলেও মুকলি ঠাইখনত বলি থকা বতাহ জাকে লগে লগে তাইৰ সেই বিৰক্তিবোধ নাইকিয়া কৰিলে। বহি থাকিয়েই তাই সন্মুখৰ সৰু ফুলনিখনলৈ চাই পঠিয়ালে। ৰ'দৰ তীব্ৰতাত গছবোৰ যেন কিছু নিস্তেজ হৈ পৰিছে। এইটো সময়ত সিহঁতৰ ঘৰটো সদায়ে আজিৰ এই মুহূৰ্তটোৰ দৰেই নিজান পৰি থাকে। কাৰন মাক আৰু তাইৰ বাহিৰে ঘৰত এতিয়া কোনো নাই। মাকো বৰ্তমান ব্যস্ত হৈ আছে পাক ঘৰত কাম কৰা ছোৱালী জনীৰ লগত। দেউতাক অফিচৰ পৰা আহিবলৈ এতিয়াও বহুত সময় বাকী। ককায়েক ক্ষন্তেক আগতে ওলায় গৈছে নিজৰ ক্লিনিকলে বুলি স্কুটাৰখন লৈ।

মনিষাই লাহে লাহে কিতাবখনৰ পাতবোৰত চকু ফুৰাব ধৰিলে। তাই স্থানীয় কলেজখনৰে B Com Final Year ৰ ছাত্ৰী। ক্ৰমাণ্বয়ে কিতাপৰ শাৰীবোৰৰ মাজত হেৰাই যোৱা মনিষা হঠাতে কাৰোবাৰ মাতত উচপ খাই উঠিল। চকু তুলি চাই দেখে যে গেটৰ ওচৰত হাতত এসোপা চিঠিৰ সৈতে ঠিয় দি আছে পিয়ন এজন। তাই তাৰ পিনে আগোৱাই যোৱাৰ লগে লগে সি মনিষাৰ ঠিকনাত অহা নিৰ্দিষ্ট খামটো তাইলৈ বুলি আগবঢ়াই দিলে। হাতৰ খামটোৰ ওপৰত লিখা ঠিকনাৰ আখৰবোৰ তাইৰ অতি চিনাকী। মনিষা উভতি আহি আগৰ দৰেই বহি কিতাপখন আঁতৰাই লৰালৰিকৈ খামটো ফালি চিঠিখন উলিয়াই ললে পিয়নজন ইতিমধ্যে আঁতৰি গৈছিল অহা বাবেৰেই।

মনিষাই চিঠিখন নেমেলাকৈয়ে ক্ষন্তেক ৰ'ল। তাইৰ মনৰ মাজত ভাঁহি উঠিল এই আখৰৰ গৰাকী তাইৰ অন্তৰঙ্গ বান্ধৱী মনাৰ কোমল মুখখন। মনা অৰ্থাৎ মনালিচা মনিষাৰ এদিনৰ চিনাকী নহয়। স্মৃতিৰ জোলোঙাত কথাবোৰ সাঁচি ৰাখিবলৈ শিকাৰ পৰাই পৰস্পৰক কাষত পোৱাৰ কথা তুয়োজনীৰে মনত আছে। দুয়োজনী একেলগেই

ডাঙৰ হৈছে। মনিষাৰ মনত পৰিছে সেই তাহানি একেলগে স্কুললৈ যোৱা। একেলগে ফুৰা, দুয়োজনীয়ে একেলগে কটোৱা সেই স্বপ্নীল দিনবোৰলৈ। দিনবোৰ ৰাতিবোৰ সিহঁতৰ অজানিতে হেৰাই যোৱাৰ লগে লগে দুজনী চঞ্চলা গাভৰুৰ মিঠা কোমল হাঁহিয়েৰে দুয়োখন ঘৰেই কৰি ৰাখিছিল উৎসৱমুখৰ। তেতিয়া সিহঁতৰ বাবে পৃথিৱীখন হৈ পৰিছিল ৰামধেনুৰ সাতোটা ৰংতকৈও বহুত নাম নজনা ৰঙেৰে ৰঙীন। কিন্তু তাৰ মাজতো মনিষাৰ দৃষ্টিত পৰিছিল তাইৰ প্ৰানতকৈ মৰমী মনাজনীৰ নিজস্ব পৃথিৱীখনত তাই যেন বৰ অকলশৰীয়া। কোনোবা অসতৰ্ক মুহূৰ্তত মনালিচাৰ মুখত ফুটি উঠা ক্ষন্তেকীয় নিৰ্মম বেদনাৰ ছাঁ দেখি মনিষাই অনুভৱ কৰে তাইৰ বুকুৰ মাজতো এক অনামী যান্ত্ৰনা। বহুদিন জানিব বিচাৰিও মনিষাই কিন্তু তাৰ কোনো সহুত্তৰ পোৱা নাছিল মনালিচাৰ পৰা। হাঁহিৰ মাজেৰে তাইৰ কথা উৰুৱাই দিছিল চতুৰা মনালিচাই।

মনালিচাহঁতৰ পৰিয়ালত আছিল মাক, দেউতাক, ভায়েক অনু আৰু ভনীয়েক পল্লবী। কিন্তু মনালিচা আৰু মনিষাৰ সেই হাঁহিমধুৰ গতানুগতিকতা হঠাতে এদিনে হেৰাই গৈছিল আজিৰ পৰা প্ৰায় চাৰি বছৰৰ আগতে। দুয়োজনীয়ে স্থানীয় কলেজখনত নাম লগাইছিলেহে মাথোন-এনেতে দেউতাকৰ চাকৰিৰ খাতিৰত এদিন মনালিচাহঁতৰ ডিব্ৰুগড়ৰ পৰা বদলি হৈ গৈছিল যোৰহাটলৈ। দেউতাৰ মুখে সেই সংবাদ পাই কান্দি পেলাই ছিল দুয়োজনীয়ে। আৰু শেষত এদিন চকুপানীৰ মাজেৰেই মনিষাই বিদায় জনাইছিল তাইৰ শৈশৱৰ-যৌৱনৰ বান্ধৱী মনাক' মনালিচাইও কোনো দিনেই নাপাহৰাৰ আৰু চিঠিৰ দ্বাৰাই যোগাযোগ কৰি থকাৰ প্ৰতিশ্ৰুতি দি চলচলীয়া চকুৰে উঠি পৰিছিল মনিষাহঁতৰ পদূলিত ৰৈ থকা এম্বেচাডৰ খনত। সেই দিনটোৰ সোঁৱৰনত মাজে মাজে সেমেকি উঠাৰ দৰে এই ক্ষনতো মনিষাৰ চকুযুৰি সেমেকি উঠিল।

ইয়াৰ পাছত সিহঁতি মাথো দুবাৰলৈ লগ লাগিছিল। দুবছৰৰ আগতে শেষবাৰলৈ লগ পোৱা মনালিচাক দেখি মনিষা আচৰিত হৈছিল। ক'ত বাৰু হেৰাই গ'ল তাইৰ চিনাকী চঞ্চলা মনাজনী !! সেইদিনা মনিষাই মাৰ মুখত দেখিছিল গভীৰ বেদনা আৰু উদাসীনতাৰ মলিন ছাঁয়া।

ইয়াৰ পাছত সুদীৰ্ঘ দিনলৈ দুয়োজনীৰ মাজত সম্বন্ধ গঢ়ি উঠিছিল চিঠিৰ দ্বাৰাই। যোৱা বছৰ শাৰীৰিক অসুস্থতাৰ বাবে পৰীক্ষা দিয়া নহ'ল মনিষাৰ আনহাতে মনাই সেই বছৰেই অনাৰ্চসহ B. A. পাছ কৰে। — এইবাৰ মনিষাই অতীতৰ স্মৃতিবোৰক মনৰ মাজতে থৈ চিঠিখন মেলি মনে মনে পঢ়ি যাবলৈ ধৰিলে। লগে লগে তাইৰ মুখত ফুটি উঠিল অপৰিসীম বিস্ময়ৰ ভাৱ——— তাই পঢ়ি গ'ল——

মৰমী মনিষা,

এইয়া হয়তো তোলৈ মোৰ শেষ চিঠি ইয়াৰ পাছত পুনৰ তোলৈ যে চিঠি লিখিম তাক মই এতিয়াই ক'ব নোৱাৰিম। কিন্তু মোৰ অন্তৰে তোৰ মৰম ও আন্তৰিকতাৰ কথা কেতিয়াও অস্বীকাৰ নকৰে- সেই কথা মই দৃঢ়তাৰে ক'ব পাৰো।

জান মনিষা কেতিয়াবা এটা জনমো প্ৰতীক্ষাৰ বাবে কম যেন লাগে। জীৱনটো স্বয়ং এক সীমাহীন প্ৰতীক্ষা——। এই প্ৰতীক্ষা সদায় নিজৰ উদ্দেশ্যৰ লক্ষ ধিয়াই দৌৰি থাকে আৰু লক্ষ্যৰ কাষত উপস্থিত হৈ যেতিয়া দেখে যে লক্ষ্য হেৰাই গৈছে পুনৰ কোনোবা দূৰ দিগন্তত, তেতিয়াই জীৱন হৈ পৰে দিশাহাৰা——। মনিষা তই বাৰু মোক কিমানখিনি চিনিলি? মোৰ প্ৰশ্ন দেখি আচৰিত হৈছ নহয়? সঁচা মনিষা— তই জনাখিনিয়েই মোৰ জীৱনৰ সম্পুৰ্ন সত্য নহয়। মোৰ সেই পৰিচয় অসম্পুৰ্ন। তই জান মই কাকো প্ৰতাৰনা কৰা নাই; কিন্তু পৃথিবীয়ে যে এদিন মোক এইদৰে প্ৰতাৰনা কৰিব জনা নাছিলো।

ডিব্ৰুগড়ত থাকোতে তই হয়তো লক্ষ্য কৰিছিলি মোৰ প্ৰতি মাৰ ৰুক্ষ ব্যবহাৰ। সেই কথা তোৰ অবিদিত নহয়। মনে মনে আশ্চৰ্য্য বোধ কৰিছিলো। অনু আৰু পল্লৱীৰ প্ৰতি ইমান দৰদী মা যে মোৰ প্ৰতি ক্ৰিয় ইমান উদাস-ইমান কঠোৰ জনা নাছিলো। —ভাবি পাৰ পোৱা নাছিলো। কিন্তু দেউতাৰ সীমাহীন মৰমৰ মাজত সেই চিন্তাক গভীৰ ভাৱে লোৱাৰ সুবিধা পোৱা নাছিলো। কিন্তু—।

তোৰ পৰা আঁতৰি অহাৰ পাছত মই একেবাৰেই নিঃসঙ্গ হৈ পৰিছিলো। কিন্তু কলেজত চিনাকী হোৱা ৰীমাক লগ পাই তোক কাষত পোৱা যেন লাগিছিল। আগতে মই চিঠিত লিখা ৰীমা নামৰ ছোৱালীজনীৰ কথা তই নিশ্চয় পাহৰা নাই। প্ৰথম দিনৰ চিনাকীৰ পাছৰ পৰাই লাহে লাহে দুয়োজনীৰ মাজত গঢ়ি উঠে বন্ধুত্ব। সেই বন্ধুত্বৰ খাতিৰতে ইজনীয়ে সিজনীৰ ঘৰলৈ অহাযোৱা কৰিছিলো। এই সুত্ৰেই মোৰ পৰিচয় ঘটে ৰীমাক ভগ্নী স্বীকৃতি দিয়া তাইৰে প্ৰতিবেশী ডাক্তৰ অজিত শৰ্মাৰ লগত। সেই দিনা জনা নাছিলো যে এই পৰিচয়ে মোৰ জীৱনৰ চিনাকী বাট টোতেই সিচিঁ দিব বিষাক্ত হুল। ডঃ অজিত এদিন মোৰ অনুৰোধত আমাৰ ঘৰলৈ আহে। ইয়াৰ পাছত ক্ৰমে আমাৰ মাজৰ ঘনিষ্ঠতা বাঢ়ি যায়। আৰু এদিনৰ সেই চিনাকিয়েই জীৱনৰ চিনাকী হৈ পৰে পৰস্পৰৰ বাবে, পৰস্পৰৰ অজানিতে। এই কথা কিবা প্ৰকাৰে অভিভাৱকত্বৰ পাইয়ালে অতি সোনকালেই বুজি উঠিছিল। যদিও পুনৰ্কে বাধা দিয়াৰ থল নাছিল।

সেইবাৰ মই ফাইনেল দিম। মনৰ নিভৃতত নতুন অনুপ্ৰেৰনাৰে নিজক ইয়াৰ বাবে প্ৰস্তুত কৰাত মনোনিবেশ কৰিলো।

অজিতৰ প্ৰেৰনাত পালো নতুন উৎসাহ। এটা সময়ত পৰীক্ষা হৈ গ'ল সকলোবোৰ বিষয় আশা কৰাৰ দৰেই ভাল হৈছিল। পৰীক্ষা শেষ হোৱাৰ কেইদিনমানৰ পাছতে এদিন অজিতৰ মাক আৰু দেউতাক আহে আমাৰ ঘৰলৈ। তেওঁলোকৰ একমাত্ৰ পুত্ৰৰ সপোন-বোৰক বাস্তৱ ৰূপ এটি দিয়াৰ আশাৰে দেউতাৰ আগত দাঙি ধৰে মোক তেওঁলোকৰ বোৱাৰী ৰূপে পোৱাৰ প্ৰস্তাৱ। দেউতাৰ অসন্মতিৰ কোনো কাৰণ নাছিল। মোৰ বাবে হয়তো অজিততকৈ সুপাত্ৰ দেউতাই আশা কৰা নাছিল। আনন্দত উত্ৰাৱল হৈ পৰা দেউতা কিন্তু হঠাতে এটা সময়ত থমকি ৰৈছিল। তাৰ পাছত দেউতাৰ কণ্ঠত ফুটি উঠা গম্ভীৰ স্বৰ পৰ্দাৰ আঁৰত ৰৈ তেওঁ-লোকৰ আলাপ শুনি থকা মোৰ কানত পৰাত মোৰ অন্তৰাত্মা কঁপি উঠিছিল। দেউতাৰ ধীৰ স্থিৰ কণ্ঠত ফুটি উঠা প্ৰতিটো শব্দই মোৰ জীৱনৰ স্বপ্নসৌধ ভাঙি চূৰ্ণ-কৃত কৰি দিছিল। মোৰ উপস্থিতিৰ উমান নোপোৱা দেউতাই কৈ যাবলৈ ধৰিলে—"মনা মোৰ বৰ মৰমৰ। তাইৰ সুখেই মোৰ শান্তি। সেয়ে তাইৰ জীৱনৰ এটা অতি গোপন সত্য এতিয়াই আপোনালোকক কৈ পেলোৱা উচিত; যিটোক মোৰ মনাই হয়তো কল্পনাও কৰিব নোৱাৰে।" —ক্ষন্তেক ৰৈ কম্পিত স্বৰেৰে দেউতাই কোৱা শুনিলো—"মনাক মই পল্লৱী আৰু অনুৰ দৰেই মৰম কৰো— সমান চকুৰে চাওঁ। কিন্তু— কিন্তু সিহঁতৰ দৰে মনা মোৰ নিজৰ সন্তান নহয়। যদিও তাইক মই এই কথা ঘুণাক্ষৰেও জানিব দিয়া নাই। মোৰ পত্নী আৰু মোৰ বাহিৰে এই কথা আন কোনোৱে জনা নাছিল আজি পৰ্য্যন্ত। মোৰ বিয়াৰ পাছত এদিন গাঁৱৰ পুৰণি ঘৰলৈ যাওঁতে পানীছেঁৱা কনাক কোলাত লৈ উভতি আহিছিলো। কাৰণ গাঁৱৰ এজনী দুখীয়া নিম্নজাতৰ বিধবা মানুহে তাইৰ প্ৰথম সন্তানটোক জন্ম দিয়েই মৃত্যুক আকোৱালি লয়। বৃদ্ধ ককাক আৰু আই-তাকৰ পক্ষে পানীকেছুৱা ছোৱালী এজনী পালস কৰাটো অসম্ভৱ। সিহঁতৰ কথা শুনি মই মোৰ পত্নীৰ বিপৰীতে মনাক নিজৰ কোলাত তুলি ললো। পত্নীৰ প্ৰতিবাদক আওকান কৰি প্ৰথমা সন্তান ৰূপে স্বীকৃতি দিয়া মনাৰ প্ৰতি মোৰ স্নেহ আৰু আগ্ৰহ পল্লৱ আৰু অনুৰ আগমনেও ম্লান কৰিব পৰা নাছিল আৰু কোনো দিনে নোৱাৰেও।"

—ইয়াৰ পাছত আৰু দেউতাৰ কথা শুনাৰ ধৈৰ্য্য মোৰ নাছিল। নিজৰ কোঠালৈ দৌৰি গুচি গৈছিলো হাতত চাহৰ ট্ৰে লৈ ওলায় অহা পল্লৱীৰ কাষেৰেই পল্লৱীৰ মুখত ফুটি উঠা আশ্চৰ্য্যবোধ আৰু মোৰ খোজৰ শব্দত দেউতাই হয়তো বুজিছিল তেওঁৰ অশুধৰণীয় ভুলৰ কথা। নিজৰ কোঠাৰ বিছনাত বহি কান্দি কান্দি ভাবিছিলো 'ইমান প্ৰতাৰণা ?! ইয়াৰ বাবে মই পৃথিৱীৰ কাকো ক্ষমা নকৰো— কেতিয়াও। মই এই খন ঘৰৰ একো নহওঁ। মই এই পৰিয়ালৰ লগত কোনো ধৰণৰ সম্পৰ্ক নথকা এক অভিশপ্ত জীৱ মাত্ৰ। মই এজনী সৰ্বহাৰা

নীচকুলৰ বিধবাৰ সন্তান মাথো।' সেইদিনাহে মই বুজিছিলো মোৰ প্ৰতি মাৰ ৰূক্ষ ব্যৱহাৰৰ কাৰণ। সেইদিনা দেউতাৰ অনুৰোধক উপেক্ষা কৰি মোৰ কোঠাৰ দুৱাৰ এবাৰো খোল নাখালে।

এটা সময়ত অজিতহঁত গুচি গৈছিল। উজাগৰি ৰাতি এটা শেষত অস্থিৰতাৰ মাজেৰেই শেষ হৈ গ'ল। ৰাতিপুৱা দেউতাই শান্তনা দিছিল মই মাথো তেওঁৰ বুকুত মুখ গুজি কান্দিছিলো হতাশাত-নিৰাশাত। কিন্তু...... মাৰ মুখত যেন স্পষ্ট হৈ জিলিকি আছিল কিবা এটা বিদ্ৰূপৰ হাঁহি।

পাছত পল্লৱীৰ মুখৰ পৰা শুনিছিলো আগদিনা মই গুচি অহাৰ পাছৰ পৰিস্থিতিৰ কথাবোৰ। অজিত আজিৰ যুগৰ 'শিক্ষিত' যুৱক; কিন্তু অজিতৰ পিতৃ-মাতৃৰ দৰে ৰক্ষণশীল সমাজৰ তথাকথিত পৰিয়াল এটাৰ বাবে মোৰ দৰে বংশ-পৰিচয় হীনা ছোৱালী এজনীক বোৱাৰীৰ স্বীকৃতি দিয়াটো অসম্ভৱ-অবাস্তৱ কথা। আনহাতে যদিও অজিতে মোক ভাল পায় তথাপি ঐশ্বৰ্য্যশালী পিতৃ-মাতৃৰ একমাত্ৰ পুত্ৰ হোৱা বাবেই অজিতে মাক-দেউতাকৰ এই সিদ্ধান্তৰ প্ৰতিবাদ কৰাৰ অক্ষমতাৰ কথা স্পষ্টভাৱেই জনাই দিছিল। কিবা কামত পল্লৱী আঁতৰি গৈছিল কথাবোৰ কৈয়েই। মই ভাৱি গলো— সমাজত নিজৰ আত্মসন্মান আৰু পিতৃ-মাতৃৰ মৰ্য্যাদাৰ বিপৰীতে গৈ মোক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰাৰ কোনো যুক্তি হয়তো আজিৰ যুগৰ অজিতৰ ওচৰত নাই। কথাবোৰ ভাৱি বিদ্ৰোহী হৈ পৰিছিল মোৰ মন। ভীষণ অপমানবোধে বিদ্ৰোহী কৰি তুলিছিল মোক। এইয়া যে মোৰ অপমান, মোৰ ব্যক্তিত্বৰ অপমান, মোৰ শিক্ষিত জীৱনৰ অপমান। সেই দিনাই শেষ হৈ গৈছিল মোৰ সকলো আশা সকলো আকাঙ্খা কিন্তু বহু চিন্তা কৰিও ইয়াৰ বাবেই নিজক নিঃশেষ কৰি দিয়াৰ কোন যুক্তি মই বিচাৰি নাপালো। অজিতৰ প্ৰতি মোৰ মন ভৰি পৰিছিল ঘৃনাৰে। সেয়েহে সেইদিনাৰ পাছত কেতিয়াবা তেওঁক দেখিলেও অচিনাকীৰ দৰেই আঁতৰি আহিছিলো।

যথাসময় মতে পৰীক্ষাৰ ফলাফল উলাল আশা কৰাৰ দৰেই উত্তীৰ্ন হ'বলৈ সক্ষম হ'লো সেই ঘটনাটোৰ পাছত দেউতাৰ বাহিৰে মোৰ চিৰ চেনেহী অতি আপোন এই ঘৰখনৰ প্ৰতিটো বস্তুৰেই যেন মোৰ বাবে হৈ পৰিছিল এক অবুজ সাথঁৰ; দেওতাই হৈ পৰিছিল মোৰ একমাত্ৰ আশ্ৰয়। সীমাহীন কৃতজ্ঞতাৰে ভৰি পৰিছিল মোৰ মন তেওঁৰ প্ৰতি। কিন্তু মোৰ মান সিকতাই অজিত, মাহঁতৰ দৰে লোকৰ পৰা আতঁৰি থাকিবলৈ কিবা এটা মাধ্যম বিচাৰি হাহাঁকাৰ কৰি উঠিছিল। তেওঁলোকৰ উপস্থিতিয়ে বাৰে বাৰে আঘাত কৰি ছিল মোৰ আত্মসন্মানক। বুজিছিলো মাৰ ভয় নিজ সন্তান পল্লৱীৰ ভৱিষ্যত জীৱন সম্বন্ধে। মায়ে কিন্তু তাক কথাৰে নহয়; ব্যৱহাৰেৰে প্ৰকাশ কৰিছিলো মোৰ সন্মুখত।

গ্লানি-অপমানেৰে জৰ্জৰিত হৈ তেওঁলোকৰ পৰা তেওঁলোকৰ সমাজৰ পৰা আতৰি যোৱাৰ পথৰ সন্ধান কৰিবলৈ ধৰিলো অতি গোপনে।

এইবাৰ কিন্তু ভাগাই প্ৰতাৰনা নকৰিলে। এদিন বাতৰি কাকতত প্ৰকাশ পোৱা বিজ্ঞাপন এটাৰ জৰিয়তে জানিব পাৰিলো যে নগাঁৱৰ অখ্যাত গাওঁ এখনৰ নতুন পাঠশালা এখনৰ শিক্ষয়ত্ৰীৰ পদৰ বাবে প্ৰাৰ্থী বিচৰা হৈছে। মই যেন ইয়াকেই আশা কৰিছিলো হটাতে যেন মোৰ সপোনৰ ভগ্নস্তূপৰ মাজত গঢ়ি উঠিল নতুনৰ এক নৱীন আশাৰ বেঙুনি। সেই অখ্যাত গাৱঁৰ নিশকতীয়া, দুৰ্বল ল'ৰা ছোৱালীৰ ভৱিষ্যতলৈ সিহঁতক আগুৱাই নিয়াৰ, পথ দেখুৱাই নিয়াৰ বাবে মোক কৰা সিহঁতৰ কাতৰ আৰ্তনাদ যেন প্ৰতিধ্বনিত হ'লহি মোৰ কানত; তৎক্ষনাত স্থিৰ কৰি পেলালো মোৰ সিদ্ধান্ত, প্ৰথমে দেউতাই আপত্তি কৰিছিল। কিন্তু মোৰ যুক্তিৰ ওচৰত হাৰ মানিছিল তেওঁৰ দুৰ্বল প্ৰতিবাদ। মাৰ আপত্তি থকাৰ কোনো প্ৰশ্নই নুঠিল। অৱশ্যে অনু আৰু পল্লৱীয়ে মোক এৰি দিবলৈ বিচৰা নাছিল। কিন্তু এতিয়া মোৰ গতিক কোনো বাধাই ৰুদ্ধ কৰিব নোৱাৰে। নতুনক পোহৰৰ বাট দেখুওৱাৰ, ভৱিষ্যতৰ দুৰ্বল-অক্ষম অস্তিত্বহঁতক অন্যায়ৰ প্ৰতিবাদৰ মন্ত্ৰ দি এখন দোষমুক্ত নৱীন সমাজ গঢ়াৰ পথত দেখা দিয়া সকলো বাধা অতিক্ৰম কৰিবলৈ আজি মই দৃঢ়-প্ৰতিজ্ঞ। সেয়েহে ইমান বিশাল পৃথিৱীখনৰ মোৰ একমাত্ৰ আপোন দেউতাৰ সহস্ৰ বাধাকো মানিবলৈ আজি মই বাধ্য নহওঁ—মনিষা, অহা কালিলৈ মই নগাঁৱলৈ যামগৈ। মোৰ জীৱনৰ তয়ো এক অবিস্মৰনীয় অধ্যায়। সেয়েহে তোক এই কথা বোৰ কোৱাৰ প্ৰয়োজনীয়তা বোধ কৰিলো। অন্যথাই, তই যিদিনা এই কথা জানিবি মোক দুৰ্বল বুলি তই ভবাৰ থল, থাকি যাব। যিটো প্ৰকৃততে সত্য নহয়।

চিঠিখনৰ দৈৰ্ঘ্যতাই তোক বাৰু অমনি কৰিছে নেকি মনিষা? আৰু নিলিখো দেই—বহুত পলম হল; তোৰো-মোৰো। ৰাতি পুৱাবলৈ বেছি পৰ নাই। আজিৰ পুৱাৰ কিৰনে আনিব মোৰ জীৱনলৈ এক নতুনত্ব। মোৰ এই সপোনক বাস্তৱত ৰূপ দিবলৈ——এই জটিল কাৰ্য্যত কৃতকাৰ্য্য হোৱাৰ যুজঁত ব্ৰতী হোৱাৰ শক্তি যোগাবলৈ ভগৱানক প্ৰাৰ্থনা কৰিবি।

সৰ্বশেষত বহুতো মৰমেৰে——

তোৰ বান্ধৱী

মনালীচা

———চিঠিখন পঢ়ি শেষ হোৱাৰ পাছতো মনিষা বহি ৰ'ল একেদৰেই বহুসময়। এনেতে ভিতৰৰ পৰা তাইকেই উদ্দেশ্য কৰি মতা মাকৰ মাততহে সম্বিত ঘুৰাই পালে তাই। তাই উপলব্ধি কৰিলে, ইতিমধ্যে পৃথিৱীৰ বুকুলৈ নিঃশব্দে নামি অহা এন্ধাৰ বোৰৰ লগতে এক সীমাহীন উদাসীনতাই যেন আৱৰি পেলাইছে তাইৰ সমগ্ৰ সত্বাক।

ৰ'দবোৰ যে কত হেৰাই গ'ল— । তাই ঠিয় হ'ল । দেখিলে, ক্ষনে ক্ষনে গাঢ় হৈ অহা বিশাল আকাশখনৰ উত্তৰ মেৰুত তিৰ-বিৰাই জ্বলি থকা অকলশৰীয়া তৰাটোৱে প্ৰাণপনে চেষ্টা কৰিছে আন্ধাৰবোৰক খেদিবলৈ । মনিষাই জানে— সি কেতিয়াও সফল নহয় । কিন্তু অকলশৰীয়া তৰাটোলৈ চাই থাকিয়েই মনিষাই অনুভৱ কৰিলে এই ৰাতিটোৰ শেষ হ'লে পূবৰ আকাশ দীপ্ত কৰি উদয় হোৱাৰ সংকল্প বুকুত বান্ধি অকলশৰে আগবাঢ়ি আহি থকা আদিত্যৰ পবিত্ৰ উত্তাপ ।



Friendliness is contagious. The trouble is many of us wait to catch it from someone else when we right better be giving them a chance to catch it from us.

By Miss Nirmal Kaur (B. Com. 1st year)

( চুটি গল্প )

# আজীৱন প্ৰহৰী

শ্ৰীধীৰেন দাস
দ্বাদশ শ্ৰেণী

দৰ্শন শাস্ত্ৰত ডিগ্ৰী লাভ কৰা সৌমৰ চৌধুৰী পিতৃ-মাতৃৰ একমাত্ৰ সন্তান। সৌমাৰৰ পিতৃ এজন চৰকাৰী উচ্চ বিষয়া। তেওঁ বাওঁ-সোঁ দুয়োহাতেৰে ধন সংগ্ৰহ কৰি এজন ধনী ব্যক্তি স্বৰূপে জনাজাত। সৌমৰ সকুৰে পৰাই অতি চোকাবিধৰ আছিল। সেইৰাবেই পিতৃ-মাতৃয়ে তেওঁক এজন উচ্চ ক্ষমতাসম্পন্ন চৰকাৰী বিষয়া হোৱাৰ সপোন দেখিছিল। কিন্তু সৌমাৰে পিতৃ-মাতৃৰ সপোনক আওকাণ কৰিলে আৰু এই সপোনক বাস্তৱত পৰিণত হবলৈ নিদিলে। তেওঁ পিতৃ-মাতৃৰ ইচ্ছাৰ বিৰুদ্ধে গ'ল। আৰু দৰ্শন শাস্ত্ৰকহে আকোৱালি ললে। তেওঁ দৰ্শনৰ যোগেদি আত্ম উপলব্ধি আৰু এই উপলব্ধিক সংস্কাৰ কৰিবলৈ শিকিলে। কিয়নো সৌমৰে জানিছিল যে নিজক সংস্কাৰ কৰাৰ পাছতহে সমাজ বা দেশক সংস্কাৰ কৰিব পাৰি। সেয়েহে তেওঁ লাভ কৰা জ্ঞান নিজৰ ভিতৰতে আবদ্ধ কৰি ৰাখিব নিবিচাৰিলে। আৰু ইয়াৰ বাবে সাংবাদিকতাকে প্ৰধান পথৰূপে গ্ৰহণ কৰিলে।

সৌমৰ চৌধুৰীয়ে অৱশ্যে জানে যে "এপাচি শাকত এটি জালুকে কি কাম কৰিব?" তথাপিও তেওঁ মনটো ডাঠ কৰি পুনৰ চিন্তা কৰিছিল— "বিজুলী চাকিৰ পোহৰত থকা মনিকুটত এগচি মাটিৰ চাকিৰ মৰ্য্যদাৰ কথা।" ইফালে সৌমৰ চৌধুৰীৰ মাক-দেউতাকে ল'ৰাৰ এনে বিপৰীত মতি-গতি দেখি লাহে লাহে দেখিব নোৱাৰা হ'ল আৰু এদিনাখন তেওঁক ঘৰৰ পৰা বাহিৰ কৰি দিলে। সৌমৰে কিন্তু ঘৰৰ বাহিৰ হ'ব লগীয়া হোৱাত দুখ পোৱা নাছিল। বৰঞ্চ তেওঁ দুগুণ উৎসাহেৰে কাম কৰিবলৈ প্ৰেৰণাহে পাইছিল।

ইতিমধ্যে সৌমৰ চৌধুৰীয়ে ঘৰ ত্যাগ কৰিলে আৰু মুখত এটি ক্ষীণ হাঁহি, বুকুত সাহ লৈ জীৱন যুদ্ধত আগবাঢ়িল। সৌ সিদিনা বৃহৎ বাৰ্লিন ৱাল ভঙাৰ পিছত পূৰ্ব-পশ্চিমৰ মধুৰ মিলনৰ যেনেদৰে সমাবেশ হৈছিল, সৌমৰৰো যেন আজি তেনে এখন বৃহৎ ৱাল আঁতৰি গ'ল। আৰু এতিয়া যেন মুকলি আকাশৰ তলত মুক্ত বায়ুৰ মাজেৰে পখিলাই ৰেণু চুহি ফুৰাৰ দৰে তেৱেঁ। ইচ্ছানুসৰি অবাধ গতিৰে গতি কৰিব পাৰিব ....। যি কি নহওক সৌমৰ চৌধুৰী এতিয়া আৰু সোণৰ সজাৰ পক্ষী নহয়। মুক্ত পক্ষী।

লাহে লাহে সৌমৰ আহি ষ্টেচন পালেহি। তেওঁৰ কোনো লক্ষ্যস্থান নাই। কোনফালে যাব কব নোৱাৰে। লক্ষ্যমাথোঁ নিকা সাংবাদিকতাৰ মাজেৰে সত্য উদ্ঘাটন কৰা। সৌমৰে ষ্টেচনৰ কাষতে থকা কিতাপৰ দোকানৰ সম্মুখত থিয় হৈ আলোচনী এখন চাব ধৰিলে। এইদৰে কিছু সময় কটোৱাৰ পাছত তেওঁ এজন বন্ধুক লগ পালে। বন্ধুৰ সৈতে কথা-বতৰা হোৱাৰ পাছত জানিব পাৰিলে যে, বন্ধুজনে এখন সাংবাদিক মেললৈ গৈছে। তাত হেনো কোনোবা VIP আহিব। সৌমৰে কথাষাৰ শুনি অতিশয় আনন্দিত হ'ল। আৰু যোৱাৰ কথা সদৰি কৰিলে। বন্ধুজনেও এজন সঙ্গী পাই ভাল পালে। দুয়ো গৈ এখন বেচৰকাৰী বাছত উঠিল। কিছু সময়ৰ পাছত বাছখনে গতি আৰম্ভ কৰিলে আৰু এটা সময়ত বাছখন গৈ গন্তব্যস্থান পালেগৈ। বাছখন ৰখোৱাৰ লগে লগে সকলো মানুহ ঠেলা হেচাকৈ নামিবলৈ ধৰিলে। কোনেও কাকো মন কান দিয়া নাই মাথো নিজকে লৈ ব্যস্ত। আনকি সৌমৰ চৌধুৰীকো বন্ধুৱে কেতিয়া এৰিলে খবৰ নহল। কিন্তু সৌমৰৰ সেই-বিলাক কথাৰ প্ৰতি ভ্ৰুক্ষেপ নাই। তেওঁৰ মাথো চিন্তা কেনেদৰে নিজকে সংব্যৱহাৰ কৰিব পাৰে। যিহেতু তেওঁ সমাজৰ সকলো সচেতন নাগৰিকক সংস্কাৰমুখী কৰিবৰ বাবে যি জাগৰণৰ পথ সুস্থ সাংবাদিকতাৰ মাজেৰে প্ৰশস্ত কৰিব বিছাৰিছে তাক বাস্তৱত পৰিণত কৰা। যাৰ বাবে নেকি তেওঁ পিতৃ-মাতৃকো ত্যাগ কৰিছে। সেয়েহে তেওঁ সঙ্গী বিহীন হলেও উপলব্ধি কৰাৰ সময় নাই।

সৌমৰে বাছত বহি বহিয়ে ভাবিব ধৰিলে "V I P" শব্দটো বৰ ডাঙৰ শব্দ। ই সাগৰত বিচৰণ কৰা প্ৰকাণ্ড জাহাজৰ দৰে আৰু এই জাহাজ নিৰ্মাণ কৰা হয় বিভিন্ন ধাতুৰ মিশ্ৰণ ঘটাই। সেইবাবেই আমাৰ দৰে সোপাটিলা জ্ঞানীলোকে এনে মিশ্ৰিত কৃত্ৰিম ধাতুৰ মহিমা বুজা টান। জাহাজৰ বগা নীলা ৰঙেৰে আবৃত বাহিৰ অংশ দেখিয়ে আমি আত্মবিভোৰ হওঁ। কিন্তু এনে কৃত্ৰিম ধাতুৰ কাৰিকৰি দিশৰ বিষয়ে কোনেও নেজানে। জনাতো প্ৰয়াসো নকৰে আৰু জনাতোও বৰ সহজ নহয়। কিন্তু সৌমৰে ভালকৈ উপলব্ধি কৰিছে যে এই বিষয়ে জানিব হ'লে দৈনন্দিন ব্যৱহাৰ কৰা টুলুঙা নাৱৰ বিষয়ে জনাতো নিতান্ত প্ৰয়োজন। সেয়েহে সৌমৰ চৌধুৰীয়ে সেই টুলুঙা নাও বিলাকৰ বৰ্ণনা দিবলৈ যেন মানুহৰ কাষ চাপিব। ইতিমধ্যে বাছৰ ড্ৰাইভাৰে হঠাৎ হৰ্ণ বজাই দিয়াত সৌমৰ চকখাই উঠিল আৰু লৰালৰিকৈ নামিব ধৰিলে। কিন্তু বাছৰ দুৱাৰমুখ পাই দেখে এজন আদৰণীয়া ব্যক্তি নামিব বহু চেষ্টা কৰিও নামিব পৰা নাই। তললৈ চাই দেখে ব্যক্তিজনৰ সোঁ ভৰিখন নাই। সৌমৰে মানুহজনক নামি যোৱাত সহায় কৰি দিলে।

এনে এজন সবল-স্বঠাম দেহৰ মানুহক এনে অৱস্থাত দেখি তেওঁৰ দয়া উপজিল আৰু তেওঁক ঘৰত থৈ অহাৰ প্ৰতিশ্ৰুতি দিলে। মানুহজনেও সৌমৰক অন্ধ মানুহৰ লাখুটিৰ দৰে পাই আপত্তি নকৰিলে।

ছয়ো গৈ আছে। গৈ গৈ তেওঁ-লোকে এখন অৰণ্যত সোমালহি। সৌমৰে আচৰিত হৈ সুধিলে— আপুনি অৰণ্যত থাকে নেকি ?

ব্যক্তি— হয় মই অৰণ্যত থাকো।

সৌমাৰ— কিয় ? ?

ব্যক্তিজনে এক অৰ্থপূৰ্ণ হাঁহিৰে অভিনব ভাষাৰে কলে— ভৱিষ্যতে হব পৰা ভয়ঙ্কৰ সংক্ৰামক ৰোগৰ পৰা নিজক আৰু চহৰবাসীক ৰক্ষা কৰাৰ বাবে। সৌমৰ চৌধৰীৰ গা শিয়ৰী উঠিল। তেওঁ প্ৰশ্ন কৰিলে— ভয়ঙ্কৰ ৰোগ ? চহৰৰ .... ? ?

ব্যক্তি— হয় ! ভয়ঙ্কৰ ৰোগ আৰু এই ভয়ঙ্কৰ ৰোগৰ কাহানী শুনা —

মই আৰু কেইজনমান বন্ধু মিলিত হৈ চহৰৰ মাজ-মজীয়াত এটি ঘৰ সাজিছিলো আৰু তাক বিভিন্ন ৰঙৰে পুলকিত কৰি তুলিছিলো। আমাৰ গাড়ী আছিল, মটৰ চাইকেল আছিল। আৰু এই বিলাকৰ যোগেদি আমি ধুমুহাৰ গতিৰে চহৰত ইমূৰৰ পৰা সিমূৰলৈ বিচৰণ কৰি ফুৰিছিলো। আমি মাথোন মন কৰিছিলো বাহ্যিক দিশ আৰু ইয়াৰ বাবেই অজস্ৰ ধন অপব্যয় কৰিছিলো। আৰু এই ধন আমি সংগ্ৰহ কৰিছিলো। বিভিন্ন কু-অভিসন্ধিৰ দ্বাৰা। আমি ৰক্ত পিপাসুৰ দৰে ধন লোভী হৈ পৰিছিলো। ফলত আমি আত্ম কেন্দ্ৰিক হৈছিলো আৰু আমাৰ নৈতিক, আধ্যাত্মিক গুণ এই সকলো বিলাক লোপ পাইছিল। চহৰত আমি উলঙ্গ পৰিবেশৰ সৃষ্টি কৰিছিলো। সেইবাবেই মই নিজকে ইমানদিনে কৰা প্ৰতাৰণাৰ হেতু হোৱা অভিজ্ঞতাৰ পৰা পোৱা জ্ঞানৰ যোগেদি আন মানুহক কি দৰে উদ্ধাৰ কৰিব পাৰি সেই পথ বিচাৰি পাবৰ বাবেই এই নিৰ্জন বনত জীৱন অতিবাহিত কৰিছো।

সৌমৰে ব্যক্তিজনক আৱেগিক ভাৱে সুধিলে—আপুনিতো এই প্ৰশ্নৰ উত্তৰ চহৰত থাকিও উদ্ভাৱন কৰিব পাৰিলেহেঁতেন ?

ব্যক্তিজনে দীঘল উশাহ এটি লৈ ক'লে— "নহয়, এনেধৰণৰ গভীৰ চিন্তাৰ বাবে গভীৰ পৰিবেশৰ প্ৰয়োজন। যেনে-দৰে হালোৱাই হালবোৱাৰ পাছত শৰীৰৰ বোকা গুচাবলৈ বোকাৰ পৰা আতৰি আহে। সেইবাবেই মই এই প্ৰশ্নৰ উত্তৰ বিছাৰো নিৰ্জন বনৰ মলয়াত, গছৰ কুঁহিপাতত, চৰাইৰ সুৰদী মাতত আৰু বন্য জন্তুৰ চিঞৰত আৰু এই অৰণ্যৰ মাজেদি বৈ যোৱা নৈৰ সোঁতত।

সৌমৰ— "তেইয়া আপুনি কি কৈছে ? আপুনি এইবিলাকৰ পৰা শিক্ষা গ্ৰহণ কৰিব ? ?

ব্যক্তিজনে আক্ষেপ কৰি কলে—হ'য়, মই এইবিলাকৰ পৰাই শিক্ষা লাভ কৰি

মানুহৰ মাজত বিলাব বিচাৰো ।

কিয়নো জীৱশ্ৰেষ্ঠ মানৱ হলেও কৰ্ম্মৰ শ্ৰেষ্ঠত্বৰ পৰা বিচলিত হৈছে । মানুহে নিজৰ কৰ্ম্ম পাহৰি বন্য জন্তুতকৈ নীচ জীৱন বিভিন্ন ৰঙৰ মাজেৰে অতিবাহিত কৰিব লৈছে । আগৰ মানবে বন্যজন্তু, পশু-পক্ষীৰ পৰা জ্ঞান আহৰণ কৰিছিল । ইতৰ প্ৰাণী বিলাকে যেনেদৰে নিজৰ নিয়মৰ মাজত আবদ্ধ আছিল, মানুহে ও তেনেদৰে নিয়ম - নীতি অটুত ৰাখিছিল আৰু শ্ৰেষ্ঠত্ব ৰক্ষা কৰিছিল । আৰু সেইবাবেই জীৱ শ্ৰেষ্ঠ মানব হৈ সভ্যতাৰ জখলাত বগাব পাৰিছিল । কিন্তু আজি সম্পূৰ্ণ বিপৰীত । গতিকে বৰ্ত্তমান এনে বিপৰীত পৰিনামৰ চৰম সীমা যাতে নেপায়, সেই-বাবেই মই পাহৰি যোৱা জ্ঞানবিলাক আগৰ মানবৰ দৰে বন্য জন্তুৰ পৰা গ্ৰহণ কৰিবলৈ আহিছো ।

সৌমৰ চৌধুৰীৰ কথাখিনি শুনি খুব ভাল লাগিল । তেওঁ মনতে চিন্তা কৰিব ধৰিলে তেওঁৰ দৰে সমাজৰ ন্যায় চিন্তা কৰা ব্যক্তি ও আছে । কিন্তু কালৰ ধুমুহাৰ গতিৰ বাবেহে খুপনি পোতিব নোৱাৰে । যদি উপযুক্ত পৰিবেশ উদ্ভাৱন কৰিব পৰা যায়, তেন্তে নিশ্চয় বহুত জ্ঞানী-গুণি মানুহৰ সঙ্গম-স্থলী তৈয়াৰ কৰিব পৰা যাব । মাথো প্ৰয়োজন নিবীড় প্ৰচেষ্টা ।

তেওঁ মনতে ভগৱানৰ প্ৰতি শ্ৰদ্ধাৰে প্ৰনাম জনালে, যে তেওঁৰ উদ্দেশ্য সফল হৈছে । তেওঁ সাংবাদিক জীৱনৰ প্ৰথম পদ-ক্ষেপত এটি সত্য কাহানী উদঘাটন কৰিলে । সেইবাবেই তেওঁ এই বিষয়টো যুগোটাই উলিয়াবৰ বাবে নিজৰ ডায়ৰী বুকত ভালকৈ টোকা কৰি গ'ল ।

ব্যক্তিজনে কথাৰ মাজতে প্ৰসঙ্গ সলাই সৌমৰ চৌধুৰীক এই ঠাইত উপস্থিত হোৱাৰ কাৰণ সুধিলে । আৰু সৌমৰেও আদিৰ পৰা অন্তলৈকে সকলো কথা বিৱৰি ক'লে । ব্যক্তি-জনে কথা শুনি সৌমৰৰ মহানতাক মনতে স্মৰণ কৰিলে । যিহেতু ন্যায় উদ্ধাৰৰ বাবে সৌমৰৰ দৰে এজন যুৱকে পিতৃ-মাতৃক ত্যাগ কৰিছে আৰু ত্যাগ কৰিছে জীৱনৰ সকলো মায়া-মোহ । আৰু কটাব লৈছে এক অসহায় জীৱন ?? কি আচৰিত ?
এই মহান ত্যাগৰ মূল্যায়ন হবনে ? কোনো-বাই জানো এই ত্যাগৰ মূল্যায়ণ দিবলৈ আগবাঢ়ি আহিব ।

পিছ মুহূৰ্ত্তত তেওঁ পুনৰ চিন্তা কৰিলে । হ'ব— এই ত্যাগৰ মূল্যায়ন হ'ব । যিদিনা এই দেশৰ হাজাৰ হাজাৰ যুৱক সৌমৰৰ দৰে ন্যায় পৰায়ণ হ'ব আৰু যিদিনাই মোৰ দৰে সকলো নাগৰিকে নিজৰ দুখ স্বীকাৰ কৰি আনৰ চৰিত্ৰ মূল্যাঙ্কন কৰিবলৈ আগবাঢ়ি আহিব সেইদিনাই .... ।

কিন্তু এওঁলোক আগবাঢ়ি অহাৰ বাবে এটি পথৰ প্ৰয়োজন । আৰু সেই পথ তৈয়াৰ কৰিব লাগিব মোৰ অভিজ্ঞতা জীৱনৰ সত্য

কাহিনীৰে আৰু সৌমৰ চৌধৰীৰ কলমেৰে। তেওঁ সৌমৰক আশ্বাস দি ক'লে তোমাৰ আশাক বাস্তৱত পৰিণত কৰিব পাৰিবা।

সৌমৰে অফুৰন্ত আশাৰে সুধিলে কি দৰে ?

বক্তিজনে কলে যিহেতু অতীতৰ ভুলেই ভৱিষ্যতৰ পথ প্ৰদৰ্শক। সেয়েহে তোমাৰ সংবাদ পত্ৰৰ প্ৰথম পৃষ্ঠাৰ জ্বলন্ত কাহিনীৰ প্ৰথম প্ৰতিচ্ছবি মই হ'ম। ভৱিষ্যতেও সংবাদপত্ৰৰ সত্যতা জীয়াই ৰাখিবলৈ নতুন পুৰুষৰ যোগান মই ধৰিম আৰু তোমাৰ আশাক প্ৰজ্বলিত কৰিম। আৰ্থাৎ মই হম তোমাৰ "আজীৱন প্ৰহৰী।"

সৌমৰ চৌধৰীয়ে আনন্দৰে ব্যক্তিজনক আকোঁৱালি ধৰিলে। তেওঁ এজন সংবাদিক স্বৰূপে এনে জ্বলন্ত কাহিনী প্ৰকাশ কৰিবলৈ পায় নিজকে ধন্য মানিলে। সৌমৰৰ বাছত চিন্তা কৰা টুলুঙা নাৱঁৰ কথালৈ মনত পৰিল। কিয়নো টুলুঙা নাও সদৃশ্য সৰু সৰু মানুহৰ সংঘাটময় জীৱনৰ পৰাও বহু জ্ঞান লাভ কৰিব পাৰি।

সেইবাৰেই সৌমাৰে পিছলৈ নতুন উৎসাহেৰে কাম কৰাত ব্যস্ত হৈ পৰিছিল। যিহেতু তেওঁৰ কাষত আজীৱন প্ৰহৰী বিৰাজমান হৈ, আছিল।



Trouble is the next best thing in enjoyment there is no fate in the world so horrible as to have no share in its joys or sorrows.

By Miss Nirmal Kaur (B. Com.1st year)

# ঃ অসম আৰু বিকৃত গতিধাৰা ঃ

মানৱৰ শ্ৰেষ্ঠতম নিদৰ্শন চিন্তা চৰ্চাই যেনেকৈ মানৱক উন্নতিৰ পথলৈ আগুৱাই যাবৰ বাবে পথ নিৰ্দেশনা দিয়ে আৰু তাৰ অন্য এটি ফালে অৱনতি কৰিছে বুলিও আংশিক ভাৱে কব পাৰি। অৱশ্যে ই নগণ্য। মানৱে যদি সকলোবোৰ চিন্তা চৰ্চা সমাজৰ বা দেশৰ উন্নতিৰ কামত ব্যৱহাৰ কৰা হলে আজি পৰ্ব্বতৰ শৃঙ্গতো থাকিবলৈ ল'ল-হেঁতেন। অৱশ্যে বিজ্ঞানৰ অগ্ৰগতিৰ পৰা অনুমান কৰিব পাৰি যে ইয়াৰ সমফল লাভ কৰিবলৈও বহু বেছি বছৰ অপেক্ষা কৰিব নালাগিব। আদিম যুগৰ পৰা আৰম্ভ কৰি আজি কুৰিশতিকালৈ যি চিন্তাৰ পৰিবৰ্ত্তন হৈছে, বিশ্বৰ প্ৰতিজন সুনাগৰিকে উপলব্ধি কৰিছে। কিন্তু মানৱৰ সেই উচ্চ চিন্তা ধাৰা থকা স্বত্বেও যথেষ্ট তাৰ অনুচিত প্ৰভাৱ দেখিবলৈ পোৱা যায়। কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ বিষয়েও কেতিয়াবা যেন বৃহৎ আকাৰত পৰিণত হৈ আতঙ্কৰ সৃষ্টি কৰে আৰু একোটা সোণালী পথ অন্ধকাৰময় কৰি তোলে। শিক্ষা, সংস্কৃতি, ধৰ্ম, ৰাজনীতি আদি মনৰ চিন্তাবোৰ অলঙ্কৃত কৰে কলঙ্কৰে। ফলস্বৰূপে নিৰীহ জনসাধাৰণে ভোগ কৰিব লাগে এক বিশৃংখলতা।

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ হৃদস্পন্দনী অসমতো বিশৃংখলতাৰ প্ৰভাৱ নাইপৰা বুলি কলে মাৰাত্মক ভুল কৰা হব। এনেধৰণৰ ধাৰণাবোৰে ক্ৰমে উচ্চতৰ পথলৈ আগুৱাই নিয়াৰ পৰিবৰ্ত্তে ক্ৰমান্বয়ে ঠেক গণ্ডীৰ ভিতৰলৈহে আগুৱাই নিছে। সম্প্ৰতি অসমৰ যিবোৰ সমস্যা আহি পৰিছে তাৰ সমাধান কেতিয়া হব আৰু কেনেকৈ হব তাৰ সন্নিধান বুদ্ধিজীৱি বোৰৰ ওচৰতো চুটিকৈ পোৱা টান হব। আমি যদি ক'ব খুজাই চাওঁ তেন্তে অসমৰ ৰাজনীতি, ধৰ্মনীতি, সংস্কৃতি, সাহিত্য, সমাজনীতি আৰু মুখ্য ভাৱে শিক্ষানীতি আদি গুৰুত্ব বিষয় বোৰে যেন আগ নাবাঢ়ি ক্ৰমান্বয়ে অধোগতি হোৱাহে পৰিলক্ষিত হয়। জনমানসৰ পৰা এই বিষয় বোৰ এতিয়া পলাই সৰাৰ দৰে লুকাব বিচাৰিছে। কোনে জানে ইয়াৰ নিশ্চয়তা ক'ত? পুতলা এটা যিদৰে নচোৱা হয় তেনেদৰে নাচি ফুৰিছে অনিশ্চয়তাৰ বুকুত। এইবোৰৰ কিছু পৰ্য্যালোচনা কৰি চোৱা যাওঁক।

অন্য ৰাজ্যৰ তুলনাত আমাৰ অসমত শিক্ষা ব্যৱস্থাতো তেনেই চালুকীয়া হৈ আছে। শিক্ষাৰ ক্ষেত্ৰত অসমত যিবোৰ পৰিস্থিতিৰ সম্মুখীন হব লগা হয়, ৰাজ্যৰ জনসাধাৰণৰ বাবে ই অতি পৰিতাপৰ বিষয়। জনসাধাৰণক উন্নতিৰ পথলৈ আগবঢ়াই নিয়াত শিক্ষাই

গা-গছ হিচাপে থিয় দিয়ে; আজি অথচ আমাৰ তাৰ উপদান বোৰৰ অভাৱ হৈছে; তাৰ কাৰণ কি ? ফলস্বৰূপে জনসাধাৰণে যেন সফলতা লাভ কৰিব পৰা নাই। আজি ছাত্ৰ-ছাত্ৰীয়ে প্ৰাথমিক পৰ্যায়ত শিক্ষা গ্ৰহন কৰিবৰ বাবেই উপযুক্ত সুবিধাকণৰ অভাৱ পৰিলক্ষিত হয়। অসমত আজি এনে এখন বিদ্যালয় নাই বুলি কব নোৱাৰি যিখন বিদ্যালয়ত ছাত্ৰ ছাত্ৰীয়ে শিক্ষা গ্ৰহন কৰিবৰ বাবে বেঞ্চ-ডেস্কৰ অভাৱ ; প্ৰাক-প্ৰাথমিক আদিৰ ছাত্ৰই মোনাত বস্তা আদি ভৰাই নিলেহে বিদ্যালয়ত বহিব পায়। তেনেস্থলত পঢ়াৰ পৰিবেশ সৃষ্টি হয় কেনেকৈ ? আনহাতে—বিদ্যালয়ৰ খেলা-ধুলা সামগ্ৰীৰ যোগান নাথাকেই। বিশেষকৈ প্ৰাথমিক বিদ্যালয় সমূহত খেলা ধুলাৰ সামগ্ৰী বেছি প্ৰয়োজনীয় কাৰণ সৰু সৰু ছাত্ৰ-ছাত্ৰীৰ মন বিদ্যালয়ৰ ফালে আকৰ্ষণ কৰিবলৈ !

শিক্ষাৰ ক্ষেত্ৰত আজিকালি আৰু এটি জ্বলন্ত সমস্যা হৈছে পাঠ্য পুঠিৰ অভাৱ। এই পাঠ্য পুঠিৰ অভাৱে ৰাজ্যৰ শিক্ষা ব্যৱস্থাকে পঙ্গু কৰাৰ উপক্ৰম হৈছে। যেতিয়া কোনো এটা বিষয়ৰ পাঠ্য পুঠি নোহোৱাকৈ কেৱল সহায়িকা চাই পৰীক্ষাত বহিব লগা হয় তেতিয়া পৰীক্ষাৰ্থীৰ যে অসুবিধা হয় এইটোৱেই নহয় ছাত্ৰ-ছাত্ৰীবো সেই বিষয়ত জ্ঞান আধৰুৱা হৈ থাকে। আমাৰ ৰাজ্যৰ শিক্ষা বিভাগ ইমানেই দূৰদৰ্শিতাৰ অভাৱনে ? ছাত্ৰ ছাত্ৰীৰ বাবে প্ৰয়োজনীয় কিতাপবোৰো ছপা কৰি উলিয়াব নোৱাৰেনে ? চৰকাৰে সকলোকে বিনামূলীয়াকৈ কিতাপ যোগান ধৰিব নালাগে; ছাত্ৰ-ছাত্ৰীয়ে মূল্যৰ বিনিময়ত কিতাপ কিনিবৰ বাবেও চাহিদা অনুসৰি ছপা কৰি উলিয়াব নোৱাৰেনে ? অসমত ছাত্ৰ-ছাত্ৰী কিমান আছে ? সেই সকলৰ বাবেই যদি শিক্ষা বিভাগে প্ৰয়োজন অনুসৰি পাঠ্যপুঠি উলিয়াব নোৱাৰে তেন্তে ই চৰকাৰৰ বাবে লজ্জাকৰেই নহয় অতি দুখনীয়। এনে ধৰণৰ পৰিস্থিতিৰ বাবেই হঠাৎ পথ বন্ধ হলে খাদ্য সামগ্ৰীৰ মূল্য বৃদ্ধিৰ বাবে যিদৰে সুবিধা লয়, ঠিক তেনেদৰে লাহে লাহে কিতাপৰ ক্ষেত্ৰতো প্ৰায় একে সুবিধা নলব তাৰ কোনো নিশ্চয়তা নাই।

আমাৰ শিক্ষা-ব্যৱস্থাৰ মানদণ্ড নিম্ন হোৱাৰ আন এটি কাৰণ হল শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত সুদৃঢ় সম্পৰ্ক দেখিবলৈ পোৱা নাযায়। ইয়াৰ বাবে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী উভয় পক্ষই দায়ী। কোনো এজন শিক্ষা-গুৰুক তেওঁৰ পদবীৰ বাবে সন্মান কৰা নহয়; তেওঁৰ শিক্ষা আৰু সহজ মাত কথাৰ বাবে বা অমায়িক ব্যৱহাৰৰ বাবেহে শ্ৰদ্ধা ও সন্মান প্ৰদৰ্শন কৰা হয়। সকলোৱে পৰিচিত জনৰ প্ৰতিহে লাজ বা অপমান বোধ কৰে। এনেবোৰ পৰিস্থিতিৰ বাবে ছাত্ৰ সমাজো প্ৰধানকৈ দায়ী বুলি কব পাৰি। কেতিয়াবা এনে এটা মুহুৰ্ত্তও পোৱা যায় যে কিবা এটা নাজানিলে শিক্ষক জনক সোধাৰ বাবে সাহস কন নাথাকে আৰু

কিছু শিক্ষকক সুধিবৰ বাবে (সাধাৰণ 'অৰুই' স্থাত নথকাৰ দৰে) সাহস গোটাব লগীয়া হয়। এনে এটা পৰিস্থিতিৰ সৃষ্টি 'নহবৰ বাবেই উভয়ে উভয়ৰ মাজত শিক্ষা সম্পৰ্ক বজাই ৰখাৰ বাবে চেষ্টা কৰা প্ৰয়োজন তেতিয়াহে অসমৰ শিক্ষা প্ৰক্ৰীয়াটোক সৰ্বাঙ্গসুন্দৰ কৰিব পৰা যাব।

বৰ্ত্তমান অসমৰ যি ভাষা সংস্কৃতি তাক জীয়াই ৰাখিবৰ কাৰণে স্বেচ্ছাই সকলোৰে ত্যাগ কৰিব লাগিব। কোনো এজন লোকে নিজৰ সংস্কৃতিৰ দ্বাৰা যদি নিজৰ পৰিচয় দিব পাৰে তেন্তে সেই সংস্কৃতিক মুখপত্ৰ হিচাপে লৈ তাক আনৰ মাজত আকৰ্ষনীয় দৃষ্টিৰে গঢ়ি তোলাটো অত্যন্তই আৱশ্যক হৈ পৰিছে। কিন্তু এই সংস্কৃতিক বিকৃত ৰূপ ধাৰণ কৰাৰ পৰা ৰক্ষা কৰিব লাগিব আৰু পৌৰানিক সংস্কৃতিৰ ভুলবোৰ সংশোধন কৰি আনৰ আগত সুন্দৰভাৱে প্ৰদৰ্শন কৰাটোহে কৰ্ত্তব্য। জাতীয় সংস্কৃতি হিচাপে বিহুৱে যিদৰে মুখ্য ভূমিকা গ্ৰহন কৰিছে কিন্তু সেই বিহু আজি বহুতো লোকৰ বাবে আনন্দৰ উৎস নহৈ হৈ পৰিছে সম্ভ্ৰান্ত পৰিয়ালৰ ঘৰৰ সন্মুখত প্ৰদৰ্শন কৰি অলপ মোটা টকা সংগ্ৰহ কৰা। এনেদৰে বিহুক ব্যৱসায়ীক দিশলৈ নিলে ইয়াৰ প্ৰকৃত মূল্যাকন বিচাৰি পাবলৈও টান হব। কেৱল অসমবাসী বুলি বিহুকেই এটা চিত্তে পালন কৰিলে জানো হব ? তাতোকৈ কোনো এক সংস্কৃতিক পৰিবেশত বিভিন্ন ভাষা জনগোষ্ঠীৰ লোকৰ উৎসৱ সমূহ একেলগে ৰাখিব পাৰিলেহে সমূহ জনগনৰ এনাছৰীডাল এক কৰিব পৰা যাব। নহলে নিজৰ সংস্কৃতি হিচাপে জীয়াই থাকিলেও ই বিস্তৃত ৰূপ লাভ কৰিব নোৱাৰিব। সংস্কৃতি মানে সহিষ্ণুতা। সংস্কৃতিয়ে গীত এটাৰ ভাষাটোত চকু নিদিয়ে, গীতৰ সুৰটোত আত্মহাৰা হৈ থাকিবলৈহে শিকায়। বিহু উপলক্ষে তৈয়াৰ কৰা মঞ্চত বিহুৰ বাহিৰেও অন্যান্য আধুনিক গীত নৃত্য কৌতুক আদিৰ প্ৰদৰ্শন দেখি ইয়াতে বাস কৰা কেইজনমান পাঞ্জাবীয়ে যদি এটা ভাঙৰা নৃত্য প্ৰদৰ্শন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে আমাৰ সিদ্ধান্ত কি হব ? এনেকুৱা পৰিস্থিতিত আমি লব পৰা সিদ্ধান্তই আমাৰ সংস্কৃতিক মনটোৰো পৰিচয় দিব।

সমগ্ৰ ভাৰতবৰ্ষতে কম বেছি পৰিমানে ধৰ্মীয় মৌলবাদ দেখিবলৈ পোৱা যায়। দিন যোৱাৰ লগে লগে শিক্ষাৰ ক্ৰম প্ৰসাৰৰ ফলত মৌলবাদ কমক ছবি তাৰ প্ৰভাৱ তীব্ৰতৰহে হৈ পৰিছে। আটাইতকৈ ভয়াবহ, দেশৰ শাসন যন্ত্ৰত ইয়াৰ প্ৰভাৱ বেছিকৈ সোমাই পৰিছে। আনকি অসমৰ দৰে ইমান সুসংস্কৃত, ধৰ্ম নিৰপেক্ষ জনসাধাৰণৰ মাজতো ইয়াৰ প্ৰভাৱ ক্ৰমে গভীৰতৰ হৈ পৰিছে।

১৮৮৫ চনত যেতিয়া কংগ্ৰেছৰ জন্ম হৈছিল, সেইসময়ত ভাৰতবৰ্ষত এটা মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ হৈছিল যদিও তেতিয়া প্ৰকাৰ ভেদ নাছিল। কিন্তু ১৮৮৭ চনত মাদ্ৰাজ কংগ্ৰেছতে এটা প্ৰস্তাৱ লোৱা হয় সেইটো হ'ল গো হত্যা নিষিদ্ধ কৰন প্ৰস্তাৱ। আৰু এই প্ৰস্তাৱকে কেন্দ্ৰ কৰি হিন্দু মুছলমান সাম্প্ৰদায়িক সংঘৰ্ষৰ সূত্ৰপাত হৈছিল। তদুপৰি মুক্তি সংগ্ৰামৰ পশ্চাৎভূমি স্বৰূপে কলিকতাত যি হিন্দু মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল তাত হিন্দু শিক্ষাৰ্থীৰ বাহিৰে অইন শিক্ষাৰ্থীৰ প্ৰৱেশ নিষেধ আছিল। কিন্তু ১৮৭৭ চনত স্থাপিত আলিগড়ৰ মহমেদাম এংলো অৰিয়েন্টল কলেজ ( যিখন বৰ্ত্তমান আলিগড় মুছলিম বিশ্ববিদ্যালয় ) ত সকলো ভাৰতীয় ছাত্ৰৰে প্ৰৱেশাধিকাৰ আছিল। আনহাতে ভাৰতবৰ্ষত যেতিয়া প্ৰকৃত গণ আন্দোলন আৰম্ভ হৈছিল তেতিয়া অসমৰ কাছাৰত আৰু সেই সময়ৰ অবিভক্ত বংগৰ বিভিন্ন গ্ৰাম্য অঞ্চলত কৃষক সকলৰ মাজত যি গণ আন্দোলন সংগঠিত হৈছিল তাৰো নেতৃত্ব আছিল মুছলমান সকল। যদিও ধৰ্মীয় মৌলবাদে ইমান গা কৰি উঠিব নোৱাৰিছিল তথাপিতো ১৯০৬ চনত ঢাকাৰ নবাব চলিমুল্লা খানে ধৰ্মীয় ধাৰণাৰে মুছলীম লীগৰ জন্ম দিছিল। ঠিক সেইদৰে ১৯১০ চনত অযোধ্যাত হিন্দু মহাসভাৰ জন্ম হৈছিল। আনহাতে কংগ্ৰেছতো কেতবোৰ ঘটনা ঘটিছিল যিবোৰে হিন্দু আৰু মুছলমানৰ মাজত মৌলবাদী ধাৰণাৰ জন্ম দিয়াত সহায় কৰিছিল।

আমাৰ অসমতো ১৯৩৯ চনত ছাৰ ছাদুল্লা অসমৰ মুখ্যমন্ত্ৰী থকা কালত কোনো এটা বিশেষ অঞ্চলত বিশেষ ঘটনাক কেন্দ্ৰ কৰি সংঘৰ্ষ হৈছিল যদিও ইমান ব্যাপকতা লাভ কৰা নাছিল। ১৯৫০-৫১ চনত অৱশ্যে এনে সংঘৰ্ষ কিছু ব্যাপক ৰূপ লয়।

ধৰ্মীয় মৌলবাদেই জনসাধাৰণৰ ঐক্য আৰু সংহতি নষ্ট কৰে। গা কৰি উঠে ভাষা আৰু আঞ্চলিকতাবাদ। ভাৰতবৰ্ষৰ অন্যতম ৰাজ্য হিচাপে অসমেও যি ধৰ্ম নিৰপেক্ষতাৰ আধাৰত আগবাঢ়িছে; ইয়াতে এটা প্ৰশ্ন হয় এয়া জানো প্ৰকৃত ধৰ্ম নিৰপেক্ষতা? সকলো জনসাধাৰণে মুক্ত মনে গ্ৰহন কৰিব পাৰিছেনে? কোনো কোনো ৰাজনৈতিক নেতাই এই ধৰ্মীয় ব্যৱস্থাটোক তেওঁলোকৰ ৰণৰ আহিলা হিচাপেহে ব্যৱহাৰ কৰিছে। সুদীৰ্ঘ ছয় বছৰ জোৰা অসম আন্দোলনতো এনে ধৰণৰ ধৰ্মীয় সংঘৰ্ষ হোৱা নাছিল বুলি কব নোৱাৰি। ঐক্য, সংহতি বজাই ৰাখি সমাজ পাতি বাস কৰিবৰ বাবে যিদৰে ধৰ্মৰ প্ৰয়োজন হয় তাৰ মূল্য বোধও সেইদৰে ৰখাৰ প্ৰয়োজন। কিন্তু আজিৰ ধৰ্মীয় বাদত "গোড়ামী" শব্দৰ অৰ্থই প্ৰকোপ লাভ কৰিছে। ধৰ্মীয়, মৌলবাদেই সৃষ্টি কৰিছে বন্ধু বান্ধৱৰ মাজত খেলিমেলি। প্ৰকৃততে এইয়া জানো ধৰ্মৰ মূলমন্ত্ৰ বা ধৰ্মীয় আদৰ্শ? ধৰ্মত মত্ত হোৱা বাবেই যদি এজন বন্ধুৰ প্ৰতি অহং ভাৱ পোষণ কৰাত সহায় কৰে তেন্তে তাৰ বাবে

দায়ী কোন ?

আজি ঠায়ে ঠায়ে যি জাতি ভেদ প্ৰথা আমি দেখিবলৈ পাওঁ তাৰ বাবে প্ৰধানকৈ ধৰ্মই দায়ী। ধৰ্মৰ বাবেই কোঁচ, কছাৰী, মটক, আহোম, শ্ৰমিক কলিতা কৈৱৰ্ত আদিৰ জাতি ভেদৰ সৃষ্টি কৰি আহিছে। ধৰ্ম প্ৰৱৰ্তক সকলেতো কেতিয়াও এনে উপজাতি প্ৰথা সৃষ্টি কৰিবৰ কাৰণে কোৱা নাছিল। ধৰ্মৰ বাবেই যি জাতি প্ৰথাৰ সৃষ্টি কৰিছে তাৰ বাবে সমাজলৈ ধৰ্মই উন্নতিৰ ক্ষেত্ৰত অৰিহনা যোগাইছেনে ? আজি যদি জাতি ভেদৰ অগ্ৰাধিকাৰ দি মই আহোম-কছাৰীৰ, গোঁসাইৰ ঘৰত নাখাওঁ (সাংসাৰিক নোহোৱাসকলক ধৰা হোৱা নাই) বুলি কবলৈ যদি ধৰ্মই বাধ্য কৰায় তেন্তে মিলাপ্ৰীতিৰ ক্ষেত্ৰত অন্তৰায় নহবনে ? এইটো ঠিক যে আমি ধৰ্মক জীয়াই ৰাখিব লাগিব কিন্তু আজিৰ সমাজে যিদৰে ধৰ্মৰ গোড়ামীক প্ৰশ্ৰয় দিছে সেইদৰে নহয়, মিলাপ্ৰীতিৰ বান্ধোন বজাই ৰাখিহে ধৰ্মক জীয়াই ৰখা উচিত। ইয়াৰ মাজেদিয়েই ভক্তি ভাৱ জীয়াই ৰাখিব লাগিব। মুঠতে সমাজৰ সংহতি সূত্ৰ স্বৰূপ বৈচিত্ৰ্যৰ মাজত ঐক্য সমন্বয়ৰ সলনি প্ৰত্যেকেই নিজকে স্বকীয়াকৈ চিনাকী দিবলৈ বিচাৰিছে আৰু নিজৰ দুখ দুৰ্দশাৰ হেতুকে ইটো গোষ্ঠীৰ লোকে আনটোৰ ওপৰত দোষ জাপি দিয়াৰ প্ৰৱণতা বাঢ়িছে। আমি বাস কৰা সমাজ খনত যদিওবা বিভিন্ন ধৰ্মাৱলম্বীৰ মানুহ বাস কৰি থাকে, ধৰ্মীয় মতবাদ বিভিন্ন ধৰনেৰে হওক তথাপি লোক সকলৰ স্বকীয় বৈশিষ্ট্যৰ গতিধাৰা হব লাগে সমন্বয়মুখী। আমাৰ নাম গোষ্ঠী বিয়েই নহওক, আমি যে এখন সমাজৰ লোক আৰু ভাব, খাদ্য, পোছাক পৰিচ্ছদ আদিৰ ক্ষেত্ৰত ইজন আনজনৰ ওপৰত নিৰ্ভৰশীল—সেই সত্যক স্বীকাৰ কৰি লবই লাগিব। কাৰণ উগ্ৰ জাতি, ধৰ্ম আদিয়ে সময়ত মানুহক অন্ধকাৰৰ মাজলৈ ঠেলি নিয়াৰ বাবে অসহিষ্ণু বিদ্বেষৰ মনোভাৱ জাগি উঠে আৰু আৰম্ভ হয় আত্ম ৰক্তযজ্ঞ। হয়তো কোনেও অনুভৱ নকৰে যেন এই ৰক্তযজ্ঞ কাৰ বাবে হৈছে আৰু এই যজ্ঞৰ বলী কোন। সমন্বয় সাধনৰ প্ৰক্ৰিয়াৰেই আমি এসময়ৰ গুহাবাসৰ পৰা আজিৰ বৃহৎ পৰিসৰলৈ ওলাই আহিলো তেনে এটি মুহূৰ্তত যদি এনেদৰে বিছিন্নতা বাদীয়ে অধিগ্ৰহন কৰে তাৰ সমান পৰিতাপৰ বিষয় অতুলনীয় হব।

ভাৰতবৰ্ষ এখন গনতন্ত্ৰ ৰাষ্ট্ৰ। গণতন্ত্ৰ পদ্ধতিত ৰাইজে স্বইচ্ছাই ভোটাধিকাৰ সাব্যস্ত কৰি নেতা নিৰ্বাচন কৰা হয়, দেশ শাসনৰ বাবে। আমি জানো গণতন্ত্ৰৰ প্ৰকৃত মৰ্যাদা পাইছো ? মুঠতে শিক্ষিতৰ হাৰ কম হোৱাৰ বাবে বহুতো জনসাধাৰণে নিজৰ ভোট সাব্যস্ত কৰিবৰ বাবেও দোমোজাৰ পৰিব লগা হয়। নিৰ্বাচনত জিকিবৰ বাবে প্ৰতি ঠায়ে ঠায়ে নিৰ্বাচনী প্ৰচাৰত মানুহবোৰক বুজাই ফুৰিব লগা হয় কিয় ? কাৰণ নিজৰ ভোটত নিজৰ অধিকাৰ আছে;

সেইক্ষেত্ৰত মনভুলোৱা কথা কৈ ভোটটো কাঢ়ি আনৰ প্ৰয়োজন কি ? জনসাধাৰণৰ ভোটৰ ক্ষমতাবোৰ হৈ পৰিছে শাসক সকলৰ বাবে ধন উপাৰ্জন কৰা বুদ্ধিৰ টোপোলা।

অসমৰ নিৰ্বাচনত চাহ শ্ৰমিক সকলক দুই এষাৰ মন ভুলোৱা কথা কৈ নিৰ্বাচনত জিকিবৰ বাবে বেছি অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাত মগ্ন হৈ পৰিছে। চৰকাৰ গঠন কৰি শাসক সকলৰ ভোগ্য সামগ্ৰী গঢ়াতহে সহায় কৰিছে। কোনো সমষ্টিত নেতা নিৰ্বাচিত হৈ শাসক ব্যস্ত হৈ পৰে ঠিকা-ঠুকলি দিয়াত, চাকৰি দিয়াত বা চৰকাৰী আধাৰশিলা স্থাপন কৰাত। এই গণতন্ত্ৰতেই দোষীক পশ্ৰয় দিয়া আৰু নিৰ্দোষীক প্ৰৱোচনা কৰাৰ উদাহৰনো নথকা নহয়। যদি বিৰুদ্ধাচৰণ কৰা লোক শাসকবৰ্গৰ আত্মীয় হয় তেন্তে চকু পৰে নিৰ্দোষীৰ ওপৰত। ই জানো গণতন্ত্ৰৰ অপবাদ কৰা নাই।

গতিকে প্ৰকৃত গণতন্ত্ৰৰ মূল্য দিবলৈ হলে প্ৰতিজন নাগৰিক শিক্ষিত হব লাগিব। আৰু নিজ মনোবৃত্তিৰে নিৰ্বাচন কৰিব লাগিব। শাসকবৰ্গ পাঁচবছৰৰ বাবে বা কাৰ্য্যকালৰ সময়ত নপতা ফুকন নহৈ হব লাগিব সামাজিক দায়বদ্ধ লোক। বক্তৃতাৰে সুন্দৰ মালা নাঁগাঠি গাঁঠিব লাগিব কৰ্মৰ ফুলেৰে। তেতিয়াহে গণতন্ত্ৰৰ মূল্যবোধ জাগি উঠিব।

জনসাধাৰণে নিৰ্বাচিত কৰি দিয়া নেতা বোৰক চৰকাৰৰ গাড়ীত উঠি ঘূৰিবৰ বাবেই কেৱল নিৰ্বাচিত কৰি নিদিয়ে। জনসাধাৰণৰ আশা যে নেতাই তেওঁলোকৰ হৈ দুআষাৰ কব আৰু শান্তি শৃঙ্খলা অটুত ৰাখি উন্নয়ন মূলক কাম কৰিব। কিন্তু নেতা হৈ জনসাধাৰণৰ মূৰত কঠাল ভাঙি খোৱাহে দেখিবলৈ পোৱা যায়। তাৰ পিছৰ পাঁচ বছৰৰ বাবে জনসাধৰণ মূল্যহীন হৈ পৰে। কাৰ্য্যকালৰ শেষৰ সময়ছোৱাত পুনৰ আৰম্ভ হয় কথাৰ ফুলজাৰী। ৰাইজৰ পৰা আশীষ বিছাৰি ভগৱানৰ নামত শপত খোৱা গোকাট মিছা কথা কবলৈও কুণ্ঠাবোধ নকৰে। আনকি বিগত কোনো এজন মন্ত্ৰীয়ে হেনো পুনৰ নিৰ্বাচনত জিকাৰ আশীষ বিচাৰি মূৰৰ ওপৰত ভৰি উটাই পূজাৰীক আশীৰ্বাদ দিবলৈও দিছিল। ইয়াতেই প্ৰকাশ পায় নিৰ্বাচিত প্ৰতিনিধি কিমান অভিজ্ঞ। এইখিনিতে এটা প্ৰশ্ন উদয় হয়, নেতাবোৰ ৰাইজৰ সহায় হব বুলিনে ৰাইজ সহায় হব বুলি ভাৱে ? নেতাজনৰ বাবে ৰাইজ নে, ৰাইজৰ বাবে নেতা ? প্ৰথমে সমাজৰ বাবে দেহে-কেহে লাগি পিছত কিবা এটা কব পোৱাৰ পাছত ধনৰ লালসাই দোষীজনৰ বিষয়ে দুআষাৰ মান কবলৈ চাগৈ অন্ধ ও বোবা কৰি পেলাই। নিৰ্বাচনৰ আগ মুহূৰ্ত্তত উদ্দাত্ত কণ্ঠেৰে চিঞৰি চিঞৰি

কোৱা "মই আপোনালোক সকলোকে যথাযোগ্য সুবিধা দিম ; খোৱা পানীৰ সুবিধা দিম ; ৰাস্তা পদূলি বনোৱাম" আদি কৈ ফুৰা কথাবোৰ দুজন প্ৰেম প্ৰেমিকাই যৌৱনৰ উন্মাদনাত কোৱা "মই তোমাক ভাল পাওঁ" বুলি কোৱা কথাৰ দৰেই নহয় জানো ? এনেবোৰ নেতাক নিৰ্বাচিত কৰি ৰাইজে নিজক অনিশ্চয়তাৰ মাজলৈ ঠেলি দিয়াৰ বাহিৰে আৰু জানো কিবা থাকিব পাৰে ? মুঠতে আজিৰ নেতাবোৰ হৈ পৰিছে সৰহ অংকৰ পইচাৰ টোপোলা আৰু পৰিয়াল, আত্মীয় কুটুম্বৰ ভোগ্যৰ সামগ্ৰী ।

সুদীৰ্ঘ ছটা বছৰ জোৰা আন্দোলনৰ পাছত অসমত যি আঞ্চলিক চৰকাৰ গঠন কৰিব পাৰিছিল সেই দলৰো অৱস্থা হৈছে পানীত হাঁহ নচৰা । তেওঁলোক চিন্তিত হৈ পৰিছে পৰৱৰ্তী নিৰ্বাচনী স্থিতি ক'ত ? যি সকল নেতাই ১০ টকা লৈকে দুৰ্নীতি সহ্য কৰা নহব বুলি কৈছিল বৰ্ত্তমান সিহঁতৰ দুৰ্নীতিয়েই বাতৰি শিৰোনামা দখল কৰিছে । যি সকল নেতাই দুৰ্নীতিৰ নিৰ্ম্মূল কৰিবৰ বাবে ধৰ্না, বন্ধ আদিকে লৈ আন্দোলনৰ পথত অগ্ৰসৰ হৈছিল ; যি সকলৰ নামত শ্বহীদ তৰ্পন কৰা হয় তেওঁলোকৰ পিতৃমাতৃৰ বুকু শুদা কৰি যোৱা কেঁচা তেজৰ বিনিময়ত চুক্তি ৰূপায়ন হৈছিল, তেওঁলোকৰ মূল্য জানো বৰ্ত্তমানৰ নেতাই দিব পাৰিছে । শাসনাধিষ্ঠ নেতাই আত্ম ভোগ বিলাসৰ বাহিৰে শ্বহীদ সকলৰ আত্মাৰ প্ৰতি চিন্তিত্তনে ?

যদি প্ৰতিজন নিৰ্বাচিত নেতাৰ চিন্তাৰ ধাৰা যদি মনে প্ৰাণে কেৱল সম্পত্তি উপাৰ্জনেই বিচাৰে; তেন্তে ই কেৱল পেশাকামী বুলিয়েই কব নোৱাৰি, ৰাজনীতি বোলা বিষয়টোক নেতাবোৰে ধন উপাৰ্জন কৰিবৰ বাবে ব্যৱসায়ত পৰিণত কৰিছে । ইয়াক ৰাজনীতি বুলি কোৱাতকৈ "ৰাজনীতিৰ ব্যৱসায়" বোলাহে উচিত হব ।

বৰ্ত্তমান অসমত প্ৰতিটো জনগোষ্ঠী বা সংগঠনে নিজৰ অস্তিত্ব বিপন্নাৱস্থা দেখি সংগ্ৰামৰ পথত অৱতীৰ্ণ হৈছে সেইক্ষেত্ৰত আন্দোলনকাৰী সকল কিমান দূৰ সাফল্য লাভ কৰিছে তাৰ খতিয়ান সহজে পোৱা কঠিন । কিন্তু ইয়াৰ পৰা বাণিজ্য দিশত যে বাৰুকৈয়ে প্ৰভাৱ পৰিছে তাক ফটফটিয়াকৈ বুজিব পাৰি । প্ৰতিটো জনগোষ্ঠী বা সংগঠনে বিভিন্ন ধৰণৰ সুবিধা বিচাৰি চৰকাৰৰ ওপৰত দাবী জনাইছে । চৰকাৰ এতিয়া সমস্যা সমাধানত হৈ পৰিছে কিংকৰ্তব্য বিমূঢ় । কোনোবা সংগঠনে নিজৰ সুবিধা বৃদ্ধি কৰিবৰ বাবে, কোনোবাই কাৰোবাক সৰহ সুবিধা পোৱাৰ বাবে তেওঁলোককো লাগে আকৌ কোনোবাই আমুকৰ পৰা আহি ইয়াত বাস কৰি থাকি

উন্নতি কৰিবলৈ লোৱা দেখি অন্তৰ্দাই হৈ পৰোক্ষ ভাবে আন্দোলনৰ সহায় আদি লৈছে। কিন্তু ইয়াৰ জানো সমাধান কেৱল বন্ধ বা স্মাৰক পত্ৰৰ দ্বাৰা সমাধান নিবিচাৰি কৰ্মৰ দ্বাৰা বিচাৰিব পাৰিলেহে ভাল হব। তেওঁলোকে ভাবে যে ভাষা সংস্কৃতিৰ প্ৰসাৰ বাধা প্ৰাপ্ত হৈছে। এনে এক অৱস্থাৰ পৰা মুক্তি লাভৰ উদ্দেশ্যে নিজ নিজ ভাষা সংস্কৃতিৰ বিকাশৰ উদ্দেশ্যে শ্ৰম কৰাৰ সলনি এক বিকৃত মানসিকতা গঢ়ি উঠিছে। এতিয়া ইমানদিনে পৰিচয় দি অহা বিভিন্ন জনগোষ্ঠীৰ লোকৰ মাজত বিভেদ কামী শক্তিৰে গা কৰি উঠিছে। মুঠতে সংহতি সূত্ৰস্বৰূপ বৈচিত্ৰৰ মাজত ঐক্যৰ সলনি ভিন্নতাক আদৰি লৈছে। নীচাত্মিকাৰ ফলত উদ্ভৱ হোৱা মিথ্যা অহংভাৱৰ হেতুকেই এনে মানসিকতা গঢ়ি উঠিছে।

আমাৰ সমাজত এনে মানুহো আছে; যিসকলে এই ধাৰণা পোষণ কৰে যে মুছলমান সকলৰ আগমন নোহেৱা হলে ভাৰতবৰ্ষখন তিনিটা খণ্ডত বিভক্ত ন'হলহেঁতেন। ই এক গণ্ডীবদ্ধ ধাৰণা। এনে ধাৰণাৰ আঁত ধৰিয়েই যদি ভাৰতবৰ্ষৰ অন্যতম প্ৰাচীন জনগোষ্ঠী দ্ৰাবিড় সকলে কয় যে আৰ্য্যসকল ভাৰতলৈ নহাহলে দেশখনৰ অধিপতি তেওঁলোকেই হ'ব পাৰিলেহেঁতেন। মুছলমান সকলেই কেৱল নহয় আৰ্য্য, শক, হুন, গ্ৰীক, ইংৰাজ, পৰ্টুগীজ আদি অসংখ্য জনগোষ্ঠীৰ লোক ভাৰতবৰ্ষত প্ৰবেশ কৰিছে। সেইবোৰে কেৱল মুখবোৰ লৈ অহা নাছিল নহয়। তেওঁলোকে মগজু আৰু কৰ্মঠ হাত দুখনো লগত আনিছিল। তেন্তে তেওঁলোকৰ জানো ভাৰতবৰ্ষৰ অগ্ৰগতিত ক্ষুদ্ৰতমো অৱদান নাই ?

তেনেদৰে অসমৰ সমাজখনৰো কোনোবা জনজাতীয়লোকে যদিহে ভাবে যে অজনজাতীয় সকল পূব আৰু পশ্চিমৰ পৰা অসমত নোসোমোৱা হলে তেওঁলোকেই এইখন ঠাইৰ একচ্ছত্ৰী মালিক হৈ থাকিব পাৰিলেহেঁতেন তেন্তে ই হব এক উদ্ভট ধাৰণা। তেনে অৱস্থাত সমাজখন হৈ পৰিব স্থবিৰ। সাম্প্ৰতিক অসমত সেইটোৱে দেখিবলৈ পোৱা গৈছে। এনেদৰে গোষ্ঠী চেতনাৰ মাজতহে যদি নিজৰ সত্তাক বিচাৰি পায় তেন্তে পৰিস্থিতি আৰু সংকটাপূৰ্ণ হৈ উঠিব। সাধাৰণতে স্বকীয় বৈশিষ্ট্যৰ গতিধাৰা হব লাগে সমন্বয়মুখী। নাম যিয়েই নহওঁক, আমি যে এখন সমাজৰ লোক আৰু ভাব, খাদ্য, পোছাক-পৰিচ্ছদ ইত্যাদিৰ ক্ষেত্ৰত ইজন আনজনৰ ওপৰত নিৰ্ভৰশীল— সেইটো প্ৰত্যেক ব্যক্তিয়েই স্বীকাৰ কৰি লবই লাগিব। উগ্ৰ-জাতি, ধৰ্ম, ভাষা আৰু গোষ্ঠী প্ৰেমে বহু সময়তেই অন্ধ কৰি পেলোৱাৰ হেতুকেই অসহিষ্ণু বিদ্বেষৰ মনোভাৱ জাগি উঠে আৰু আৰম্ভ হয় সংঘাট। বিভিন্ন জনগোষ্ঠীৰ উপাদানৰ বলতহে যে আমি বৰ্তি আছো সেই সত্য পাহৰি গৈছো। সেয়েহে আমাৰ গতি আৰম্ভ হৈছে অন্ধকাৰ

গুহাৰ দিশলৈ।

আমাৰ অসমত প্ৰচুৰ কেঁচা সম্পদ এতিয়াও আছে। সেইবোৰ সম্পদৰ জানো সদব্যৱহাৰ কৰিব পৰা গৈছে? অসমক উন্নত কৰিবৰ বাবে আমাৰ প্ৰকৃত কৰ্ত্তব্য হ'ল সম্পদবোৰৰ উপযুক্ত ব্যৱহাৰ কৰা। অসমত খাৰুৱা তেল উৎপাদন কৰোঁতে কিমান প্ৰাকৃতিক গেছ পুৰি পেলোৱা হয় তাৰ জানো সীমা আছে। সেইবোৰৰ অপ-ব্যয় ৰোধ কৰাৰ কাৰণে চৰকাৰে সহযোগ আগবঢ়াব লাগিব। যিবোৰ বনজসম্পদ আছে তাক যদি ব্যৱহাৰেই নকৰে সেইবোৰ থকাৰ পৰা লাভ কি? আমি এই কথাও লক্ষ্য ৰাখিব লাগিব যে যদি উদ্যোগেই নাথাকে কৰ্মসংস্থান হব ক'বপৰা? উদ্যো-গেহে মানুহক সৰহ কৰ্মসংস্থান দিব পাৰে। অসমত যি খাৰুৱা তেল আছে সেইবোৰ জানো যুগ-যুগান্তৰ ধৰি উদ্ঘাটন কৰিব পৰা হব? তেন্তে এদিন যেতিয়া এই সম্পদ শেষ হৈ যাব তেতিয়া কেৱল তাৰ ওপৰত নিৰ্ভৰ কৰি থকা ৰাজ্যৰ অৱস্থা তথৈবচ নহবনে? সেইবাবে আমি বনজ সম্পদ সৃষ্টি কৰাতহে বেছি চেষ্টা কৰিব লাগে। যাতে সেই সম্পদৰ পৰা যুগ যুগ ধৰি উদ্যোগ সমূহ চলাই থাকিব পৰা যায়। দেশখন যেতিয়া উদ্যোগৰ ক্ষেত্ৰত অগ্ৰসৰ হব তেতি-য়াহে সামগ্ৰীক উন্নয়ন আশা কৰিব পাৰি।

অসম এখন কৃষি প্ৰধান ৰাজ্য হিচাপে আমি জানো মাটিৰ সৎ-ব্যৱহাৰ কৰিবলৈ শিকিছোঁ? অতিত পৰিতাপৰ বিষয় যে আমি যিবিলাক শাক-পাচলি কিনো সেইবোৰো থলুৱা ভাৱে উৎপন্ন কৰি লব নোৱাৰো। গতিকে যিবোৰ যুৱকে সমস্যা সমাধানৰ দাবীত আন্দোলনৰ বোল তোলে তেওঁলোকে বাৰু বছৰৰ বাৰ মাহেই খেতি কৰিবৰ বাবে এটি ধ্বনি দি পাইছেনে? তেওঁলোকে বাৰু উন্নত পদ্ধতি অৱলম্বন কৰি (মাটি থকা সকলে) বিভিন্ন ধৰণৰ কৃষি কৰিছেনে? কেৱল মাথো চাকৰি বিচাৰে। কেৱল মাথো প্ৰৱেশিকা বা স্নাতক পৰ্য্যায় শেষ কৰিয়েই বৃত্তি অন্বেষণৰ বাবে হাবাথুৰি খাই ফুৰে। উচ্চ শিক্ষিত লোক কেইজন আঙুলিৰ মূৰত গণিব পাৰি। আমাৰ থলুৱা ঠাইতেই যদি উচ্চ শিক্ষিত লোক থাকে তেন্তে উচ্চ পদস্থ চাকৰি সমূহ নিজেই অধিগ্ৰহণ কৰিব পাৰিব। তেতিয়া অসমৰ পৰা দিল্লীলৈ যোৱা ফাইলবোৰ দিল্লীত ৫-৬ মাহ ধৰি পৰি নাথাকে। কেৱল আন্দোলনৰ ধ্বনি দি থাকিলে কেইজনমান বিশেষ ব্যক্তিৰহে সুবিধা হব।

আজিকালি বাতৰি কাকতত সঘনাই ঠাই পোৱা বৰ্ত্তমান সমাজৰ ধৰ্ষণ; অপ-হৰণ আদি চিৰাচৰিত ঘটনা হৈ পৰিছে। তাৰ বাবে কেৱল যুৱ পুৰুষ সমাজক দায়ী বুলি কব পাৰিনে? তেনেদৰে যদি চিন্তা কৰা হয় তেন্তে বিষয়টোৱেই আধৰুৱা হব। অন্ততঃ নাৰী সমাজেও চিন্তা কৰি চাইছেনে যে তাৰ বাবে দায়ী তেওঁলোক

নিজেই। একোজন পুৰুষক কামাতুৰ কৰি তোলাত তেওঁলোকেই অৰিহণা যোগায় আৰু বলি হব লগা হয় নিৰপৰাধী লোক। নাৰী সমাজৰ বহুতে ভাৱে যে নিজৰ অহং ভাৱ জীয়াই ৰাখি পুৰুষক মাতাৰ পৰা বিৰত থাকিব বিচাৰে। যেহেতু সহজ হব নোৱাৰে। এজন যেতিয়া আনজনৰ ওচৰত সহজ ভাৱ প্ৰদৰ্শন কৰে তেতিয়া জানো বেয়াকৈ কব পাৰে? মই অৱশ্যে পুৰুষ জাতিটো ভাল বুলি বা নাৰী জাতিটোৱেই বেয়া বুলি ওকালতি কৰিব বিচৰা নাই। পুৰুষো সমানেই বেয়া বুলিব পাৰি।

আমাৰ প্ৰধান কথা হ'ল বড়ো, কছাৰী, ৰাভা, কাৰবি, মিছিং, টাই আহোম, চুতীয়া, মৰাণ, মটক, ব্ৰাহ্মণ, সোণোৱাল, গোঁসাই, কোঁচ, কলিতা, তিবাঁ, হিন্দু-মুছলমান, শিখ, বঙালী ভাষী, মাৰোৱাৰী আদি সকলোকে লৈয়েই অসমবাসী আৰু অসমীয়া। এই সম্প্ৰদায়ৰ প্ৰত্যেকটোতে আঢ্যৱন্ত আৰু দৰিদ্ৰ লোক আছে। বড়োসকলৰ বিদৰে সকলোৱে পিছপৰা নহয়; তেনেদৰে সকলো ব্ৰাহ্মণ পৰিয়াল আঢ্যৱন্ত নহয়। সেইবাবে পৰস্পৰে পৰস্পৰক সহায় কৰি উন্নতিৰ অৰ্থেহে চিন্তা কৰিব লাগে। কোনো এজনে এটা ভুল কৰিলে দোষীজনৰৰ প্ৰতি গোষ্ঠীবাদৰ আশ্ৰয় নলৈ নিৰপেক্ষ গোষ্ঠী বাদৰহে আশ্ৰয় লব লাগে। তাৰ বাবে প্ৰত্যেকজন ব্যক্তিৰ আত্মসচেনতা থাকিব লাগিব। আমি যদি সহিষ্ণুতাৰে পৰিকল্পিত আঁচনি লৈ আগবাঢ়িব পাৰো তেন্তে আমাৰ পৰিবৰ্তন নিশ্চয় হব। মাথোন শিক্ষা গ্ৰহণ কৰি শিক্ষিত হৈ শিক্ষাক বেয়া কামত ব্যৱহাৰ কৰি নিজক অশিক্ষিত কৰিব নালাগিব। আৰু আজিৰ সমাজত তাৰেই পয়োভৰ বেছি।

সদৌ শেষত আনন্দৰাম ঢেকীয়াল ফুকনৰ প্ৰাৰ্থনা "হে কৃপাময় জগদীশ্বৰ, এই অসম দেশৰ লোক সকলক সভ্য, জ্ঞানী আৰু ধৰ্মিক কৰিবলে মতি দিয়া, সিবিলাকৰ অভাৱ আৰু দুৰৱস্থা জানিবলৈ সিবিলাকক জ্ঞান দিয়া আৰু তোমাৰ বিচিত্ৰ শক্তিৰে সিবিলাকক সভ্য কৰা। যি সময়ত অসম হাবি গুচি ফুলবাৰী হব, ঘৰ বাঁহৰ গুচি শিল ইটাৰ হব, গাঁৱে-গাঁৱে হেজাৰ হেজাৰ পঢ়াশালি হব, জ্ঞানৰ সভা, চিকিৎসালয়, দুখীয়া দৰিদ্ৰ পৰিত্ৰাণৰ আলয় হব আৰু যি কালত লোক সকলে পৰস্পৰে হিংসাহিংসি নকৰি আটাইকে ভাতৃৱৎ চেনেহ কৰিব ...., সেই সময়, হে পৰমপিতা জগদীশ্বৰ, শীঘ্ৰে ঘটোৱা। " এই প্ৰাৰ্থনাৰে"ই সামৰা হ'ল।

শ্ৰী ৰবীন দেউৰী, স্নাতক ২য় বাৰ্ষিক

(বাতৰি কাকত অলোচনীৰ আলমত ব্যক্তিগত আক্ৰোশৰ বাবে ক্ষমা বিচৰা হৈছে।)

# 'নেলচন মেণ্ডেলা'

শ্ৰী চন্দ্ৰ প্ৰকাশ জৈন
স্নাতক ২য় বাৰ্ষিক

নেলচন মেণ্ডেলা দক্ষিণ আফ্ৰিকাৰ এনে এক ব্যক্তিৰ নাম যি নামেৰে আমি গোটেই পৃথিৱীবাসী আজি পৰিচিত। এই ব্যক্তিজন দক্ষিন আফ্ৰিকাৰ শ্বেত চৰকাৰৰ বৰ্ণবাদী নীতি আৰু দমন মূলক আচৰনৰ বিৰুদ্ধে বৰ্তমান যি জনআন্দোলন গঢ়ি উঠিছে সেই আন্দোলনৰ সৰ্ব্বোচ্চ নেতা। এনে মহান আন্দোলন কাৰীজনৰ জন্ম হয় দক্ষিণ আফ্ৰিকাৰ উমাতাৰ কুনু নাম গাঁৱত ১৮ জুলাই ১৯১৮ চনত। তেওঁ নিজৰ শৈশৱ কাল ট্ৰানস্কীৰ পাহাৰত অতিবাহিত কৰে। তেওঁৰ পিতা থেম্বু জাতিৰ নিৰ্বাচিত নেতা আছিল। তেওঁৰ মাতৃ এক দৃঢ় সংকল্পবাদী আৰু দৃঢ় চৰিত্ৰৰ এগৰাকী মহিলা আছিল। তেওঁৰ জীৱনত পিতৃ-মাতৃৰ যথেষ্ঠ প্ৰভাৱ পৰিছিল।

নেলচন মেণ্ডেলাৰ লৰালি কালছোৱা পিতৃৰ কৃষিকাৰ্য্যত সহায় কৰা, পশুচাৰণ কৰা আদি কাৰ্য্যতে অতিবাহিত হৈছিল। অলপ ডাঙৰ হোৱাৰ পিছত তেওঁক স্থানীয় স্কুলত ভৰ্তি কৰা হয়। তেওঁক আটাইতকৈ আকৰ্ষিত কৰিব পৰা বিষয়টো আছিল বুৰঞ্জী। এই বিষয়টো তেওঁ খুউব মনোযোগেৰে পঢ়িছিল আৰু ইয়াত পঢ়া ঘটনাচক্ৰ বিলাকৰ বিষয়ে চিন্তাও কৰিছিল। তেওঁ বুৰঞ্জীত, কৃষ্ণাঙ্গ লোকৰ ওপৰত হোৱা অত্যাচাৰ উৎপীড়নৰ ঘটনাবিলাকৰ বিষয়ে পঢ়িবলৈ পাইছিল আৰু এই বিলাক পঢ়ি তেওঁ আত্মবিহ্বল হৈ পৰিছিল। ইয়াৰ পিছত ১৯২১ চনৰ সেই "কলাদিন" টোও আহিল যেতিয়া জেনেৰেল স্মটে ১৬৩ জনী কৃষ্ণবৰ্ণৰ মহিলা; শিশু আৰু পুৰুষক গুলীবিদ্ধ কৰে। ১৯৪১ চনলৈকে নেলচন মেণ্ডেলাই নিজকে এজন খ্যাতী সম্পন্ন পুৰুষ হিচাপে গঢ়ি-তোলে। ইতিমধ্যে তেওঁ সমগ্ৰ দক্ষিণ আফ্ৰিকা ভ্ৰমন কৰে আৰু কৃষ্ণবৰ্ণবাসীৰ ওপৰত শ্বেত সকলৰ জোৰ জুলুম বিলাক নিজচকুৰে দেখিবলৈ

পায়।

এই সময়ছোৱাত তেওঁৰ পৰিচয় হয় বাল্টৰ চিচলু নামৰ এজন ব্যক্তিৰ লগত। বাল্টৰ চিচলুৰ সহায় সহযোগত তেওঁ স্নাতক পৰীক্ষা পাছ কৰে আৰু তাৰ পিচত তেওঁ "আইন" পাছ কৰে। 'আইন' পাছ কৰাৰ পাছত তেওঁ স্বতন্ত্ৰভাৱে উকালতী আৰম্ভ কৰে। এই সময় ছোৱাত তেওঁ "আফ্ৰিকান নেচনেল কংগ্ৰেচ"ৰ কাৰ্য্যৰ দ্বাৰা প্ৰভাৱিত হৈছিল।

১৯৫০ চনৰ পাচত নেলচন মেণ্ডেলাই "ৰাষ্ট্ৰীয় স্বয়ং সেৱক সঙ্ঘ" নামৰ সংগঠন এটাৰ দায়িত্ব গ্ৰহন কৰে। তেওঁ দক্ষিন আফ্ৰিকাৰ সকলো কৃষবৰ্ণৰ ব্যক্তি বৰ্গক একত্ৰিত কৰি শ্বেত সকলৰ বিৰুদ্ধে জনআন্দোলন গঢ়ি তুলিবলৈ অনুপ্ৰেৰণা দিয়ে। কৃষ্ণাঙ্গ সকলক তেওঁলোকৰ অধিকাৰ, দায়িত্ব আৰু কৰ্তব্য-বিলাকৰ বিষয়ে জানিবলৈ দিয়ে।

নেলচন মেণ্ডলাৰ নেতৃত্বত যথেষ্ঠ সংখ্যক কৃষ্ণবৰ্ণৰ স্বয়ংসেৱক সকলে আইন ভংগ কৰে। পুলিচে এনে আইন ভংগকাৰী অনেক লোকক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে।

১৯৫৪ চনত নেলচন মেণ্ডলাই কৃষ্ণবৰ্ণবাসী সকলৰ দুৰ্দশাৰ বিৰুদ্ধে আদালতত তীব্ৰ বিৰোধিতা কৰে। এনে বিৰোধিতাৰ ফলস্বৰূপে শ্বেত চৰকাৰে কৃষবৰ্ণবাসীৰ বিষয়ে কিছু আলাপ আলোচনাত বহিবলৈ বাধ্য-হয়। ইতিমধ্যে "আফ্ৰিকান ৰাষ্ট্ৰীয় কংগ্ৰেচে" নেলচন মেণ্ডলাৰ নেতৃত্বত জনসাধাৰনক ৰাজনৈতিক ভাৱে শিক্ষিত কৰিবলৈ নিয়মিত শ্ৰেণী সমূহ চলাবলৈ সিদ্ধান্ত গ্ৰহন কৰে। এনে কাৰ্য্যক বাধা প্ৰদান কৰিবলৈ শ্বেত চৰকাৰে সৈন্য বাহিনীৰ সহায়েৰে তীব্ৰ আক্ৰমন চলায়। মেণ্ডলাই এই সময়ছোৱাত অতি সাহসৰ পৰিচয় দিয়ে। তেখেতে কয় মাতৃভূমিৰ সেৱা কৰা আমাৰ জন্মগত অধিকাৰ। ইয়াৰ ৰক্ষা কৰিবলৈ কৃষ্ণাঙ্গসকল যি কোনো ধৰনৰ ত্যাগ কৰিবলৈ প্ৰস্তুত"। সেই দিনৰ পাচৰে পৰা শ্বেত চৰকাৰে মেণ্ডলাক নিজৰ আটাইতকৈ ডাঙৰ শত্ৰু হিচাপে ধৰি লৈছিল। তেখেতৰ নামত এইবুলি ফৰমান জাৰি কৰা হয় যে তেখেত কোনো-ধৰনৰ সাৰ্বজনীন সভাত যোগদান কৰিব নোৱাৰিব। লগতে তেওঁক "আফ্ৰিকান ৰাষ্ট্ৰীয় কংগ্ৰেছৰ পৰাও বহিস্কৃত কৰিবলৈ আদেশ দিয়ে। কিন্তু এনে ধৰণৰ কোনো আদেশ অথবা নিৰ্দ্দেশে মেণ্ডেলাৰ নিচিনা এজন ব্যক্তিক বান্ধি ৰাখিব নোৱাৰিলে। তেখেতে চৰকাৰী চোৰাংচোৱা সকলৰ চুকুত ধুলি মাৰি মাজে মাজে সাৰ্বজনীন সভা সমিতিত যোগদান কৰিব ধৰিলে। ইতিমধ্যে তেখেতৰ মতৰ সাপেক্ষে "নেচনেল একচন কমিটি" নামেৰে সমিতি এটা গঠন কৰা হয়

আৰু ইয়াৰ যোজনাৰ নাম ৰখা হয় "মেণ্ডেলা যোজনা" তেখেতে সংগঠনৰ কাৰ্যৰ পৰি-প্ৰেক্ষিতত কেইবাটাও প্ৰবন্ধ লিখিছিল। এই প্ৰবন্ধবিলাক "কৃষ্ণ ফষ্টাৰ" দ্বাৰা প্ৰকাশিত পত্ৰিকা "লিবাৰেচন"ত প্ৰকাশ পাইছিল।

১৯৫৭ চনৰ ২৬ জুন তাৰিখে শ্বেত সকলৰ বিৰুদ্ধে এই আন্দোলন অতি তীব্ৰ ৰূপ ধাৰণ কৰে। কৃষ্ণবৰ্ণৰ অনেক পুৰুষ, মহিলা আৰু সৰু সৰু ল'ৰাছোৱালীয়ে এই আন্দোলনত জাপ দিয়ে। এই আন্দোলনৰ কিছুদিনৰ পাছতে নেলচন মেণ্ডেলাক গ্ৰেপ্তাৰ কৰা হয়। ১৯৫৮ চনত জুন মাহত ৱিনী মেণ্ডেলাৰ সৈতে তেওঁৰ বিবাহ হয়। এই সময়ত তেওঁ চৰকাৰৰ বিচাৰাধীন বন্দী আছিল।

১৯৫৯ চনৰ ১৯ জানুৱাৰীৰ দিনা উপযুক্ত প্ৰমানৰ অভাৱত নেলচন মেণ্ডেলাক জেলৰ পৰা মুক্তি দিয়া হয়।

ইয়াৰ পাছৰে পৰা শ্বেত চৰকাৰে মেণ্ডেলাৰ ওপৰত তীব্ৰ দৃষ্টি ৰাখিব ধৰে। ইয়াৰ কিছুদিনৰ পিছতে চৰকাৰে চিচলু, টেম্বুকৰ লগতে মেণ্ডেলাৰ পুনৰ গ্ৰেপ্তাৰ কৰে। তেওঁক এই বুলি দোষাৰোপ কৰা হয় যে তেখেত মাৰ্ক্সবাদ-লেনিনবাদৰ সমৰ্থক। মেণ্ডে-লাক বন্দী কৰি জোহান্সবাৰ্গ দুৰ্গৰ এটা প্ৰাচীন লোহগৃহত ৰখা হয়। কিন্তু উপযুক্ত প্ৰমানৰ অভাৱত তেখেতক পুনৰ মুক্তি দিবলৈ চৰকাৰ বাধ্যিত হয়।

১৯৬১ চনত ২৬ জুন তাৰিখে "আফ্ৰি-কান নেচনেল কংগ্ৰেছে" স্বাধীনতা দিৱস হিচাপে ঘোষণা কৰে। ১৯৬২ চনৰ ৫ আগষ্ট তাৰিখে মেণ্ডেলাক পুনৰ গ্ৰেপ্তাৰ কৰা হয়। জনসাধাৰণে ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰে। ১৯৬২ চনৰ ৭ নভেম্বৰৰ দিনা তেওঁক ৫ বছৰৰ বাবে জেলে হাজোতলৈ প্ৰেৰণ কৰা হয়।

১৯৭০ চনৰ ২৫ ফেব্ৰুৱাৰী তাৰিখে নেলচন মেণ্ডেলাৰ পত্নী ৱিনী মেণ্ডেলাকো গ্ৰেপ্তাৰ কৰা হয়। তেওঁক এই বুলি দোষাৰোপ কৰা হয় যে তেখেতে স্বাধীনতাৰ বাবে যুজ দিয়া সৈনিক সকলৰ পৰিবাৰৰ তত্বাৱধান লৈছে আৰু লগতে তেওঁ অনেক চৰকাৰ বিৰোধী কাৰ্য্যকলাপত জড়িত আছে। পিছে উপযুক্ত প্ৰমানৰ অভাৱত তেখেতক এৰি দিয়া হয়।

নিজ জীৱনৰ ২৭ টা বহুমূল্য বছৰ জেইলত অতিবাহিত কৰি ১৯৯০ চনৰ ১১ ফেব্ৰুৱাৰী তাৰিখে নেলচন মেণ্ডেলা মুক্তি পায়। তেওঁৰ মুক্তিৰ খবৰ পোৱা মাত্ৰকে লাখ লাখ জনতা তেওঁক স্বাগতম জনাবলৈ সমাবেত হয় স্বাধীনকামী জনসাধাৰণ আন-ন্দত বিহ্বল হৈ নাচিবলৈ ধৰে। যোৱা ২৫ জুলাই তাৰিখে নেলচন মেণ্ডেলাই এক জৰুৰী ঘোষনা কৰে। তেওঁ কয় যে দক্ষিণ

আফ্ৰিকী চৰকাৰে "আফ্ৰিকান ৰাষ্ট্ৰীয় কংগ্ৰেছ"ৰ ওপৰত এই বুলি দোষাৰূপ কৰিছে যে ইয়াৰ যুজাৰু সৈনিকে শ্বেত চৰকাৰক বলপূৰ্বক ভাবে ওফৰাই পেলোৱাৰ ষড়যন্ত্ৰ কৰি আছে"। চৰকাৰৰ এনে প্ৰতিক্ৰিয়াৰ তীব্ৰ প্ৰতিবাদ কৰিব লাগে। তেখেতে কয় যে এনে ষড়যন্ত্ৰৰ কথা আফ্ৰিকান ৰাষ্ট্ৰীয় কংগ্ৰেছে সপোনতো ভাবিব নোৱাৰে। তেওঁ আৰু কয় যে আমি শান্তিমূলক বাৰ্তালাপৰ হে পক্ষধৰ।

যোৱা ৭ আগষ্ট তাৰিখে আফ্ৰিকাৰ ৰাষ্ট্ৰিয় কংগ্ৰেছে এটা প্ৰস্তাৱ গ্ৰহন কৰে আৰু এই প্ৰস্তাৱ অনুসৰি সসস্ত্ৰ সংগ্ৰাম নিলম্বিত কৰা হয়।

নেলচন মেণ্ডেলা অক্টোবৰ মাহত (১৯৯০ চনৰ) পাচঁদিনীয়া কাৰ্য্যসূচীৰে ভাৰতলৈ আহে। তেখেতৰ আগমনত স্বাগতাৰ্থে অনেক কাৰ্য্যসূচী হাতত লোৱা হয়। ১৬ অক্টোবৰৰ দিনা ৰাষ্ট্ৰপতি ভৱনত অয়োজিত এক সমাৰোহত তেওঁক "ভাৰত ৰত্ন" উপাধিৰে বিভূষিত কৰা হয়। "নেলচন মেণ্ডেলা" ভাৰত ৰত্ন উপাধীৰে বিভূষিত ভাৰতৰ দ্বিতীয়জন বিদেশী নাগৰিক ইয়াৰ আগেয়ে এই সন্মান "খান আব্দুল গফাৰ খান" ওৰফে "সীমান্ত গান্ধীক" প্ৰদান কৰা হৈছিল। তেওঁৰ এই আগমনৰ ফলত আফ্ৰিকাৰ ৰাষ্ট্ৰিয় কেংগ্ৰেছৰ লগত ভাৰতবৰ্ষৰ সম্বন্ধ আৰু অধিক কটকটীয়া হ'ল।

# ঃ এটা সঁাথৰ ঃ

শ্ৰীদিব্যজ্যোতি শৰ্ম্মা
স্নাতক মহল
দ্বিতীয় বাৰ্ষিক

এই চহৰত এটা পথ হিচাপে মই ভালকৈয়েই জনাজাত। কিন্তু দুখৰ বিষয় এই টোৱেই যে চহৰৰ বহু নিবাসীয়েই মোৰ এই নামটো নাজানে। মোৰ নাম হৈছে 'কলেজ ৰোড'। কোনে, কেতিয়া মোক এই নামেৰে নামকৰণ কৰিলে সেইটো মই নাজানো। কিন্তু এই নামেৰে নামকৰণ কৰাৰ কাৰণ হ'ল মোৰ গাৰ কাষতে তিনি-খনকৈ মহাবিদ্যালয় অৱস্থিত। প্ৰথম খন হ'ল ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়; দ্বিতীয়খন হ'ল ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ বানিজ্য মহাবিদ্যালয় আৰু তৃতীয় খন হ'ল মনোহাৰী দেবী কানৈ মহিলা মহাবিদ্যালয়, এই তিনিও খন মহা-বিদ্যালয়েৰেই প্ৰবেশ দ্বাৰ কেইখন মোৰ গাৰ ওপৰতেই প্ৰতিষ্ঠিত, সেই বাবেই মোক 'কলেজ ৰোড' বুলি নামাংকিত কৰা হ'ল।

মই এতিয়া বুঢ়া হৈছো, মোৰ বয়স বহুত হলেও মোৰ প্ৰকৃত বয়স কিমান মই নাজানো। মই কেতিয়াবা মোক নিজক লৈয়েই গৌৰব অনুভব কৰো আৰু কেতিয়াবা শোকত মৰ্মাহত হৈ পৰো। গৌৰব কৰাৰ থল আছে বাবেই মই গৌৰব কৰো। ৰাতি পুৱাৰ পৰাই মোৰ গাৰ ওপৰত গাড়ী, মটৰ, চাইকেল, মানুহ আদিয়ে দপ্ দপাবলৈ আৰম্ভ কৰি দিয়ে। পুৱা সাতটা মান বজাৰ পৰাই চিটি বাছ বোৰে মোৰ গাত বগাবলৈ আৰম্ভ কৰে ৰাতি আঠ বজাৰ পৰা ৰাতি পুৱা আঠ বজালৈকে মাল গাড়ী বোৰকো মোৰ গাৰ ওপৰত বগাবলৈ কৰ্ত্তৃপক্ষই অনুমতি দিছে। মই তেতিয়াই খুব গৌৰৱ অনুভৱ কৰো যেতিয়া শ শ ছাত্ৰ-ছাত্ৰী মোৰ গাৰ ওপৰেদি আহি কলেজ কেইখনত শিক্ষা গ্ৰহণ কৰে। ৰাতি পুৱাৰ পৰা ৰাতি নটামান বজালৈকে মানুহবোৰ মোৰ ওপৰেদি অহা যোৱা কৰি থাকে।

এই টোকেই মই সদায় দেখি আহিছো, ৰাতি নটা মান বজাৰ লগে লগে মোৰ

গাৰ ওপৰত মানুহ দুদুই প্ৰায় নাইকিয়া হয়। মালিক নথকা (?) কিছুমান গৰুৱে দল বান্ধি মোৰ গাৰ ওপৰত শুই থাকে। কিন্তু যেতিয়াই ইয়াৰে দুই এজনী গৰু গাভিনি হয় তেতিয়া সেই গৰু কেইজনীক মই দেখিব নোপোৱা হওঁ। যেতিয়া তাইৰ পোৱালী হয় আৰু পোৱালী ডাঙৰ হৈ গাখীৰ নোহোৱা হয় তেতিয়া তাই লগত পোৱালী টো লৈ আকৌ মোৰ ওচৰত উপস্থিত হয়হি। মোৰ চকু পানী ওলাই যায়। মই সিহঁতক মোৰ গাৰ ওপৰতে শুই থাকিবলৈ কওঁ কেতিয়াবা অৱশ্যে বহুত দেৰিকৈ মানে ৰাতি এটা-দুটা মান বজাতো একোখন গাড়ী কোবত মোৰ গাৰ উপৰেদি পাৰ হৈ যায়। যেতিয়া মই দেখো গাড়ীখন মেডিকেল কলেজৰ পথত ঘুৰিছে তেতিয়া মই ভাবো গাড়ীখনত নিশ্চয় কোনোবা চিৰিয়াচ ৰোগীক চিকিৎসালয়লৈ লৈ গৈছে। হয়তো তাত কোনোবা দুৰ্ঘটনা হোৱা ৰোগী আছে। হয়তো তাত কোনোবা সন্তান সম্ভৱা নাৰী আছে।

দিনৰ দুটা মান বজাৰ পৰা কলেজৰ ছাত্ৰ ছাত্ৰী বোৰে কলেজ এৰি ঘৰলৈ যাবলৈ লয়। কেতিয়াবা দুই তিনিজন বন্ধু বা দুই তিনিজনী বান্ধৱী কেতিয়াবা চাৰি পাঁচ জন মান বন্ধু-বান্ধৱী একেলগে দল পাতি হাঁহি মাতি যায়। কেতিয়াবা আকৌ দুজন কলেজীয়া প্ৰেমিক-প্ৰেমিকা কথা পাতি পাতি লাহে লাহে পাৰ হৈ যায়। এওঁলোকক যেতিয়া মই দেখো তেতিয়া মনে মনে ভগবানক প্ৰাৰ্থনা কৰো এওঁ লোকৰ সকলো মনোবাঞ্চা যেন পূৰন হয়। চাৰিটা মান বজাৰ পৰা আকৌ কাৰ্য্যালয়ৰ কৰ্মচাৰী সকল মোৰ গাৰ ওপৰেদিয়েই ঘৰলৈ ওভতে। কোনোৱে চাইকেলত, কোনোৱে ৰিক্সাত, কোনোৱে বাচত আকৌ কোনোৱে মটৰ গাড়ীত।

কেতিয়াবা ৰাতি দহটা এঘাৰটা মান বজাত কছুমান মদাহী মোৰ গাৰ উপৰেদি পাৰহৈ যায়। মুখত অবাইচ মাত। কেতিয়াবা অসহ্য হৈ সিহঁতক উজুতি ঘুৰাই পেলাবলৈ মন যায়। কিন্তু তাৰ পিছত ভাবো কি অৱস্থাত পৰি বা এই জন মানুহে মদ খাব লগা হৈছে।

এই কলেজ কেইখনৰ উপৰিও মোৰ আশে পাশে বহুতো লেখত ল'ব লগিয়া বস্তু আছে। ডিব্ৰুগড়ৰ পৰা তিনচুকীয়া লৈকে যোৱা মিটাৰ গজৰ ৰে'ল আলিটোৱেই এইবোৰৰ ভিতৰত প্ৰথম। তাৰ পিছত দুখন স্কুল, এটা গীৰ্জাঘৰ, ভাৰতীয় ষ্টেট বেঙ্কৰ ডিব্ৰুগড় শাখা আৰু বহুতো ব্যৱসায় প্ৰতিষ্ঠান।

আজিকালি অৱশ্যে মোৰ দিন বোৰ দুখতেই পাৰ হয়। গাড়ী মটৰ বেছি হোৱাৰ পৰা মোৰ গাৰ ওপৰত প্ৰায়েই

দুৰ্ঘটনা ঘটি থকা হৈছে। কেতিয়াবা সৰু সুৰা। কেতিয়াবা আকৌ বৰ ডাঙৰ। দুৰ্ঘটনাত আঘাত পোৱা জনৰ অৱস্থা দেখি মোৰ চুচকুৱেদি পানী বৈ আহে। পিছে কলেজ কেইখনৰ সন্মুখত যদি কোনোবা গাড়ীৰ লগত কৰোবাৰ দুৰ্ঘটনা হয় তেন্তে কথা বিষম কলেজৰ ছাত্ৰ সকল দৌৰ মাৰি ওলাই আহে। গাড়ীৰ চালকক গাড়ীৰ পৰা নমাই ভালকৈ এপিটন দিয়ে। এনেকুৱা ঘটনা চলি থকা অৱস্থাত কাষেদি পাৰহৈ যোৱা বয়সস্থ মানুহৰ বাৰ্ত্তালাপ মোৰ কানত পৰে। "এইবোৰ শিক্ষিত যুৱক, দেশৰ ভৱিষ্যত। ইহঁতে থাকু এনেকৈ ৰস্তাত অভদ্ৰৰ দৰে মাৰ পিট কৰিব লাগেনে?" ঠিকেই দোষীজনে সদায় শাস্তি পোৱা উচিত। গাড়ীৰ চালকজনক তেতিয়াহে শাস্তি দিব লাগে যেতিয়া তেওঁ দোষী বুলি প্ৰমানিত হয়। আৰু তেওঁ কৰা দোষৰ প্ৰকৃতিচাইহে শাস্তিৰ প্ৰকৃতি নিৰ্দ্ধাৰিত কৰিব লাগে। এই বিলাক দেখি দেখি মোৰ মনৰ পৰা সুখ বোলা বস্তুটো নাইকিয়া হৈ গৈছে। মোৰ কি আছে ৰ'দ দিলে গৰম হওঁ, বৰষুণ দিলে ঠাণ্ডা, মই পিছে ৰদতকৈ বৰষুণ হে ভাল পাওঁ। মানুহে বোৰে তামোল খাই, পান খাই পিকবোৰ মোৰ গাতেই পেলাই, মোৰ গাতেই থুৱাই, গতিকে বৰষুণে সেইবোৰ ধুই লৈ যায়। মোৰ আশে পাশে বহা পান দোকান বোৰৰ বেছি ভাগেই তামোলৰ বাকলিৰ পৰা আৰম্ভ কৰি দোকানৰ সকলো ময়লা মোৰ গাতেই পেলাই। মোৰ কাষে কাষে থকা মানুহ বোৰৰ বেছি ভাগেই ঘৰৰ আৱৰ্জনা বোৰ মোৰ গাৰ ওপৰতেই পেলাই। কোনোবা মটৰে কুকুৰ এটা মাৰিলে সি মোৰ গাৰ ওপৰতেই পৰি থাকে, গেলি, পচি, শুকাই শেষত মোৰ গাতেই নাইকিয়া হৈ যায়। পৌৰ সভাৰ মানুহৰ খবৰেই নাথাকে, খবৰ থাকে সময় নাথাকে।

এতিয়া মই বুঢ়া। আলৰ বুঢ়া। বৰষুণৰ বতৰত ৰেল আলিৰ ফালৰ পৰা পানী বাগৰে। তাৰ পিছত পানী জমা হৈ হৈ এতিয়া মোৰ দেহ সম্পূৰ্ণ ৰূপে ক্ষত বিক্ষত। গাড়ী এখন পাৰ হৈ গ'লে মোৰ গাটো মেৰ মেৰাই উঠে। কেতিয়াবা মেৰামতি হয়। মোক জীয়াই ৰাখিবলৈ নহয়, পইচা আত্মসাত কৰিবৰ বাবেহে।

কেতিয়াবা ভাবো ইহঁতি মোক মেৰামতি নকৰে কিয়? মোক মেৰামতি কৰিলে সিহঁতৰে দুটামান বাচি থাকিব। আজি কালিৰ ডেকাৰ দুচকীয়া যন্ত্ৰৰ যিহে গতি বেগ। কেতিয়াবা মই অনুভৱ কৰো যে কোনো খনৰ চকাই মোৰ গাত স্পৰ্ষ নকৰাকৈয়েই পাৰ হৈ গৈছে। এৰা আজি কালি সিহঁতৰ কথানো কোনে ভাৱে। মানুহে ঠিকেই কয় আপোন ভালই জগত ভাল। জগত ভালেই আপোন ভাল নহয়। নিজৰ

ভাল হ'লেই হ'ল। নিজৰ ভাল হোৱাৰ পৰাযে জগতৰ বেয়া হৈছে সেইটো বুজিও নুবুজাৰ ভাও ধৰা টোহে কথা।

আজিকালিৰ মানুহে আমি যে তেওঁ-লোকৰ জীৱনৰ কিমান লাগতিয়াল বস্তু সেইটো আজিকালি কৰিব ধৰিছে। সৌ সিদিনাৰ কথা। গৰমৰ দিন। পাঁচ-বছৰীয়া লৰাটো লৈ বাপেক গধুলি সময়ত মোৰ গাৰ ওপৰেদি পাৰহৈ গৈছে। সম্ভৱ ল'ৰা-টোৰে গৰমত ঘৰত আমনি কৰাৰ বাবে বাপেকে তাক ফুৰাবলৈ মুকলিলৈ লৈ আনিছে। বাপেকে তাক বিভিন্ন ধৰণৰ সঁাথৰ সুধি গৈছে। তাঁক কিছুমানৰ উত্তৰ সি কৈছে, কিছুমানৰ পৰা নাই। নোৱাৰা বিলাকৰ উত্তৰ বাপেকেই কৈ দিছে। এবাৰ বাপেকে সুধিলে "বজাৰ বহল কাপোৰ মেলিব পাৰি, চপাব নোৱাৰি। কি কোৱা"। লৰাটোৱে টপৰাই উত্তৰ দিলে "ৰাস্তা"। মোৰ মনটো সেমেকি গ'ল। এৰা মই এখন কাপোৰেই বৰযুগত তিতোতে তিতোতে একেবাৰে উঁৰলি গৈছো। গৌৰৱ মাত্ৰ এই খিনিতে হৈছে যে উঁৰলি গলেও মই বজাৰ কাপোৰ। ৰাইজে মোক ব্যৱহাৰ কৰে।

# "নিবনুৱা সমস্যা আৰু সমাধানৰ চিন্তা"

বঘু বৰবৰা
মুৰব্বী অধ্যাপক, বানিজ্য বিভাগ
কানৈ বানিজ্য মহাবিদ্যালয়
ডিব্রুগড়

দ্বিতীয় মহাযুদ্ধৰ অৱসানৰ পিছত বিশ্বৰ যুৱ মানসে সপোন দেখিছিল এখন নতুন পৃথিৱীৰ। সময়ৰ বিৱৰ্তিত সেই সপোন আপোনা-আপুনি চুৰমাৰ হৈ গ'ল। কৰ্ম্মহীন, নিবনুৱা যুৱ সমাজ নিদাৰুণ অপচয় হিচাবে বৰ্ত্তমান হাউলি পৰিছে হতাশাক্লিষ্ট হৈ। সমগ্ৰ পৃথিৱীৰ প্ৰায়বিলাক দেশতে কম-বেচি পৰিমাণে নিবনুৱা সমস্যাই এটি বিশেষ ৰূপ ধাৰণ কৰিছে।

জনসংখ্যা বৃদ্ধিৰ আটাইতকৈ ডাঙৰ কুফল হ'ল নিবনুৱা সমস্যাৰ বৃদ্ধি। বিশেষকৈ উদ্যোগীকৰণ আৰু কৃষিৰ উন্নতি নোহোৱা দেশ সমূহত নিযুক্তিৰ পথ একেবাৰে সীমাবদ্ধ। অন্যহাতে নিবনুৱা সমস্যাই পৃথিৱীৰ সকলো শ্ৰেণীৰ লোকৰে কমবেচি পৰিমাণে ক্ষতি সাধন কৰিছে। সমস্যাটো কেৱল (শিক্ষিত বা অশিক্ষিত) উদ্যোগীক বনুৱা নাইবা নগৰ বা গাওঁ অঞ্চলতে সীমাবদ্ধ হৈ থকা নাই। দেশৰ কৃষি বনুৱা সকলৰ মাজতো সমস্যাটোৱে দেখা দিছে। পৰিকল্পিত আঁচনিৰ সম্প্ৰসাৰণ হৈছে যদিও নিবনুৱা লোকৰ সংখ্যাও যথেষ্ট পৰিমাণে বাঢ়িছে। ইয়াৰ ফলত নানা অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক সমস্যাৰ উদ্ভৱ হৈছে। ভাৰতবৰ্ষৰ দৰে উন্নতিশীল দেশত য'ত অলেখ প্ৰাকৃতিক সম্পদৰ উপযুক্ত আহৰণ হোৱা নাই, তেনেক্ষেত্ৰত নিবনুৱা সমস্যাই গুৰুতৰ ৰূপ লোৱাটো এটা চিন্তাৰ বিষয় হৈ পৰিছে। পৃথিৱীৰ প্ৰায়বিলাক দেশতে এই সমস্যা আছে। কিন্তু অন্য দেশৰ তুলনাত সমস্যাটো আমাৰ দেশৰ দৰে জটিল নহয়। সেইবোৰ দেশত কেতিয়াবা বাণিজ্য চক্ৰৰ গতি নিম্নমুখী হলে অৰ্থাৎ বেপাৰ বাণিজ্যত সংকটৰ সৃষ্টি হলে নাইবা ঋতুজ তথা অন্যান্য কাৰণে সাময়িকভাৱে নিবনুৱা সমস্যাৰ উদ্ভৱ হয়। আমাৰ দেশৰ নিব-

নুৱা সমস্যাটো একেবাৰে স্বকীয়া ধৰণৰ। ভাৰতবৰ্ষৰ বছৰি বছৰি নিবনুৱা লোকৰ সংখ্যা ক্ৰমাগত বাঢ়ি গৈ এটি গুৰুতৰ পৰিস্থিতিৰহে সৃষ্টি হৈছে। স্বাধীনোত্তৰ কালত চৰকাৰে দেশৰ অৰ্থনৈতিক উন্নয়ণৰ কাৰণে যি চেষ্টা চলাই আহিছে তাৰ ফলতো নিয়োগৰ সুবিধা চাহিদা অনুসাৰে বৃদ্ধি পোৱা নাই। পৰিকল্পিত ব্যয়ৰ সমানুপাতে জাতীয় আয়ো বঢ়া নাই, দেশৰ চুকেকোনে উপচি থকা সম্পদৰাজিৰো উপযুক্ত ব্যৱহাৰ হোৱা নাই। বৰ্ত্তমানে দেশৰ জনসংখ্যাৰ হাৰ যিটো গতিত বাঢ়িছে তাৰ কাৰনেও নিবনুৱা সমস্যাই উৎকট ৰূপ ধাৰন কৰিছে। দেশত কৰ্ম্মসক্ষম লোকৰ সংখ্যা বছৰি২ বাঢ়িছে কিন্তু সেই অনুপাতে নিয়োগৰ সুযোগ বঢ়া নাই। পৰিকল্পনাৰ কালত গড়লৈ উঠা বিভিন্ন কল-কাৰখানাত কাম কাজ কৰিবলৈ দেশৰ বনুৱা সকলৰ কাৰিকৰী অভিজ্ঞতাৰ অভাবো পৰিলক্ষিত হয়। যদিও ভাৰতবৰ্ষৰ শতকৰা ৭০ জন লোকেই খেতি কৰে, তথাপিও শতকৰা ৩০ ভাগ লোকেই দৰিদ্ৰতাৰ সীমাৰেখাত বাস কৰে। উন্নত্তিশীল দেশ যেনে জাপান, ইউৰোপীয় অৰ্থনৈতিক গোটৰ দেশ, আমেৰিকাৰ মুঠ জনবাৰ শতকৰা ৫ৰ পৰা ১০ জন লোক হে খেতিত নিয়োজিত হয়, বাকীবোৰে উদ্যোগ আৰু চাকৰি কৰে। গতিকে দেখা গৈছে যে কৃষিৰ ক্ষেত্ৰতো জনসংখ্যাৰ অধিক চাপ পৰাৰ ফলত ইয়াত - নিবনুৱা সমস্যাই দেখা দিছে।

১৯৮১ চনৰ পিয়ল মতে ভাৰতৰ শতকৰা ৩৬ জন লোক সাক্ষৰ। মাত্ৰ ৫.৬৮ ভাগ হ'ল হাইস্কুল শিক্ষান্ত অথবা মেট্ৰিক পৰ্য্যায়লৈ পঢ়া লোক। শতকৰা ০.১৭ জন কাৰিকৰী ডিপ্লোমা বা চাৰ্টিফিকেট থকা লোক। শতকৰা ১.৪৩ জন হ'ল ডিগ্ৰীধাৰী। সপ্তম পৰিকল্পনাৰ আগতীয়া অনুমান মতে (প্ৰজেক্‌চন) ডিগ্ৰীধাৰীৰ সংখ্যা ধৰা হৈছিল। ৮.৯ নিযুত। অৰ্থাৎ আনুমানিক মুঠ ৭৬.৬ কোটি জনসংখ্যাৰ শতকৰা ১.১৫ জন হ'ল ডিগ্ৰী থকা লোক। ইঞ্জিনিয়াৰিং ডিগ্ৰী আৰু ডিপ্লোমা থকা লোক হ'ল ৮ লাখ আৰু মেট্ৰিক বা মেট্ৰিকোত্তৰ পৰীক্ষা পাচ কৰা ভাৰতীয়ৰ সংখ্যা হ'ল ৩৮.২ নিযুত। দেশৰ ৮০০ টাৰো অধিক নিয়াগ বিনিময় কেন্দ্ৰত বৰ্ত্তমান ৩২ নিযুতৰো কিছু অধিক লোকৰ নাম চাকৰি প্ৰাৰ্থী হিচাবে পঞ্জীয়ণ ভূক্ত। এওঁলোকৰ শতকৰা ৩০ ভাগৰো অধিক হ'ল মেট্ৰিক পৰ্য্যায়ৰ তলৰ। সেই হিচাবত আমাৰ দেশত ১৪ নিযুত নিম্নমেট্ৰিক পৰ্য্যায়ৰ নিবনুৱা, ৫ নিযুত নিবনুৱা নিম্ন-স্নাতক আৰু ৩০ লাখ হ'ল ডিগ্ৰী অথবা স্নাতকোত্তৰ ডিগ্ৰী থকা নিবনুৱা। আমাৰ দেশৰ মুঠ ৩২ কোটি কৰ্ম্ম সম্পৰ্ন ব্যক্তিৰ মাত্ৰ ২৬ কোটি (শতকৰা ৮.২ ভাগ) লোকহে সংগঠিত ক্ষেত্ৰত নিয়োজিত। ইয়াৰে ১৮ নিযুত নিযুক্ত আছে চৰকাৰী খণ্ডত আৰু ৮ নিযুত সংস্থাপিত হৈছে

বেচৰকাৰী খণ্ডত। এই তথ্য সমূহৰ পৰা এইটো সহজে অনুমান কৰিব পাৰি যে আমাৰ দেশৰ মেট্ৰিক বা তাৰ ওপৰৰ শিক্ষা থকা এক বিৰাট জনসংখ্যা নিবনুৱা অথবা স্বল্প নিয়োগ অৱস্থাত আছে। আনহাতে দেশত কাৰিকৰী প্ৰশিক্ষা নথকা সাধাৰণ বনুৱাৰ প্ৰাচুৰ্য্য আৰু এহাতে ক্ৰমাত বাধিত সাধাৰণ শিক্ষা প্ৰাপ্ত লোক সকলৰ নিবনুৱা অৱস্থাই সমস্যাটোক আৰু বেয়াৰ ফাললৈ ঢাল খুৱাইছে।

দেশত কৰ্মক্ষম লোকৰ সংখ্যা বছৰি ৪০/৫০ লাখৰ হিচাবত বৃদ্ধি হব লাগিছে। সেইক্ষেত্ৰত সংগঠিত খণ্ডত নিয়োগ সৃষ্টি হয় অতিবেচি ৬ লাখ। প্ৰতিটো পৰিকল্পনাতে লক্ষ্য স্থিৰ কৰা হয় আগৰ বাকী থকা নিবনুৱাক সংস্থাপন দি নতুনকৈ সৃষ্টি হোৱা নিবনুৱা খিনিক নিয়োগ কৰাৰ। কিন্তু প্ৰতিটো পৰিকল্পনাৰ অন্তত বাকী পৰি থকা নিবনুৱাৰ সংখ্যা শতকৰা ৭ৰ পৰা ১০ ভাগ হিচাবে বাঢ়িয়েই গৈ আছে।

দ্বিতীয় মহাসমৰৰ পাছত যেতিয়া জাপানৰ অৰ্থনীতি সম্পূৰ্ণ ভাগি গৈ প্ৰবল নিবনুৱা সমস্যাই দেখা দিছিল তেতিয়া জাপানৰ প্ৰতিজন কৰ্মীয়ে ৮/১০ ঘণ্টা কাম কৰাৰ পৰিবৰ্তে প্ৰতিজনে ৪/৫ ঘণ্টাকৈ কাম কৰিবলৈ দিহা কৰি সেই সময়ত দুগুন নিবনুৱা কৰ্মীক সংস্থাপনৰ দিহা কৰিব পাৰিছিল। মজুৰি নীতিয়ে দেশৰ উৎপাদন, নিয়োগ আদিৰ ক্ষেত্ৰত পৰোক্ষভাৱে প্ৰভাৱ পেলাব পাৰে। মজুৰিৰ সমতা ৰক্ষা কৰাৰ কাৰণে বৰ্ত্তমানে বিভিন্ন দেশৰ চৰকাৰে ব্যৱস্থা হাতত লৈছে। কিয়নো উৎপাদনৰ কাম-কাজত যি সকল লোকক নিয়োগ কৰা হয় তেওলোকে শ্ৰমৰ বিনিময়ত বিভিন্ন হাৰৰ মজুৰি পায়। কম হাৰৰ মজুৰিয়ে উৎপাদিত সামগ্ৰীৰ মূল্য কমায় আৰু বিক্ৰীৰ চাহিদা বঢ়ায়। গতিকে এই চাহিদা পূৰাবলৈ উৎপাদন বঢ়াব লাগিব আৰু তাৰ ফলত নিয়োগ সুবিধা বাঢ়িব। মজুৰিৰ হাৰ নিৰ্দ্ধাৰনত আমাৰ দেশত নানা বৈষম্য দেখা যায়। এনে কিছুমান উদ্যোগ আছে যত বনুৱা সকলে নিম্নতম মজুৰিকে নাপায়। এই অৱস্থাৰ অবসান ঘটাবলৈ আইন সংগত ব্যৱস্থা লোৱাও হৈছে। ভাৰত চৰকাৰে ১৯৪৮ চনত নিম্নতম মজুৰি আইন **(Minimum wage Act)** প্ৰনয়ন কৰিছিল। এই আইন সফলভাৱে কৰিব পৰা নাই কিছু ক্ষেত্ৰত। বহুক্ষেত্ৰত এই আইনৰ ধাৰা চতুৰালিৰে আওকান কৰাহে দেখা যায়।

বৰ্ত্তমান নিবনুৱা সমস্যাই আমাৰ শিক্ষানীতিৰ আসোঁৱাহপূৰ্ণ দিশবোৰ স্পষ্ট কৰি তুলিছে। দেশৰ অধিকাংশ কৰ্ম সক্ষম লোক অধুনিক যন্ত্ৰপাতি চলোৱাৰ কাৰিকৰী জ্ঞান নথকাৰ কাৰনে এই লোক সকল উদ্যোগৰ কাৰণে একৰকম অলাগতিয়াল

হৈ পৰিছে। দেশৰ উন্নয়নৰ চাহিদা অনুসাৰে শিক্ষা ব্যৱস্থাৰ যি আমূল পৰিবৰ্ত্তন ঘটিব লাগিছিল সেইটো হৈ নুঠাৰ ফলতে আজি শিক্ষিত লোক সকলৰ মাজতো নিবনুৱা সমস্যা বিস্তাৰিত হৈছে। দেশৰ আওপুৰনি শিক্ষা পদ্ধতিৰ আমূল পৰিবৰ্ত্তন কৰি বৃত্তিমূলক শিক্ষা ব্যৱস্থা (Vocational Education) প্ৰৱৰ্তন কৰাটো অৱশ্যকীয় হৈ পৰিছে।

গাওঁ অঞ্চলত বহু সংখ্যক লোকেই অতিৰিক্তভাৱে কৃষি কাৰ্য্যত লগাৰ ফলত ভূমিৰ ওপৰত জনসংখ্যাৰ চাপ পৰিছে। ফলত কৃষিৰ উৎপাদনৰ হাৰ বঢ়া নাই। ইয়াৰ ফলস্বৰূপে মাথোন নিবনুৱা সমস্যাৰহে সৃষ্টি হৈছে গাওঁ অঞ্চলত মূৰ দাঙি উঠা স্বল্প নাইবা অপূৰ্ণ নিয়োগ ( Under Employment ) সমস্যাৰ সমাধান কৰিবলৈ হলে এনেবোৰ অঞ্চলত কাম কাজৰ আচঁনি নাইবা সৰু বৰ উদ্যোগ স্থাপনৰ দিহা কৰাৰ একান্ত প্ৰয়োজন।

বৃটিছৰ শাসন কালত দৰিদ্ৰতাৰ ভয়াবহতা বুজিব পৰা নহৈছিল। সময়ে সময়ে ঘটি থকা দুৰ্ভিক্ষ আৰু অনাহাৰৰ ঘটনা ৰাজীয়ে অৱশ্যে মানুহৰ মন চুই গৈছিল। মহাত্মা গান্ধীৰ স্বাধীনতা সংগ্ৰামৰ লগে লগে গ্ৰাম্য অৰ্থনীতিত প্ৰথম চকু দিছিল সেই সময়ৰ মহাত্মা গান্ধীৰ প্ৰমুখ্যে স্বাধীনতা সংগ্ৰামী বিজ্ঞপুৰুষ সকলে। যি জীৱনত ন্যূনতম সুবিধা কনৰ পৰা বঞ্চিত, যাৰ বেদনা ক্লিষ্ট জীৱনে নিৰাপত্তা হেৰুৱাই জীৱিকা আৰু বাসস্থানৰ কাৰণে অবিৰাম সংগ্ৰাম কৰি অস্বাস্থ্যকৰ আৰু পুষ্টিহীনতাৰ লগত যুজঁ কৰিব লগীয়া হয়, সেয়ে দৰিদ্ৰতাৰ জীৱন। ইয়াক জুখিবলৈ অৰ্থনীতিবিদ সকলে ১৯৬০ চনৰ মূল্যমান সূচী অনুসৰি জনমূৰি মাহিলি ২০ টকা বা তাৰ তলৰ মূল্য ব্যয় কৰা লোককে দাৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাসকৰা লোক বুলি ধৰে। সেই সময়ত ভাৰতত গাৱঁৰ শতকৰা ৫২ জন লোকেই আৰু চহৰত শতকৰা ৮ জন লোকেই দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰা বুলি ধৰিব পাৰি। এতিয়া ,অৱশ্যে এই সংখ্যা শতকৰা ৩৭ জনলৈ হ্ৰাস হৈছেহি। দেশত অধিকতৰ বনুৱা খটুৱাব পৰা উদ্যোগ আদিৰ স্থাপন আলাকৰা মতে স্থাপিত হোৱা নাই। অধিক পৰিমানে বনুৱাৰ নিয়োগ সুবিধা বঢ়াবলৈ কুটীৰ শিল্প নাইবা ক্ষুদ্ৰ উদ্যোবোৰহে বেচি সহায়ক বুলিব পাৰি। পিছে আমাৰ দেশত এইধৰনৰ শিল্প সমূহৰ বিকাশ হোৱা নাই। বৰঞ্চ গাৱেঁ ভূঞেঁ থকা এনেবোৰ শিল্পৰ লুপ্ত প্ৰায় হৈছে গাওঁ অঞ্চলত এনেবোৰ উদ্যোগ গা কৰি উঠিছে নিৱনুৱা সমস্যাৰ প্ৰকোপ কিছু পৰিমান কমিব বুলি আশা কৰিব পাৰি।

নিবনুৱা সমস্যাটো বৰ্ত্তমানে চৌদিশে

ভয়াবহ সমস্যাৰ ৰূপ লৈ উঠিছে আৰু সেয়ে ইয়াক সমাধান কৰিবলৈ সৰ্বাত্মক প্ৰচেষ্টাৰ প্ৰয়োজন। চৰকাৰৰ নিয়োগ নীতিত কেতবোৰ খুঁত নথকা নহয়। সেই বুলি চৰকাৰী নীতিৰ ওপৰতে আলাপ আলোচনা কৰি দোষ জাপি থাকিলে সমস্যাৰ সমাধান নহব। এই কথা নিঃসন্দেহে সচাঁ যে চৰকাৰে নিয়োগৰ সা-সুবিধা বঢ়াব পৰা উদ্যোগৰ সম্প্ৰসাৰণ নগৰে চহৰে গাঁৱে ভূঁঞে বিভিন্ন দিশত কৰিব লাগিব। আনহাতে জনসংখ্যা বৃদ্ধিৰ হাৰ হ্ৰাস কৰি দেশৰ জনসাধাৰনে ভবিষ্যতৰ কাম কাজৰ চাহিদা বহু পৰিমানে কমাব পাৰে। এই কথাও উল্লেখ কৰিব লাগিব যে সম্প্ৰতি নিয়োগ পৰিস্থিতি যি ধৰনে জটিল হৈ পৰিছে তাক সমাধান কৰাটো স্বল্পম্যাদী ব্যৱস্থাৰে সম্ভৱপৰ নহয়। এইক্ষেত্ৰত অৰ্থনীতি বিদ সকলে চৰকাৰৰ লগত আলোচনাৰ মাধ্যমেৰে একমত হৈ দূৰ ভবিষ্যতৰ কথা মনত ৰাখি কেতবোৰ দীৰ্ঘম্যাদী ব্যৱস্থাৰ আচঁনি হাতত ললে এই ভয়াবহ নিবনুৱা সমস্যা অহাৰ ভবিষ্যতত সমাধান হব বুলি আশা কৰিব পাৰি।



ক্ষমা প্ৰাৰ্থনা :—

বিভিন্ন বিভাগৰ সম্পাদক সকলৰ পৰা তেওঁলোকৰ বাৰ্ষিক প্ৰতিবেদন সমূহ বাৰম্বাৰ অনুৰোধ কৰা স্বত্বেও নোপোৱাত, যি দুই, তিনিখন প্ৰতিবেদন পাইছিলো তাকে প্ৰকাশ কৰিলো। কিন্তু আটাইকেইখন প্ৰতিবেদন প্ৰকাশ কৰিব নোৱাৰাত আমি দুঃখিত।

সম্পাদক

# সংগীত সূৰ্য্য ডঃ ভূপেন হাজৰিকা

শ্ৰীশিৱ ছেত্ৰী
স্নাতক ২য় বৰ্ষ

"সাগৰ সঙ্গমত কতনা সাঁতুৰিলোঁ
তথাপি হোৱা নাই ক্লান্ত........."

সাগৰ সঙ্গমত সাঁতুৰি সাঁতুৰিও অক্লান্ত এই জনা বহুমুখী প্ৰতিভাধৰ গায়ক গীতিকাৰ, অলোচনী সম্পাদক, লিখক, চলচিত্ৰ পৰিচালক, সংগীত পৰিচালক, অভিনেতা, একালৰ বিধান সভাৰ সদস্য ডাঃ ভূপেন হাজৰিকা নামেই যাৰ পৰিচয়। এই প্ৰবন্ধত সেই মহান শিল্পীজনাৰ বিৰাত প্ৰতিভাৰ এটি ক্ষুদ্ৰ পৰিচয় দিবলৈ আগ বাঢ়িছো।

১৯২৬ চন অসমৰ সঙ্গীত ইতিহাসৰ এটি গৌৰবোজ্বল বছৰ। সেই বছৰৰে ভাদ্ৰমাহত অসমৰ পূৱ প্ৰান্তৰৰ শদিয়া চহৰৰ ওচৰৰ এখনি অঁকা গৰত জন্ম হয় এটি শিশু। তেওঁৰ পিতাৰ নাম ৺ নীল কান্ত হাজৰিকা আৰু মাতৃৰ নাম সঙ্গীতজ্ঞ অৰবিন্দ দাসৰ ভনী ৺ শান্তি প্ৰিয়া হাজৰিকা। এই সঙ্গীতজ্ঞ (অৰবিন্দ) ক সেই শিশুটিৰ দেখাৰ সোভাগ্য নহল। যদিও শিশুটিৰ গাত ক্ৰমাগত ভাবে পৰিস্কুট হৈছিল সঙ্গীতজ্ঞ অৰবিন্দৰ স্বভাৱ। তেওঁৰ এই স্বাভাৱৰ বাবে সকলোৰে অন্তৰ ৰঙাই তুলিছিল। সেই শিশুটি পূনাঙ্গ ৰূপত বিশ্বৰ দৰবাৰত আজি উপস্থিত হৈছে বৰন্য ব্যক্তি ডঃ ভূপেন হাজৰিকা হৈ।

ডঃ হাজৰিকাৰ পিতৃৰে অসমৰ বিভিন্ন ঠাইত চাকৰি কৰিছিল কাৰণে তেওঁ লৰালিতে অসম মাতৃক ইমূৰৰ পৰা সিমূৰলৈ দৰ্শন কৰিব পাৰিছিল। তেওঁ তেজপুৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰিক্ষা পাচ কৰে ১৯৪০ চনত। কটন কলেজৰ পৰা ইণ্টাৰমেডিয়েত পৰীক্ষা পাচ কৰে ১৯৪২ চনত।

বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ৰ পৰা স্নাতক পৰীক্ষা পাচ কৰে ১৯৪৪ চনত।

বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ৰ পৰা "ৰাজনীতি বিজ্ঞানৰ" স্নাতকোত্তৰ পাচ কৰে ১৯৪৬ চনত।

আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ৰ

পৰা "শিক্ষা বিজ্ঞানত" স্নাতকোত্তৰ ১৯৫০ চনত আৰু তেওঁ কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা Rote of Mass Communication in Indias Adult Education" ত পি. এইচ ডি ( P H D ) উপাধি লাভ কৰে ১৯৫২ চনত।

ডঃ হাজৰিকাই নিজ ঘৰত জন্মৰ পৰায় সংগীত যি উৎসাহ আৰু প্ৰেৰনা পাইছিল, তেনেকৈ তেওঁ পাইছিল মহান ব্যক্তি কেই গৰাকী মানৰ সান্নিধ্য। যি সকল ব্যক্তিৰ নাম নকলে তেখেত সকলক উপেক্ষা কৰা হব। সেই সকল আছিল, "সাহিত্য ৰথী" "ৰূপকোঁৱৰ" আৰু "কলা গুৰু"। গতিকে তেওঁ জীৱনৰ শৈশৱতে ভবিষ্যতে কি কৰিব পাৰিব তাক স্থিৰ কৰিব পাৰিছিল। আৰু তেওঁ বাচি লৈছিল সঙ্গীত জগতক প্ৰধানত। তেওঁ ষষ্ঠ শ্ৰেনীতে জীৱনৰ প্ৰথম গীত লেখে আৰু গায়। সেই তেতিয়াৰ পৰা তেওঁ ক্ৰমাগত ভাৱে অকুণ্ঠ ভাৱে বিলাই দিছে লুইতৰ বুকুৰেদি অনিৰুদ্ধ ভাৱে গীতৰ শৰাই। "যিমানেই বিলাই দিবা সিমানেই মহান হবা" বুলি অসমৰ সংস্কৃতিৰ ধ্বজা উৰুৱাই এইজন সুৰকাৰ, গীতিকাৰ, গায়ক যাযাবৰী জীৱন লৈ কোন বাটে বা আগবাঢ়ে — এই আগবঢ়া বাট — সংস্কৃতিৰ। জীৱনৰ প্ৰিয়তম ৬৪ বছৰ অগ্ৰগামী হওঁতে কতযে আঘাট, সংঘাট, তথাপি সমূহ আঘাটকে আশীৰ্বাদ বুলি ধন্য হৈ লক্ষক ধিয়াই আজিও গৈ আছে আৰু গৈ থাকিব।

ডঃ হাজৰিকাই প্ৰথম সুৰ দিয়া গীতটি 'আছিল অ মইনা কেতিয়া আহিলি তই.......'। গীতৰ ৰচক তেখেতৰ পিতৃ ৺নীলকান্ত হাজৰিকা। পিছত তেখেতৰ ভগ্নী শ্ৰীমতী কুইন হাজৰিকাই ( সুদক্ষীনা শৰ্ম্মা ) বিষ্ণু ৰাভাৰ পৰিচালনাত ৰেকর্ড কৰে। ডঃ হাজৰিকাৰ প্ৰথম ৰেকৰ্দ খনৰ গীত দুটি হল (১) কাৰতে কলছি লৈ যায় ঐ ৰচকি বাই' (২) "উলাহেৰে নাচি বাগী হলী ব্যাকুল"। ইন্দ্ৰমালতীত জ্যোতি প্ৰসাদৰ পৰিচালনাত ডঃ হাজৰিকাই কণ্ঠদান কৰিছিল। এইয়াই তেখেতৰ বোলছবি জগতত পদাৰ্পন। ডঃ ভূপেন হাজাৰিকাই প্ৰথম স্বৰচিত গীতেৰে আত্ম প্ৰকাশ কৰে 'চিৰাজ' বোলছবিত। গীতটি আছিল " অগ্নি যুগৰ ফিৰিঙতে মই, নতুন অসম গঢ়িম ..........ইয়াৰ পিছত ডঃ হাজৰিকাই পিছলৈ উভতি চাবলগা হোৱা নাই। "সাগৰ সংগমত" " মানুহে মানুহৰ বাবে " " ঐ মিচিং ডেকাটি " " বুকু হম হম কৰে, " " মহা বাহু ব্ৰহ্মপুত্ৰ আদি অসংখ্য মনোমোহা গীতেৰে ডঃ হাজৰিকাই অসম, ভাৰত তথা বিশ্বৰ সুন্দৰ প্ৰেমী সকলৰ অন্তৰত এক সুকীয়া স্থান অধিকাৰ কৰি লৈছে ডঃ হাজৰিকাই অসংখ্য বোল ছবিত কণ্ঠদান, পৰিচালনা, আৰু সংগীত পৰিচালনা কৰিছে। তেখেতে পৰিচালনা কৰা বোলছবিৰ ভিতৰত উল্লেখ যোগ্য কেইখনমান হল " এৰা বাটৰ সুৰ " " লটিঘটি ", " মাহুত বন্ধুৰে (বঙালী) " শকুন্তলা ", " প্ৰতিধ্বনি " " চিক মিক বিজুলী ", আৰু শেহতীয়াকৈ 'মিৰি জীয়ৰী'

ডঃ হাজৰিকায়ে সংগীত পৰিচালনা কৰা অসংখ্য বোল ছবিৰ ভিতৰত উল্লেখযোগ্য কেইখন মান হল 'চিৰাজ' এৰা বাটৰ সুৰ, 'মনিমান দেৱান,' 'চিক্ মিক্ বিজুলী,' চামেলি মেম চাব" 'পলাসৰ ৰং," 'বনজুই' 'মা' "অপৰূপা," 'আৰোপ (হিন্দী),' মিৰি জীয়ৰী আদি। "চামেলি মেম চাবৰ" মধুৰ সংগীত পৰিচালনাৰ বাবে তেখেতে ভাৰতৰ ১৯৭৬ চনত শ্ৰেষ্ঠ সংগীত পৰিচালক বটা লাভ কৰি নিজৰ লগতে অসমৰ নাম উজ্জ্বল কৰে। তাৰ উপৰি ৭৭ চনত পশ্চিম বংগত বাংলা চলচ্চিত্ৰ পুৰস্কাৰ সমীতিয়ে ডঃ হাজৰিকাক "দম্পতি" নামৰ ছবিখনৰ বাবে আৰু বাংলাদেশ ফ্লিম ইণ্ডষ্ট্ৰীয়ে "সীমানা পেৰিয়ে" নামৰ বাংলা ছবিৰ বাবে শ্ৰেষ্ঠ সংগীত পৰিচালক ৰূপে সন্মানিত কৰে। আৰু ১৯৭৭ চনত ডঃ ভূপেন হাজৰিকাই ভাৰত চৰকাৰৰ দ্বাৰা 'পদ্মশ্ৰী' উপাধি লাভ কৰে। ইয়াৰ উপৰি ডঃ হাজৰিকাই বিভিন্ন সময়ত বিভিন্ন দেশ আৰু অনুষ্ঠান প্ৰতিষ্ঠানৰ পৰা বিভিন্ন বিষয়ত সন্মান ও বটাই লাভ কৰিছে।

সংবাদ পত্ৰ জগততো ডঃ হাজৰিকাৰ এক স্বকিয়া স্থান আছে। তেওঁ সম্পাদনা কৰা প্ৰথম কাকত খন হল ইংৰাজী ভাষাত "নিউ ইণ্ডিয়া' (নিউইয়ৰ্কৰ পৰা প্ৰকাশ পোৱা) ইয়াৰ উপৰি গতি, বিন্দু, আমাৰ প্ৰতিনিধি আদি আলোচনী ডঃ হাজৰিকাই সম্পাদনা কৰিছিল। বৰ্ত্তমান তেখেতে "প্ৰতিধ্বনি" আলোচনীৰ সম্পাদক। ডঃ হাজৰিকাই ৰচিত অসংখ্য গীতৰ উপৰিও বহুতো মূল্যবান প্ৰবন্ধ গল্প আদি বিভিন্ন ঠাইত সিচৰিত হৈ আছে। এই বোৰে তেখেতক লেখক হিচাপে এক স্বকীয়া পৰিচয় ডাঙি ধৰে।

অলপতে ১৯৮৭ চনৰ জানুৱাৰী মাহত গুৱাহাটীত ডঃ ভূপেন হাজৰিকাৰ শিল্পি জীৱনৰ সোনালী জয়ন্তী পালন কৰা হয়। সেই সমাৰোহত ডঃ হাজৰিকাই দিয়া ব্যক্তব্যৰে আলোচনা সামৰনি মাৰিছো।

"…. কোনোবাই যদি এটা বিষয়ত মন প্ৰান দি লাগি থাকে, তেতিয়া কোনোবা এদিন স্বীকৃতি পায়েই। ৰাইজে স্বীকৃতি দিয়ে। … ……মই সদায় গান গাই থাকোঁ। সদায় গান গায়েই আহিছোঁ … … সাধৰণ মানুহৰ কথা সুৰেৰে সৃষ্টি কৰিবলৈ চেষ্টা কৰিছোঁ তাৰ পাছত আৰু উন্নতি চাব হোৱা নাই। মই গান গায়েই আছোঁ। কিয় গাইছোঁ ? মোৰ গীতৰ হাজাৰ শ্ৰোতা বাঢ়ি গৈছে কাৰনে। ……মই সোনকালে নমৰোঁ। যি কেইটা দিন বাচি থাকিম গান লিখি যাম। ……… ভাইভনী গীতিকাৰ সকল, তোমালোকে হৃদয় স্পৰ্শ কৰা গীত লিখা। মানুহক বুজি, মানুহৰ মনৰ কথা সৰু সৰু গীতেৰে সজাই পৰিবেশন কৰিলে এটা জাতিক ভবাই তুলিব পাৰিবা। …….. ভৰলুমুখত (মোক) এটা

সোনৰ বাঁহী দিছে..........সেই সোনৰ কাৰণে কলিকতাত থকা নাই। এতিয়া নিজৰা পাৰত সোমাই থাকি অকলে অকলে বাঁহীটো বজাই থাকিলে পৃথিৱীখনকো নাপাম আৰু পৃথিৱীয়েও মোক নাপাব। মই যতে নাথাকো কিয় মই অসমৰ মাটিৰ সংস্কৃতিক সম্মান কৰি যিকন জানো ধুই পথালি সৃষ্টি কৰি তাকে পৃথিবীক দি ফুৰিছোঁ। মোৰ গীত কেইটা অসমৰ সংস্কৃতিৰ এটা প্ৰতীক বুলি ভাবি মই চাৰিওফালে ঘূৰি ফুৰিছোঁ।

শেষত এইজনা মহান শিল্পীৰ দীৰ্ঘ কৰ্মময় জীৱন কামনা কৰি প্ৰবন্ধৰ সামৰণি মাৰিছো।


সংগীত সূৰ্য্য ভূপেন হাজৰিকাৰ প্ৰবন্ধৰ সহায়ক পুথি সমূহ—

১) ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ - ডঃ দিলীপ দত্ত।

২) কলাৰত্ন ভূপেন হাজৰিকা - ৰতিমোহন নাথ।

৩) ভূপেন হাজৰিকা সংখ্যা “শিল্পীৰ পৃথিৱী”

৪) প্ৰান্তিকৰ এটি সংখ্যা।




# “বেদনা”

শ্ৰীযোগেন চেতিয়া
স্নাতক মহলা
১ম বাৰ্ষিকী

বেদনা —

এক বিষাক্ত বেদনা। এক আচৰিত বেদনাৰ বিহ্বলতা। কিমান যে বেদনাৰ যন্ত্ৰনা কিয়নো মই মানসিক কষ্ট নোপোৱা হলে, সেই বেদনাত বিহ্বলতা নোহোৱা হলে, এক মুহূৰ্ত্ত নবৈ মই কব পাৰিলোহেঁতেন বহু কথা। যি কথাৰ বেদনাত ইমান দিনে মই মোৰ সমস্ত মানসিক সুখ, শান্তি হেৰুৱাই কোনো বিয়োগান্ত নাটৰ নায়কৰ দৰে গুজৰি গুমৰি কান্দি আছো নিশ্চুপে একান্ত নিৰলে। মই বিয়োগান্ত নাটক থিয়েটাৰ চাই ভাল পালেও নিজৰ জীৱনটো কেতিয়াও বিয়োগান্ত নাটৰ নায়কৰ দৰে হোৱাটো বিচৰা নাছিলো। মই জানো বাহিৰৰ পৰা সকলোৱে মোক সুখী বুলি ভাবে। সীমাহীন দুখবোৰে মোৰ সৰু কলিজা খনৰ ক'ত ক'ত যে ফুটা কৰিছে, যেন বন্দুকৰ গুলি হে বৰষিছে। সমস্ত সেই দুখবোৰে মোৰ হৃদয়ৰ মনি কোঠাত অজানিতে কিমান প্ৰবল বিজুলি, গাজনিৰ সৃষ্টি কৰিছে কোনেও নাজানে, নুবুজে। কিয়নো মোৰ দুখ বোৰ, বিষাক্ত বেদনাবোৰ মোৰ একান্ত নিজা বুলি ভাৱি মই ইমান দিনে কাকো জনোৱা নাছিলো মোৰ দুখ ক'ত। বেদনা কিয় ? এক আদৰ্শৱান নায়কৰ দৰে মাথো পাৰো মানে মই মোৰ এই দুখ বোৰ সংগোপনে লুকুৱাই হাঁহি মাতি থাকো। এই ক্ষেত্ৰত মই কৃতকাৰ্য্য হওঁ যদিও কেতিয়াবা কেতিয়াবা মোৰ হাঁহি বোৰ কান্দোনৰ সুৰত ওলাই নিজৰ কানতে ধৰা দিয়ে। তেতিয়া মোৰ এনে অনুভৱ হয় যেন কিবা এক অদৃশ্য শক্তিয়ে মোৰ সমস্ত চেতনাক পংগু কৰি পেলাইছে আৰু মই যেন প্ৰয়োজনতকৈ বেছি ধৰনে বোবা হৈ গৈছো। মুখ মেলিলে কিবা যন্ত্ৰনা পোৱাৰ ভয় অনৱৰতে অনুভৱ কৰিছো।

কেৱল ভয় নহয় ক্ষোভে আছে।

আছে এজনী ছোৱালীৰ ওপৰত মোৰ ক্ষোভ, যি মোক মানসিক শান্তি দিছে। সেয়ে মই কেতিয়াবা কেতিয়াবা ভাবো তাইৰ মুখনত চেকা লগোৱাৰ। কিন্তু মই এই কাম কৰিব নোৱাৰো। কিয় নোৱাৰো মই নাজানো যেনে দৰে নাজানো বহু কথা, বহু প্ৰশ্ন, কাৰোবাৰ মনৰ কথা।' বিশেষকৈ ছোৱালীৰ মনৰ কথা সিহঁতৰ মনৰ বিচিত্ৰ গতি প্ৰকৃতিৰ কথা মই নাজানো। সিহঁতৰ অন্তৰৰ কোনখিনিত কেনে দৰে প্ৰেমৰ নামৰ সেই আচৰিত বস্তুটো লুকাই থাকে তাকো নেজানো। এই নজনাৰ ফলতেই কবলৈ গ'লে আজি মানসিক অশান্তিত মই ক্ষত বিক্ষত। মানসিক ভাৱে মই আজি বহুত পৰিশ্ৰান্ত। জীৱন উপকূলত অসহনীয় ভাৱে নিসঙ্গ অকল শৰীয়া।

অঞ্জুক কেন্দ্ৰ কৰি মই এদিন পৃথিবীখন ধুনীয়া দেখিছিলো। তাইক কেন্দ্ৰ কৰি জীৱনটোক বসন্ত কালৰ দৰে, মোৰ বাইশ বছৰীয়া যৌৱনটোক ফলে-ফুলে জাতিস্কাৰ কৰিব বিচাৰিছিলো। তাইক কেন্দ্ৰ কৰি মই মধুৰ কল্পনা ৰচনা কৰিছিলো। কিন্তু এদিন যেতিয়া তাই হঠাৎ মোৰ বাইশ বছৰীয়া যৌৱনলৈ শীত নমাই আনি মোৰ মধুৰ কল্পনা ভাঙি-চিঙি থান বান কৰি আতৰি গৈছিল, সেই দিনা ভাবিছিলো ছোৱালী বিলাকে এনেকৈয়ে পুৰুষৰ জীৱনলৈ দুৰ্ভাগ্য নমাই আনে। সেয়ে ভাবিছো ভৱিষ্যত জীৱনত যদি অঞ্জুক মোৰ সন্মুখত এদিন পাওঁ তেতিয়া মাত্ৰ সুধিম "মোৰ জীৱনটোৰ লগত এনেদৰে লৰা ধেমালী খেলিবলৈ তুমি কেনেকৈ সাহস পালা ? কম যে এতিয়া তুমি কি সাহসত মোৰ আগত থিয় দিছা ? কি বিচাৰি মোৰ ওচৰলৈ আহিছা ? তুমিয়েই জানো এদিন মিঠা মিঠা কথাৰে মোৰ জীৱনলৈ বহু ৰঙীন প্ৰতিশ্ৰুতি আনিম বুলি কোৱা নাছিলা ? আৰু এতিয়া ! যিদিনা মোক প্ৰতাৰনা কৰি আতৰি গৈছিলা সেই দিনা জানো মোৰ কথা ভাবিছিলা ? নাই ভৱা ! নাই ভৱা কাৰণেইতো তুমি গুচি গৈছিলা। কিন্তু— — — —কিন্তু সেই দিনা মই ভাবিছিলো। ভাৱিবলৈ মোক বাধ্য কৰাইছিল। কাৰণ মই মোৰ জীৱনটোতকৈ তোমাক বেছি ভাল পাইছিলো। কিন্তু তুমি সেই পবিত্ৰ ভালপোৱাৰ মূল্য দিব নাজানিলা ! নাজানিলা নহয় দিবলৈ চেষ্টা নকৰিলা ! তুমি টকাৰ লোভত পবিত্ৰ ভাল পোৱাক অপমানে কৰি আতৰি যোৱা নাছিলানে ? সেয়ে মই কওঁ তুমি এতিয়াও আতৰি যোৱা। এই কথা কেইটাকে মই মোৰ অন্তৰত পুহি ৰাখিছো। মোৰ বিশ্বাস এনে এটা দিন নিশ্চয় আহিব। সচাঁকৈ কবলৈ গ'লে নিষ্ঠুৰ ভাৱে মোৰ সমগ্ৰ পুৰুষ সত্বাক মোৰ যৌৱনৰ আহ্বানক সম্পুৰ্ন অস্বীকাৰ কৰি, মোৰ সৰু হৃদয়ৰ সচাঁ কোমলতাখিনিক উপলব্ধি কৰি

এদিন স্বইচ্ছাই অশ্রু আতৰি গৈছিল। এই মধুৰ কল্পনা ভংগৰ কৰুন বেদনা মই কেনে দৰে সহ্য কৰিম তাই এবাৰো ভৰা নাছিল। মোক সোধাৰ প্ৰয়োজন বোধ কৰা নাছিল। সেই বোৰ বহু কথা কবলৈ গ'লে সৰু এখন ৰামায়ণ হব। এই বোৰ বৰ দুখৰ কথা। এই বোৰ কথা হৃদয়ৰ মনিকোঠাৰ দুৱাৰ খুলি বুটলি আনি জুখি চোৱাত কোনো অনাবিল আনন্দ পোৱা নাযায়। পৰিবৰ্ত্তে পোৱা যায় সীমাহীন বেদনাহে। সেয়ে প্ৰয়োজন নহলে এইবোৰ কথা কাকো ব্যক্ত নকৰো বুলি এদিন মনতে থিৰাং কৰিছিলো। দুখ, বেদনা আৰু মধুৰ কল্পনা ভঙ্গৰ কৰুণ ইতিহাস নিজেই মুৰপাতি লৈ কেৱল আশাৰে বাত চাই আছো সেই দিনলৈ।।।



# দেশ প্ৰেম

পৰম ঐশ্বৰ্য আৰু সৌন্দৰ্যময় লংকা নগৰীলৈ আঙুলিয়াই দি শ্ৰীৰাম চন্দ্ৰই লক্ষণক কৈছিল 'বুজিছা লক্ষণ, সোনৰ লংকাপুৰীৰ এই ঐশ্বৰ্য, এই সৌন্দৰ্যয়ো মোক মুৰুচা হৈছে। মোৰ মন জন্মভূমিৰ ওচৰলৈ উৰি যাওঁ উৰি যাওঁ লগাইছে। কিয়নো জননী আৰু জন্মভূমি স্বৰগতকৈও অধিক'— 'ইয়ং স্বৰ্ণপুৰী লঙ্কা ন ৰোচতে মে লক্ষণ— জনীন জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী।' ইয়াকেই বোলে দেশ-প্ৰেম, অৰ্থাৎ নিজৰ জন্মভূমিক সৰ্বাতকৈ শ্ৰেষ্ঠ মানি ভাল পোৱাই দেশ প্ৰেম। প্ৰকৃত দেশ প্ৰেমিকৰ মানত দেশতকৈ ডাঙৰ একোৰে নাই। দেশ ৰক্ষাৰ কামত গাফিলতি কৰাৰ কাৰণেই লাচিতে মোমায়েকক কাটিছিল—যি ঘটনাৰ পৰা "দেশতকৈ মোমাই ডাঙৰ নহয়" এই অসমীয়া প্ৰবচন কাঁকিৰ প্ৰচলন হৈছে।

যুগে যুগে মানুহে, জন্মভূমি বা স্বদেশৰ স্বাধীনতাৰ হকে ধন-মান আনকি জীৱন পৰ্যন্ত বিসৰ্জন দি আহিছে। দেশ শত্ৰুৰ কৰতলত পৰিলেও, দেহ শত্ৰুৰ হাতত বন্দী হলেও দেশ-প্ৰেমিকৰ মন পৰাজিত নহয়। দিগ্বিজয়ী বীৰ আলেকজেণ্ডাৰৰ হাতত পৰাস্ত হৈ পুৰু বন্দী হৈছিল। বন্দী পুৰুক সমুখলৈ অনাই আলেকজেণ্ডাৰে যেতিয়া সুধিলে, 'পুৰু, তুমি মোৰ পৰা কেনে ব্যৱহাৰ আশা কৰা'— পুৰুৱে তেতিয়া বীৰোচিত উত্তৰ দিছিল, "এজন স্বাধীন ৰজাই আন এজন স্বাধীন ৰজাৰ পৰা, এজন বীৰ আন এজন বীৰৰ পৰা যেনে ব্যৱহাৰ পোৱা উচিত সয়ো তোমাৰ পৰা তেনে ব্যৱহাৰকে আশা কৰোঁ।" দেহ বন্দী হলেও মন বন্দী নোহোৱাৰ কাৰনেই পুৰুৱে এনেকৈ উত্তৰ দিব পাৰিছিল।

ফৰাচী কুৰক কন্যা যোৱান ডাৰ্কে স্বদেশ উদ্ধাৰাৰ্থে নানান বিপদ বিঘিনি নেওচিও শত্ৰুৰ বিৰোদ্ধে যুদ্ধ কৰি আত্মহুতি দিছিল।

ৰাণা প্ৰতাপ, শিৱাজী আদিৰ দেশ-প্ৰেম অতুলনীয়। নানা চাহেব, লক্ষ্মীবাই আদিয়ে স্বদেশৰ স্বাধীনতাৰ কাৰনে বুটিছৰ

লগত যুদ্ধ কৰিছিল। আমাৰ অসমৰ মনিৰাম, পিয়লি ফুকন আদিয়ে স্বদেশৰ স্বাধীনতাৰ হকে ফাঁচী খাবলগীয়া হৈছিল। সৌ সিদিনা ৪২ ৰ গন আন্দোলনত কুশল কোঁৱৰ, কনকলতা, ভোগেশ্বৰী, তিলক ডেকা, ঠগীৰাম সুত, ৰাউতা মদন আদিয়ে ছহিদ হয়।

দেশ-প্ৰেম এটা মহৎ গুন। দেশবাসীৰ মনত জাগ্ৰত দেশ-প্ৰেম থাকিলেহে দেশ প্ৰগতিৰ পথত আগবাঢ়িব পাৰে। দেশ-প্ৰেমিকে ব্যক্তিগত স্বাৰ্থতকৈ দেশৰ স্বাৰ্থকহে সদায় আগ কৰে। সম্ৰাট জাহাঙ্গীৰৰ জীয়েকক চিকিৎসা কৰি ভাল কৰা ইংৰাজ ডাক্তৰজনে তেওঁৰ সেৱাৰ বিনিময়ত হুগলীত ইংৰাজৰ অবাধ বানিজ্য বিস্তাৰৰ অনুমতি বিচৰাৰ কাৰনেহে ইংৰাজে ভাৰতত সাম্ৰাজ্য স্থাপন কৰিবলৈ পাৰিছিল। দেশ-প্ৰেমিক সকলে স্বদেশ বিদেশ সকলোতে সন্মান পায়, কিয়নো, দেশ-প্ৰেমিকৰ ত্যাগৰ আদৰ্শৰ দ্বাৰা সকলো দেশৰ সকলো মানুহ উদ্বুদ্ধ হয়। সেয়েহে প্ৰত্যেক দেশেই দেশ-প্ৰেমিক সকলৰ স্মৃতি যাউতি যুগীয়া কৰি ৰাখিবলৈ চেষ্টা কৰে। দেশ-প্ৰেমিকৰ ত্যাগ কাব্য-নাটকৰো এবিধ প্ৰধান উপাদান। দেশে দেশে যুগে যুগে কবি সাহিত্যিক সকলে দেশ প্ৰেমিকসকলক শ্ৰদ্ধা জনোৱাৰ লগতে দেশ-প্ৰেমৰ আদৰ্শকো মহত্ব দান কৰি আহিছে। আমাৰ কবিয়েও গাইছে—স্বদেশৰ স্বাধীনতা, তাৰ অৰ্থ যিটো, জীৱন উৎসৰ্গ কৰি মৰে সমৰত, মৃত্যু হয় তাৰ শান্তি। —"আকৌ যাৰ অন্তৰত স্বদেশ-প্ৰেম নাই, তেনে লোকক নিন্দা কৰি এগৰাকী ইংৰাজ কবিয়ে কৈছে বোলে নিজৰ দেশক ভাল পোৱা বুলি এবাৰো নোকোৱা এনে মানুহো জানো পৃথিৱীত জন্ম ধৰে? এনে লোকৰ জন্ম মিছা।'

অন্তৰত দেশ প্ৰেম নথকা মানুহ নাই বুলি কই পাৰি যদিও ভুৱা দেশ প্ৰেমিকো নোহোৱা নহয়। মানুহৰ স্বভাৱ বিচিত্ৰ। মানুহৰ মাজতে দেৱোপম চৰিত্ৰৰ লোকো আছে আৰু মানুহৰ মাজতে পিশাচৰ দৰে প্ৰানীও আছে। কিছুমানে নিজৰ সুবিধাৰ কাৰনেও দেশ-প্ৰেমিকৰ ভাও লোৱা দেখা যায়। এনে লোকৰ মুখা খোল খাবলৈও অৱশ্যে সৰহ দিন নালাগে। এনে লোক নিন্দাৰ পাত্ৰ। কোনো নীচ লোকে আকৌ নিজৰ নীচ স্বাৰ্থ সিদ্ধিৰ কাৰনে স্বদেশলৈ শত্ৰু মাতি আনি সৰ্বনাশ কৰিবলৈও কুণ্ঠিত নহয়। এনে লোকৰ কুখ্যাতি কাললৈ বৈ যায়। বদনে মান আনি দেশৰ সৰ্বনাশ কৰা কাৰনে আজিও মানুহৰ মুখত শুনা যায়—'কেলেই আনিলি মানে ঐ বদন তই, কেলেই আনিলি মান। যাউতি যুগলৈ খিয়াতি ৰাখিলি, কটালি অসমৰ নাম।' আনহাতে মোমায়েকক কাটিও লাচিত বৰেণ্য হৈ আছে।

'সবমত্যন্তং গৰ্হিতম'— অতিমাত্ৰা সকলোৰে বেয়া। অতিমাত্ৰা অন্ধ দেশ প্ৰেমো ভাল নহয়। দেশ প্ৰেম মহৎ; কিন্তু বিশ্ব প্ৰেম মহত্তম। 'স্বদেশ প্ৰেম স্বাধীনতাৰ শত্ৰু' বুলি এষাৰ কথা আছে। আপাত বিৰোধী এই কথাষাৰ কিন্তু বেছ তাৎপৰ্য-পূৰ্ণ। উৎকট দেশ প্ৰেমে কেতিয়াবা আন দেশৰ স্বাধীনতা খৰ্ব কৰি সাম্ৰাজ্যবাদ বিস্তাৰৰ কাৰণে প্ৰৱনতা জন্মায়। দৰাচলতে ই দেশ প্ৰেম নহয়। যি নিজকহে কেৱল ভাল পায়, সি স্বাৰ্থপৰ; যি আনক ভাল পায় সিয়েহে প্ৰকৃত প্ৰেমিক। সেইদৰে প্ৰকৃত দেশ-প্ৰেমিকেও নিজৰ দেশৰ স্বাধী-নতাক যেনেকৈ মূল্য দিয়ে, আন দেশৰ স্বাধীনতাকো তেনেকৈয়ে মূল্য দিয়ে। মহামতি আব্ৰাহাম লিংকনে কৈছিল—"As I would not be a slave, so I would not be a master"—"দাস হ'বলৈ মই যিহেতু নোখোজোঁ, প্ৰভূ হোৱাৰ অভিলাষো মোৰ নাই।" এয়াই প্ৰকৃত স্বাধীন আৰু যথাৰ্থ দেশ প্ৰেমিকৰ উক্তি।

শ্ৰীবিক্ৰম গগৈ
ডি, এইচ, এচ, কমাৰ্চ কলেজ
স্নাতক মহলাৰ ২য় বাৰ্ষিক
১৯৮৭



# "প্ৰাসঙ্গিক চিন্তা"

শ্ৰীদিলীপ জয়ছোৱাল
স্নাতক ২য় বাৰ্ষিক

ঢোলৰ মাত শুনি হঠাৎ গিৰিধৰ বৰুৱাই কাষৰ অলিৰ ফালে চালে । এয়া আজি বহাগ মাহ শেষ হওঁ হওঁ । গাঁৱৰে গিৰিধৰ বৰুৱা এজন গণ্যমান্য ব্যক্তি আৰু গাঁৱৰ সকলো ৰাইজৰে গাওঁবুঢ়া । গিৰিধৰ বৰুৱা যদিও ৰাইজৰ গাওঁবুঢ়া তথাপিও তেওঁ বৰ ধনী নহয়, মাত্ৰ খেতি দুডৰা মান আছে, তাৰে কোনোমতে বছৰটি খাবলৈ জুৰে । গিৰিধৰ বৰুৱাৰ জন্ম এইখন গাঁৱতে সৰু কালৰে পৰা এইখন গাঁৱতে থাকিল । সেয়েহে তেওঁ ভাল পায় নিজৰ গাঁওখনিক আৰু সেই গাঁৱৰ সকলো দুখীয়া ৰাইজক । আজি তেওঁৰ বয়স প্ৰায় তিনিকুৰিৰ ওপৰা ওচৰিয়েই হ'ল । কেতিয়াবা তেওঁৰ চিন্তা হয় নবীনক লৈ । নবীন তেওঁৰ একমাত্ৰ সন্তান । জন্মৰ দুবছৰ নৌহওঁতেই নবীনৰ মাক ঢুকাল । গতিকে গিৰিধৰ বৰুৱাই নবীনক তুলি-তালি ডাঙৰ দীঘল কৰিলে। মাকৰ মৰমো নবীনক গিৰিধৰ বৰুৱাই দিলে। সেয়েহে নবীনে কোনো দিন মাকৰ অনুপস্থিতি অনুভৱ নকৰিলে । হাইস্কুলৰ শিক্ষা শেষ কৰি নবীনে চহৰৰ কোনোবা অফিচ এটাত কেৰাণী কাম এটা যোগাৰ কৰি ললে । বিহুৰ কেইদিনমানৰ ছুটীত নবীন ঘৰলৈ আহিছিল পাছে ছুটীও শেষ হ'ল নীবনো পুনৰ ঘূৰি গ'ল চহৰলৈ । সেয়েহে গিৰিধৰ বৰুৱাই অনুভৱ কৰিলে আজি নবীনৰ মাক থকা হ'লে তেওঁৰো ঘৰখন আনন্দৰে ভৰি থাকিল হেতেঁন, কিন্তু দুৰ্ভাগ্য বিধাতাই তেওঁলোকৰ সুখ দেখিব নোৱাৰিলে ।

গাঁৱৰ লৰা ছোৱালী বিলাকে জাকে জাকেই ওলাইছে চহৰত হোৱা বিহু সন্মিলনত যোগ দিবলৈ । সকলোৱে বিভিন্ন ধৰনৰ সাজ পোচক পৰিধান কৰি মাত্ৰ ঢাপলি মেলিছে চহৰলৈ । কোনবা ল'ৰা এজনে

কোৱা গিৰিধৰ বৰুৱাৰ কানত পৰিল "কলে চহৰত বৰ ডাঙৰকৈ বিহু সন্মিলন পাতিছে, অসংখ্য বিজুলী লাইটেৰে ভৰি থকা ডাঙৰ পেণ্ডেলটোত বহি বৰ ভাল লাগিব, তাৰ ওপৰিও নিশা সাংস্কৃতিক সন্ধিয়া আছে খুবেই জমিব।"

গিৰিধৰ বৰুৱাই মনটো অলপ গধূৰ যেন অনুভৱ কৰিলে আৰু লগে-লগে তেওঁ কথাবিলাক চিন্তা কৰিবলৈ ধৰিলে। আজিৰ এই উঠি অহা ডেকা চামে নিজৰ গাঁৱৰ কথা চিন্তা নকৰে, যিখন গাঁৱৰ মানুহে গোটেই জীৱন দুখেৰে পোত খাই আছে, কোনোবা-কোনোবা ঘৰত এসাজ খালে ইসাজ লৈ চিন্তা কৰিব লগা হয়, অথচ তেওঁলোক আজি টকা-পইচা খৰচ কৰি ঢাপলি মেলিছে চহৰলৈ আনন্দ কৰিবলৈ. কিন্তু দুখৰ বিষয় আজি এই চামক বুজাওঁতা কোনো নাই যে আগতে নিজৰ গাঁৱৰ উন্নতিৰ চিন্তা কৰিব লাগে পাছত আনন্দ।

গিৰিধৰ বৰুৱা এইবাৰ বিহুত গাঁৱৰ বহুতো মানুহৰ ঘৰত ফুৰিবলৈ গৈ বহুতো কথাই লক্ষ্য কৰিছিল। দিনে দিনে ধনী হব ধৰা অসমীয়া মানুহে নিজৰ পুৰনি সংস্কৃতিক বাদ দিব ধৰিছে আৰু যিমান পাৰে আধুনিক সংস্কৃতিটোক আঁকোৱালি লবলৈ চেষ্টা কৰিছে। সেয়েহে আজিকালি বিহুত মানুহৰ ঘৰত চিৰা, পিঠা, গাখীৰ, দৈ এই বিলাক বস্তুৰ ঠাই ললে হোটেলৰ বিভিন্ন ধৰনৰ মিঠাই। মুগা মেখেলা, ধুতি, গামোচা আদিৰ ঠাই ল'লে বৰ্ত্তমানৰ নানা ধৰনৰ বঙচঙীয়া সাজপোচাকে। গিৰিধৰ বৰুৱাৰ নিচিনাই জানো বৰ্ত্তমানৰ বাকী অসমীয়াই এইবোৰ কথা চিন্তা কৰিছে? তেওঁলোকে ও জানো নিজৰ পুৰনি সংস্কৃতিটোক জীয়াই ৰাখিব নিবিচাৰে? তাৰ ওপৰিও অতীতৰ ঢোল, পেঁপা, বাঁহী, গগনা, তাল আদিৰ ঠাই ললে বৰ্ত্তমানৰ আধুনিক বাদ্যযন্ত্ৰই। বিহুনাম আৰু নাচৰ ঠাই ল'লে আধুনিক ডিস্ক নৃত্য আৰু গীত। আজি কালিৰ মানুহে এই বিলাকক লৈয়েই ব্যস্ত। অৱশ্যে এই প্ৰভাৱ অকল চহৰতেই নহয় আজিকালি গাঁও বিলাকতো বাৰুকৈ শিপাবলৈ ধৰিছে। পুৰনি গাছতলিৰ বিহুৱে ঠাই ল'লে অসংখ্য লাইটেৰে উজ্বলি থকা পেণ্ডেলত। আজিৰ উন্নতিৰ ক্ষেত্ৰত আগবঢ়া দেশখনৰ এই ডেকাচামটোৱে নিজৰ পুৰনি সংস্কৃতিক একেবাৰে এৰিদিব বিচাৰিছে, কিন্তু তেওঁবিলাক জানো এবাৰো অতীতৰ বিহুটো আৰু বৰ্ত্তমানৰ বিহুৰ মাজত পাৰ্থক্য ক'ত বিচাৰি চাইছেনে? তথাপিও মানুহে নিজৰ সংস্কৃতিৰ প্ৰতি অলপো ভ্ৰুক্ষেপ নাই। গিৰিধৰ বৰুৱাই মনৰে ক'লে এতিয়াও সময় আছে যদি এই উঠি অহা ডেকাচামে নিজৰ পুৰনি সংস্কৃতিক জীয়াই ৰাখিব বিচাৰে। কিন্তু তেওঁলোকক শিক্ষা দিয়া প্ৰকৃত সাহিত্য প্ৰেমী আজিকালি নাই বুলিয়েই ক'ব পাৰি, সেয়েহে তেওঁলোক ব্যস্ত বৰ্ত্তমানৰ বিহুক লৈ।

# ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ স্থল সেনা

এচ, ইউ, অ,—নিপন হাজৰিকা

ভাৰত বুৰঞ্জীত পোৱা যায় যে, মোগল সকলে দেশৰ প্ৰতিৰক্ষাৰ বাবে অতিৰিক্ত বাহিনী হিচাপে এটা বাহিনী প্ৰশিক্ষণ দি ৰাখিছিল। যুদ্ধৰ সময়ত এই বাহিনীক নিয়োগ কৰিছিল। এই নিয়মক কিছু দেশে অনুকৰণ কৰিছিল।

বৃটিছ সাম্ৰাজ্যৰ পৰাধীনতাৰ পৰা স্বাধীন হবলৈ বহুত শ্বহীদ ভাৰতীয়ই আত্ম বলিদান দিছিল। এটা সময়ত সংগ্ৰামী ভাৰতীয় জনসাধাৰনৰ দ্বাৰা ভাৰতবৰ্ষ স্বাধীন হৈছিল। স্বাধীন হোৱাৰ লগে লগে ভাৰতবৰ্ষই কেবাখনো ওচৰ চুবুৰীয়া ৰাষ্ট্ৰৰ লগত যুদ্ধত অৱতীৰ্ন হব লগাত পৰিছিল। ইয়াৰ প্ৰত্যক্ষ প্ৰমান স্বৰূপে চীনা আক্ৰমন আৰু পাকিস্থান আক্ৰমনক উল্লেখ কৰিব পাৰি। ইয়া পাছত প্ৰতিৰক্ষা বিভাগত জাগৰণ সৃষ্টি হল। সেইবাবে ভাৰতৰ সংসদত আইনৰ দ্বাৰা ১৯৪৮ চনত ৰাষ্ট্ৰৰ অস্তিত্বৰ বাবে সৃষ্টি কৰিছিল। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী ( National Cadet Corps. )। কিন্তু ইয়াৰ আগতে ইংৰাজচৰকাৰে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰক সৈনিক শিক্ষা দিবৰ বাবে ১৯২১ চনত U. T. C. ( University Training Corps ) গঠন কৰিছিল। ১৯২৫ চনত U. O. T. C. ( University officers Training Corps ) কৰি দিয়ে। এই সংগঠনৰ কাৰ্য্যপ্ৰনালী সন্তোষজনক নাছিল।

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী হৈছে ক্ষমতাশালী জাতিৰ উন্নত আৰু উন্নতিবাসী। এই বাহিনীক ৰাষ্ট্ৰৰ আৰ্থিক পৰিস্থিতিত ব্যৱহাৰ কৰা হয়। যেনে, ৰণলৈ সাজু কৰা, সকলোবিলাক যোগাৰ কৰি দিয়া। লগতে মানুহৰ জীৱনৰ আৱশ্যকীয় কাম আনৰ সলনি কৰি দিয়াত সিদ্ধান্ত লোৱা আজিৰ ছাত্ৰ-ছাত্ৰী আমাৰ ৰাষ্ট্ৰৰ ভৱিষ্যতৰ পৰিচালক হোৱা ডেকা কালত ছাত্ৰ-ছাত্ৰীক সকলোবিলাক প্ৰশিক্ষণ দি সবৰ্ব প্ৰধান দৰকাৰত গঢ়া। এই বাহিনীক ৰাষ্ট্ৰৰ স্বেচ্ছাসেৱক বাহিনী বুলিও কব পাৰি।

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীক ভাৰতীয় সংসদে ১৯৪৮ চনত গঠন কৰিছিল। ভাৰতৰ থকা তিনিটা সৈন্য বাহিনীৰ দৰে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীকো তিনিটা ভাগত ভাগ কৰিছিল। যেনে স্থল সেনা ( Army ), বায়ু সেনা ((Air force ), আৰু জল সেনা ( Navy )। এই বাহীনীৰ পৰাই তিনিটা ভাগত কৰিছিল। যেনে—

১) বৰ ভাগ ( Senior Division )
২) সৰু ভাগ ( Junior Division )
৩) ছোৱালী ভাগ (Girls Division)

১) বৰ ভাগ :— এই ভাগত মহাবিদ্যালয়, মেডিকেল মহাবিদ্যালয়, যান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যায়লৈ অংশ গ্ৰহন কৰিব পাৰে।

২) সৰু ভাগ :— এই ভাগত বিদ্যালয়, অষ্টম শ্ৰেণীৰ পৰা দ্বাদশমান শ্ৰেণীলৈকে অংশ গ্ৰহণ কৰিব পাৰে।

৩) ছোৱালী ভাগ :— এই ভাগত বিদ্যালয়, মহাবিদ্যালয়, যান্ত্ৰিক মহাবিদ্যালয় চিকিৎসা মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্য্যায়লৈকে অংশ গ্ৰহণ কৰিব পাৰে।

নাম লগোৱাত বয়সৰ সীমা :—

১) বৰ ভাগ : ১৫ বছৰৰ পৰা ২৬ বছৰ লৈকে
২) সৰু ভাগ :— ১৩ বছৰৰ পৰা ১৪$\frac{1}{2}$ বছৰলৈকে।

এই ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ বৰ্ত্তমানৰ লক্ষ্যক মহাযানি সভাই ১৯৭৪ চনত মূল সূত্ৰক বেছি ভাল কৰিব লৈছিল। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ লক্ষ্য হৈছিল :—

১) নেতৃত্ব, শক্তি, চৰিত্ৰ, খেল-ধেমালী আদিৰ সিদ্ধান্তক বিকাশ আৰু আদৰ্শক সেৱা কৰা।

২) অনুশাসন আৰু প্ৰশিক্ষণ দ্বাৰা গঠিত জনশক্তি সৈন্যবলক ৰাষ্টৰ জৰুৰী কালীন অৱস্থাত প্ৰতিৰক্ষা বিভাগক সহায়ক হোৱা।

৩) ছাত্ৰক এনেকুৱা দৃষ্টিত প্ৰশিক্ষণ দিব লাগে যাতে সিহতঁৰ অফিচাৰৰ গুন বিকাশ হয় লগতে সমস্ত সেনাত কমিচন প্ৰাপ্তত কৰিবলৈ সমৰ্থবান হোৱা।

সৈন্য বিভাগত সৈনিক সকলক দক্ষতা আৰু কৰ্ম্ম অনুযায়ী Rank দিয়া হয়। সেইদৰে শিক্ষাৰ্থী সকলকো Rank দিয়া হয়।

তলত Rank বিলাক উল্লেখ কৰা হ'ল।

১) ARMY WING :—
a) Lance Corporal
b) Corporal
c) Sergeant
d) C. S. M.
e) Under Officer

f) Senior Under Officer

ৰাষ্ট্ৰিয় শিক্ষাৰ্থী বাহিনীৰ প্ৰশিক্ষণৰ ভাগ :—

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ প্ৰশিক্ষণক দুটা ভাগত ভাগ কৰা হৈছে :—

১) Institutional Training (সংস্থাপন প্ৰশিক্ষন)

২) Camp Training

প্ৰশিক্ষণত উপযুক্ত হোৱা শিক্ষাৰ্থী সকলক পাছত তলত দিয়া প্ৰশংসাপত্ৰ দিয়া হয় :—

১) সৰু ভাগ :— ২য় বছৰ প্ৰশিক্ষণত প্ৰশংসাপত্ৰ 'এ' ( (Certificate 'A') দিয়া হয়।

২) বৰ ভাগ — ২য় বছৰ প্ৰশিক্ষণত প্ৰশংসাপত্ৰ 'বি' (B) আৰু ৩য় বছৰত প্ৰশংসাপত্ৰ 'চি' (C) দিয়া হয়।

৩) ছোৱালী ভাগ :— ২য় বছৰ প্ৰশিক্ষণত সৰু ভাগক প্ৰশংসাপত্ৰ 'এ' (A), ২য় বছৰ প্ৰশিক্ষনত বৰ ভাগক 'বি' (B) আৰু ৩য় বছৰ প্ৰশিক্ষনত বৰ ভাগক প্ৰশংসাপত্ৰ 'চি' (C) দিয়া হয় ;

ইয়াৰ উপৰিও বিভিন্ন প্ৰশিক্ষণত প্ৰশিক্ষণ অনুযায়ী বিভিন্ন ধৰনৰ প্ৰশংসাপত্ৰ (Certificate) দিয়া হয়।

লৰাৰ শিক্ষাৰ্থীৰ বাবে স্থল সেনাৰ প্ৰশিক্ষণ :—

লৰা আৰু ছোৱালীৰ প্ৰশিক্ষণ প্ৰায়েই সমপৰ্য্যায়ৰ। কিন্তু কিছুমান প্ৰশিক্ষণ ছোৱালীতকৈ বহুত কঠিন। ইয়াত সাধাৰণ জ্ঞান আদি শিক্ষাৰ উপৰিও Drill Weapon Training ( Rifle, Bayonet, SLR, LMG, Mortors, Grenades etc. ) Map Reading, First Aid আদি লগতে দেশৰ এজন ভাল নাগৰিক গঢ়ি তোলা। লৰাৰ শিক্ষাৰ্থীৰ বাবে কেম্প ( Camp ) —

প্ৰতিটো কেম্পতে প্ৰশিক্ষণ পদ্ধতি কিছুমান ক্ষেত্ৰত বিভিন্ন ধৰনৰ। শিক্ষাৰ্থী সকলে এই কেম্প ( Camp ) বিলাকাত যাবৰ বাবে Unit ৰ শিক্ষকসকল আৰু বিদ্যালয় বা মহাবিদ্যালয়ৰ শিক্ষক (P.T.O.) সকলে বাছি ( Select ) লয়। এই বাছনি কৰা শিক্ষাৰ্থী সকলে ভাৰতৰ যিকোনো প্ৰদেশত বা ভাৰতৰ বাহিৰলৈ Camp কৰিবলৈ যায়।

তলত তাৰে কেইটামান কেম্পৰ ( Camp ) নাম উল্লেখ কৰা হল —

১) Annual Training Camp :— এই কেম্প সাধাৰণতে নিজৰ এলেকাতে হয়।

ইয়াত চমু চমুকৈ সকলো শিক্ষাৰ উপৰিও 'B' আৰু 'C' Certificate ৰ পৰীক্ষা হয়

২) Army Attachement Camp :— এই কেম্প প্ৰতিবছৰে Indian Army ৰ যিকোনো Regiment এলেকালৈ ১৬ দিন বা ৩০ দিনলৈ পঠিয়াই দিয়ে। তাত সামৰিক জ্ঞান, অস্ত্ৰ-শস্ত্ৰ আৰু আধা সৈনিক হিচাপে প্ৰশিক্ষণ দিয়ে।

৩) Advance leadership Camp :— এই কেম্প প্ৰতিবছৰে ১৫০ জন বা ২০০ জন শিক্ষাৰ্থীৰ সৈতে ভাৰতৰ যিকোনো প্ৰদেশত হয়। ইয়াত সকলো শিকাৰ উপৰিও শত্ৰুক কেনেকৈ আক্ৰমণ কৰিব পাৰি ? নিশা গভীৰ হাবি-বননীৰ মাজদি গৈ কেনেকৈ ঠাই উলিয়াব পাৰি আদি কথা প্ৰশিক্ষণ দিয়ে লগতে বেছি গুৰুত্ব দিয়ে আগতীয়াকৈ এজন উপযুক্ত সৈনিক অফিচাৰ হোৱাৰ ওপৰত।

৪) Pre Basic Leadership Camp :— এই কেম্প চিলঙত অনুষ্ঠিত হয়। এই কেম্পত প্ৰতিযোগিতা হয়, বিভিন্ন বিষয়ত। যেনে :— Bayonet Shooting, Map reading আদি। ইয়াত Select হোৱাবোৰ দিল্লীলৈ নিয়ে। তাতো প্ৰতিযোগিতা মূলক কেম্প (Camp) হয়।

৫) Basic Leadership Camp :— এই কেম্প প্ৰতি বছৰে ভাৰতৰ যিকোনো প্ৰদেশত ৩২০ জন শিক্ষাৰ্থীৰ সৈতে হয়। ইয়াত সকলো শিকাৰ উপৰিও উপযুক্ত এজন অফিচাৰ (Officer) হবলৈ প্ৰাথমিক প্ৰশিক্ষণ দিয়ে।

৬) Cycle Expedition :— এই কেম্প সাধাৰণতে এটা অঞ্চলৰ পৰা আন এটা অঞ্চললৈ চাইকেলেৰে গৈ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ উদ্দেশ্য, লক্ষ্য আদি কথাবোৰ প্ৰচাৰ কৰে তথা আমি একে দেশেৰে মানব সমাজ, ৰাষ্ট্ৰ আমাৰ মাতৃভূমি।

৭) Guidance Camp :— এই কেম্প প্ৰতি বছৰে ভাৰতৰ যিকোনো প্ৰদেশত হয়। ইয়াত প্ৰশিক্ষণ দিয়ে সাধাৰনতে এজন উপযুক্ত ডাঙৰ বিষয়া হবৰ বাবে, কি কি বিষয়ত অৰ্হতা লাগে আৰু সেইবোৰ পৰীক্ষাত বহিবৰ বাবে কেনে ধৰণৰ প্ৰশ্ন আছে ? ইয়াত Guid দিয়ে সৈন্য বিভাগৰ উচ্চ বিষয়াসকলে। এই কেম্পত বেলেগ কেম্পৰ দৰে শাৰীৰিক কষ্ট নাই। মাত্ৰ পঢ়া লিখৰ মাজেৰে অধ্যয়ন কৰি যাব লাগে।

৮) Mountaineering Camp :— ইয়াত পৰ্বত নদী আদি বগাবৰ বাবে নিয়মানুৱলী, সাৱধানতা বজাই ৰখা আৰু কি

কি সামগ্ৰীৰ প্ৰয়োজন আদি কথাৰ' প্ৰশিক্ষণ দিয়ে। প্ৰশিক্ষণ দিয়ে "Himalayan Mountaineering Institute," Darjeeling Nehru Institute of Mountaineering," "Colonel Premson Mountaineering Institute" আদিয়ে।

৯) Para Camp :– প্ৰতি বছৰে এই কেম্প আগ্ৰাত হয়। ইয়াত উৰাজাহাজ চলোৱা, উৰাজাহাজৰ পৰা নমা আদিৰ প্ৰশিক্ষণ দিয়ে। প্ৰশিক্ষণ কৰাৰ আগতে শৰীৰৰ স্বাস্থ্য আদি পৰীক্ষা কৰি লয়।

১০) Pre Republic Day Camp :– ৰাষ্ট্ৰৰ গণতন্ত্ৰ দিৱসৰ আগেয়ে ১২ দিনৰ বাবে নিজৰ Group ৰ মাজত Selection Camp পাতে। ইয়াত Select হোৱা সকলক নিজৰ Directorate ৰ মাজত ১২ দিনৰ বাবে Selection Camp পাতে। ইয়াত Select হোৱা সকলক নতুন দিল্লীলৈ নিয়ে। এই কেম্পত বেছি গুৰুত্ব দিয়ে Culture Programe, Drill, Cross Country আদিৰ ওপৰত।

১১) Republic Day Camp :– Pre R. D. C. কেম্পত Select হোৱা সকলে নতুন দিল্লীলৈ গনতন্ত্ৰ দিৱস পালন কৰিব যায়। তাত বিভিন্ন বিষয়ত প্ৰতিযোগিতা পাতে। প্ৰতিযোগিতাত উৰ্ত্তীণ সকলক ৰাষ্ট্ৰপতিয়ে পুৰস্কাৰ বিতৰণ কৰে।

১২) Trekking Camp :– যুদ্ধৰ সময়ত এখন ঠাইৰ পৰা আন এখন ঠাইলৈ খোজ-কাঢ়ি যাতে যাব পাৰে তাৰ বাবে কোনো পাহাৰীয়া অঞ্চলত প্ৰতিবছৰে এই কেম্প পাতে। এই পদযাত্ৰাত পৰ্বত পাহাৰ, জান-জুৰি, নদী, ভৈয়াম আদি অতিক্ৰম কৰিব লাগে। কিছুমান অঞ্চলত ছাউনি পাতি থৈ দিয়ে। তাতে নিশাটো সাংস্কৃতিক অনুষ্ঠানৰ সৈতে কটাব লাগে।

১৩) Youth Exchange Programme :- বেলেগ ৰাষ্ট্ৰৰ স্থানীয় কলা, সংস্কৃতি, ভাষা আদি যাতে আমাৰ ৰাষ্ট্ৰৰ কলা, সংস্কৃতি, ভাষা আদিৰ লগত আদান-প্ৰদান কৰিব পাৰি, তাৰবাবে প্ৰতিবছৰে ভাৰতৰ বাহিৰ-ৰলৈ আমাৰ লৰা আৰু ছোৱালী শিক্ষাৰ্থী সকলক পঠিয়াই। ইয়াৰ দ্বাৰা বেলেগ ৰাষ্ট্ৰৰ লগত বুজা-বুজি ভাল হয়।

এই কেম্প বিলাকৰ উপৰিও আৰু বহুতো কেম্প আছে। যেনে Social Service Camp, Adventure Trainning Camp আদি।

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী সকলৰ ৰেহাই আৰু সুবিধা :—

১) চাকৰিৰ বাবে ৰেহাই :— ভালকৈ B আৰু C প্ৰশংসাপত্ৰ পোৱা সকলক পুলিচ বিভাগ, সৈন্য বিভাগ আৰু চৰকাৰী কাম-কাজত সোনকালে পোৱা যায়।

২) শিক্ষা বিভাগত ৰেহাই :- ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ Best শিক্ষাৰ্থী সকলক Polytechnic Engineering and Techonology Medical College, University আদিত দুটা-দুটাকৈ Seat হয়। ইয়াৰ উপৰিও বেছি নম্বৰ পোৱা শিক্ষাৰ্থী সকলক Schoolarship দিয়ে।

(বিঃ দ্ৰ :— সহায় লোৱা হৈছে "CADET'S HAND BOOK" ৰ পৰা।)



"গনেশৰ দাঁত এটা। তাৰ তাৎপৰ্য্য এয়ে যে জনগন গনেশৰ দাঁতটোৰ দৰেই একতাৱদ্ধ হৈ এক হোৱা উচিত। সেই দাতটো জনগনৰ একতা শক্তিৰ প্ৰতীক। "একতা-হৈছে প্ৰগতিৰ অব্যৰ্থ বাহন। একতা হৈছে প্ৰগতিৰ অব্যৰ্থ বাহন। ৰাইজেই গনেশ, গণপতি বা গণদেৱতা।"

—কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা—

গল্প

# অতৃপ্ত আপেক্ষা

শ্ৰী হৰিচন্দ্ৰ সোনোৱাল
স্নাতক শেষান্ত বাৰ্ষিক

'হাঃ হাঃ হাঃ.... .. অপৰা তুমি কি ? হঠাৎ টোপনিতে চিঞৰি উঠিল । মোৰ চিঞৰ শুনি বাইদেউ দৌৰি আহি কাষ পালেহি, আৰু লগে লগে মোক প্ৰশ্ন কৰিলে কিয় ইমানকৈ চিঞৰিছিলা ? অপৰা বুলি কাক মাতিছিলো, মই সোপন দেখিছিলো নেকি ? ইত্যাদি বাইদেৱে কৰা বহুত প্ৰশ্নই মোৰ টোপানিৰ জাল আঁতৰাইছিল । মই নিজেই যেন এটা বিৰাট প্ৰশ্ন হৈ গৈছিলো । বাইদেউৰ সন্দেহ মনটোক বুজাবলৈ মোৰ মনে কোনো ভাষা বিচাৰি পোৱা নাছিল । মোৰ নিজিকে ভয় লাগিছিল, যানোচা মোৰ কথাবিলাক তাই বিশ্বাস নকৰে ? নতুবা মোক খং কৰিব সেইকথা ভাবি থাকোতেই হঠাৎ বাইদেউৱে মোক উপদেশ আৰু অনুৰোধ মিহলি কৈছিল , জীৱন মই জানো , তুমি মোক সকলো কথা কবলৈ কুণ্ঠা-বোধ কৰা, কাৰণ মই তোমাৰ কায়েৰা, কিন্তু তোমাৰ সকলো অধিকাৰত মই বাধা দিব নোৱাৰো । তুমিতো এতিয়া সৰু লৰা নোহোৱা যে মই যেতিয়াই তেতিয়াই তোমাক খং কৰিম । তুমি এতিয়া কলেজত পঢ়া । তাতে স্নাতক মহলাৰ অসমীয়া বিষয়ত সন্মানৰ ছাত্ৰ । গতিকে তোমাৰ যিকোনো সিদ্ধান্তত ...... । বাইদেউৰ কথাবিলাক শেষ হবলৈ নাপাওঁতেই মই চিঞৰি উঠিলো জানা বাইদেউ, এইয়া আচলতে সপোন আছিল । কিন্তু এইয়া সপোন যদিও বাস্তৱ । কিয়জানো আজি সপোনত বাস্তৱকেই দেখিছো । সকলো নিৰ্জতনা ভঙ্গ কৰি মই সকলো কথা ভাঙি পাতি কৈ গলো । জানা বাইদেউ জীৱনৰ কুৰিটা ফাগুনৰ অতীতৰ এটা দিন শেষ কৰিও জীৱনত কোনো দিন দৰিদ্ৰতাই এৰা নিদিয়া ৰন্টু এটা দুখীয়া পৰিয়ালৰ লৰা । এজনী ভনীয়েক আৰু মাকৰ সৈতে তেওঁৰ জীৱনটো দাৰিদ্ৰৰ ঘাট প্ৰতিঘাতৰ মাজেদি দিনবিলাক পাৰ কৰিছিল । তেওঁৰ অতীতৰ সেই দুখৰ ছবিখন মনত পৰিলে মোৰ আজিও হিয়াই কান্দি উঠে । ৰন্টুৰ উচ্চ শিক্ষাৰ সপোন

সপোন হৈয়েই ৰল। যি কোনো প্ৰকাৰে জীৱনটো প্ৰতিষ্ঠা কৰিবলৈ এমুঠি অন্ন আৰু এডোখৰ বস্ত্ৰৰ কাৰণে হাবাথুৰি খাই ফুৰিছিল নিজ ইচ্ছা শক্তি অদম্য উৎসাহৰ বলতেই এদিন এইদৰে দ্বিতীয় বিভাগত হাইস্কুল শেষান্ত পৰীক্ষাত উত্তিৰ্ণ হৈ ৰন্টু উৎফুল্লিত হৈ পৰিছিল আৰু ভাবিছিল এতিয়াই ৰুগ্ন মাকৰ আগত কবগৈ মা মই দ্বিতীয় বিভাগত উত্তিৰ্ণ হলো। মাকে হয়তো ৰুগ্নযন্ত্ৰনাৰ মাজতো বহুত আনন্দ পাব। চিঞৰি চিঞৰি হাঁহিব, বুকুৰ মাজত অকোৱালী লৈ দুগাল অলেখ চুমাৰে ভৰাই তুলিব। সেই আশাৰে ৰন্টু ঘৰলৈ বুলি খুজ দিছিল। তেতিয়া প্ৰায় গধুলিৰ অন্দকাৰ নামি আহিছিল। লাহে লাহে পশ্চিমৰ বেলিটোৱে নীলা পাহাৰৰ আৰত লুকাই পৰিছিল। ৰন্টুৰ মনটো ৰঙীন আশাবোৰে তেওঁক হাঁহাকাৰ কৰি তুলিছিল। পোৱানোপোৱা আনন্দৰ মাজত বিচাৰি পোৱা ক্ষন্তেকীয়া মনৰ কল্পনাবিলাকে তাৰ মনত আউল লগাইছিল। তেওঁৰ হঠাৎ টেটুকালি চিঞৰিবলৈ হয়তো মন গৈছিল। মা...... বুলি ? কিন্তু তেওঁ চিঞৰিব পৰা নাছিল নিজান নিসঙ্গতাৰ মাজেদি আপোন ভাৱত বিভোৰ হৈ গৈ থাকোতে হঠাৎ তেওঁৰ কানত "ৰন্টু" বুলি ফুটা-নফুটা মাতৰ এটা চিঞৰ প্ৰতিধ্বনিত হৈছিল। সেই শব্দই তেওঁৰ বুকুত যেন এটা এটম বম কোনোবাই মাৰি দিলে, খন্তেক পিছতে যেন ফুটি ই ছাৰখাৰ হৈ যাব। হঠাতে তাৰ মনৰ মাজত ৰঙীন হৈ উঠা ছবিখনক হেকৰাই পেলাইছিল ৰন্টুৰ মনৰ মাজত ভাহি থকা বাস্তৱবিলাক সপোনলৈ পৰিবৰ্ত্তিত হৈছিল। তেওঁৰ মাক এই সংহাৰৰ পৰা চিৰদিনৰ বাবে পৃথিৱীৰ পৰা আঁতৰি গৈছিল। খন্তেকীয়া আনন্দৰ পিছতেই হয়তু বেদনাৰ দহনত পৰি গধুৰ বোজা এৰি ৰন্টুৰ মাক এই মায়াময় পৃথিৱীৰ পৰা বিদায় মাগিলে ইফালে ছয় বছৰীয়া একমাত্ৰ ভনীয়েক 'ননীৰ' ভৱিষ্যতৰ চিন্তাই ৰন্টুক প্ৰত্যেক সময়তে বাৰে বাৰে চকুলো খোৱাইছিল। ভনীয়েকৰ গধুৰ দায়িত্বই তেওঁৰ মনটোক ভাৰাকান্ত কৰি তুলিছিল। মাদকতা ভৰা যৌৱনৰ মধুৰ কল্পনা নিৰ্মম বাস্তৱৰ সংঘৰ্ষত ভাঙি চূৰমাৰ হৈছিল। কেতিয়াবা তেওঁৰ খঙতেই হয়তু কবলৈ মন গৈ ছিল " ননী " মাৰ লগত তয়ো গুচি নগলি কিয় ? কিন্তু সৰল আৰু নিষ্ঠান ভনীয়েকৰ মুখলৈ চাই চকুপানী টুকিয়ো মনৰ কথা জানিব নিদি 'ননীক' মৰমেৰে ভৰাই কৈছিল, ননী মোৰ জীৱনত তোৰ বাহিৰে এই পৃথিৱীত কোননো আছে ? তোক এৰি মই থাকিব নোৱাৰো ? তোক এৰি মই কলৈ যাম ? ইফালে ৰন্টুৰ অকলশৰীয়া নিজনতাৰ দিনবোৰ পাৰ কৰিব লগীয়া হোৱাত সি বৰ ক্লান্তি অনুভৱ কৰিছিল। সেয়েহে সি এটা সাধাৰণ চাকৰি বিচাৰি যাবলৈ মন কৰিছিল।

কিন্তু তেওঁৰ কনমানি ভনীয়েকৰ কথা চিন্তা কৰি কৰি থমকি ৰৈছিল। তাই এই ঘৰখনত অকলে কাৰ লগত থাকিব। কাক সাক্ষী কৰি তাইক এৰি যাব। সেই চিন্তাই ৰন্টুক হতাশ কৰি পেলাইছিল কিন্তু সি হঠাৎ এদিন সিদ্ধান্ত কৰি পেলাইছিল যে মোমায়েকৰ ঘৰতেই ননীক থৈ যাব। ৰন্টুৱে আগতে বহুত মানুহক খাতিছিল বহুত ইণ্টাৰভিউও দিছিল। কিন্তু সকলো চেষ্টা তাৰ অথলে গৈছিল। Degree টো লব পাৰিলে তেওঁ কিজানি চাকৰি পাব। এই আশাৰে মোমায়েকৰ পৰামৰ্শ অনুসৰি ৰন্টুৱে এদিন কলেজত পুনৰ এডমিশন (Admisson) লৈছিল। হয়তু তেওঁৰ মোমায়েকে এই কথা বুজা নাছিল যে আজিৰ যুগত হাজাৰ উচ্চ শিক্ষায়েও চাকৰি দিব নোৱাৰে। তথাপি মোমায়েকৰ বিপুল পৰামৰ্শ ৰন্টুৱে গাত পাতি লৈছিল। কলেজৰ নগৰীয়া বন্ধুবৰ্গৰ লগত থাকি সকলো সময়তে তেওঁৰ অন্তৰৰ বেদনাবোৰক পাহৰি গৈছিল। এইদৰে দিনবিলাক ৰন্টুৰ অতীত হৈ গৈছিল এদিন হঠাৎ অপ্ৰত্যাশিত ভাৱে তেওঁৰ কলেজীয়া জীৱনতে পৰিচয় ঘটিছিল অপৰাজিতাৰ লগত'Degree প্ৰথম বাৰ্ষিকৰ ছাত্ৰী অপৰাজিতা ভাল গীত গায়, সুন্দৰ কবিতা, গল্প লিখে। আবৃত্তি, তৰ্ক প্ৰতিযোগিতাৰ প্ৰতিটো মুহূৰ্ততেই তাইৰ মুখ মণ্ডলত যেন অন্তৰৰ কোমলতা, সৰলতা আৰু নম্ৰতাৰ আভা প্ৰকাশ পাইছিল। কিন্তু কোনো ক্ষেত্ৰতে মনৰ চঞ্চলতাক অপৰাজিতাই " প্ৰকাশ কৰা নাছিল। এইদৰে অতি কম সময়ৰ ভিতৰতে দুয়ো দুয়োকে চিনি পোৱা আৰু বুজি পোৱা হল। কলেজৰ খেলপথাৰত ৰন্টুৱে খেল খেলি থাকিলে অপৰাজিতাকো উৎসাহিত দৰ্শকৰ মাজত দেখা পোৱা যায়। অন্যহাতেদি অপৰাজিতাই কোনোবা ফাংচনত গীতৰ প্ৰগেম কৰিলে তাতো ৰন্টুৱে অংশগ্ৰহন কৰা দেখা গৈছিল। এইদৰে জীৱনৰ প্ৰত্যেকটি মুহূৰ্ত্ততে অপৰাজিতাৰ নীলা চকু দুটিয়ে ৰন্টুৰ জীৱন পোহৰাই তুলিছিল। ফাগুনৰ চঞ্চলতাই দুয়োৰে মনত লাহে লাহে প্ৰেমৰ ডোলনা খেলিছিল। দুয়োৰ চকুৰ মিলনে দুয়ো দুয়োকে গালে মুখে আকিদিছিল অলেখ চুমাৰে। সময় গতিশীল। প্ৰকৃতিৰ বুকুলৈ বসন্ত আহে আৰু যায়। সময় বাগৰি যায়। Degree ৰ চুৰান্ত পৰীক্ষাৰ ওচৰ পালেহি। ৰন্টুৱে পৰীক্ষাত ব্যস্ত থাকিব লগীয়া হোৱাত বহুত দিন অপৰাজিতাৰ খবৰ পোৱা নাছিল। পৰীক্ষা শেষ হোৱা পিছদিনা সকলো বন্ধুবৰ্গই ঘৰা-ঘৰি যাবলৈ ইটোৱে সিটোৰে দীঘলীয়া বিদায় লৈছিল। কিন্তু অন্যফালেদি ৰন্টুৰ মনটো সেমেকি উঠিছিল। কলৈ যাব সি? ৰন্টুৰ জানো নিজা ঘৰ আছে? এইদৰে চিন্তা কৰি থাকোতে মাকলৈ মনত পৰিছিল। মনত পৰিছিল কণমানি ভনী ননীজনীলৈ। কব নোৱাৰাকৈয়ে এখোজ

দুখোজকৈ ৰন্টুৰে অপৰাজিতা হঁতৰ ঘৰ পালেগৈ। প্ৰায় এমাহ ধৰি পৰীক্ষাৰ বাবে ব্যস্ত হৈ থাকিব লগীয়া হোৱাত তাইৰ খবৰ লোৱা হোৱা নাছিল। সেয়েহে বিদায়ৰ বেলাত এবাৰ লগ কৰি যোৱাৰ আশাৰে ৰন্টুৰে তাইৰ ঘৰলৈ গৈছিল। কিন্তু "অপ-ৰাজিতাক" জানো ৰন্টুৰে লগ পালে? জীৱনত যদিও দুখীয়া ৰন্টুৰ মৰমক লৈ অপৰাজিতাই জীয়াই থাকিবলৈ বিচাৰিছিল যদিও তাই ৰন্টুৰ পুৰুষত্বক বিশ্বাস কৰিছিল। তথাপি এদিন পৰিয়ালৰ কথাত পৰি বিয়াত সম্মত দিবলৈ বাধ্য হৈছিল। জীৱনত যদিও 'ৰন্টুক" প্ৰানভৰি ভালপাইছিল তথাপি কালৰ বুকুত ৰন্টুক এৰি এদিন ৰবিন বড়াৰ সৈতে বিয়া হৈ গল। ৰবিন O.N.G.C ৰ মুখ্য অভিযন্তা বড়াৰ সম্ভ্ৰান্ত বংশৰ পৰিয়ালৰ পৰিবেশত থাকি তাই ৰন্টুৰ সৰু জীৱনটোৰ কথা পাহৰি গৈছিল চাগৈ? কিন্তু ৰন্টু! ৰন্টুৰ গোটেই জীৱনটো বেদনাৰ দহনত জ্বলি পুৰি ছাই হৈ গৈছিল। জীৱনত যাক লৈসপোন ৰচিছিল, জীৱনত যি কল্পনা কৰিছিল সেইবিলাক যেন তাৰ পৰা কোনোবাই কাঢ়ি নিছিল। "Oh My God" এইবাৰেই আছিল ৰন্টুৰ শান্তিৰ বাণী। অপৰাজিতাৰ প্ৰত্যাখ্যানে ৰন্টুৰ জীৱণক দিশহাৰা কৰি তুলিছিল। ৰন্টুৰে স্মৃতিৰ সাক্ষী হিচাপে তাৰ Diary ৰ কথাকেইটা বাৰে বাৰে মনত পেলাইছিল।

"অপৰা" আমাৰ ভালপোৱাবোৰে জীৱনক জীয়াই ৰাখিব পাৰিব জানো? অপৰাই কৈছিল নিশ্চয় পাৰিম অন্তত তোমাৰ কাৰনেই জীয়াই থাকিব লাগিব আৰু তুমিও ........."। ৰন্টুৰে নিজৰ জীৱনৰ বাবে এটা ডাঙৰ প্ৰশ্ন হৈ গৈছিল, সি নিজৰ ওপৰত নিজেকে প্ৰশ্ন কৰিছিল মোৰ ভুল কত? হয়তো মই জনা নাছিলো প্ৰেম কাক বোলে? হয়তু জনা নাছিলো এইদৰে বিশাল সাগৰৰ বুকুত তুলুংগা নাৱৰ বঠাডাল ক্ষন্তেকতে হেৰুৱাই যাব চিৰদিনলৈ। সি বাৰে বাৰে অতীতৰ কথাবোৰ চিন্তা কৰি কৰি তাৰ Diary ত লিখি পেলাইছিল।

"অপৰা" মই পুতৌ ভাল নপাওঁ। কিন্তু শান্তি মই বিচাৰো। আজি মই শান্তি বিচাৰি পাইছো। কিন্তু তুমি এইটো নাভাবিবা যে মই আত্মহত্যা কৰিলো বুলি। মই আত্মহত্যাৰ পক্ষপাতী নহয়। মই কাপুৰুষো হব নোৱাৰো। মই জানো 'অত্মাহত্যাই' জীৱনৰ সমস্যা কেতিয়াও সমাধান কৰিব নোৱাৰে।

ৰন্টুৰ জীৱনৰ মৰ্মান্ত কাহিনী শুনি বাইদেউৰ চকু সেমেকি উঠিছিল। আৰু এটি দীঘল হুমুনিয়াহ এৰিছিল। খিৰিকিখন খুলি দিয়াত দেখিলো পুৱে ফেঁহুজালি দিছে।

———

## গল্প

# আনন্দময়ী বেদনা

শ্রীপবিত্র দিহিঙীয়া
স্নাতক ২য় বাৰ্ষিক

মা, মা বুলি চিঞৰী একপ্ৰকাৰৰ দৌৰী অহাৰ দৰে উধাতু খাই আহি দীপাঞ্জয় ঘৰৰ ভিতৰ পালেহি। ইফালে পাকঘৰত ব্যস্ত হৈ থকা মাক তাৰ চিঞৰত আচৰিত হৈ সুধিলে—কি হ'ল অ, সৰু লৰাৰ দৰে কিয় ইতিএনেকৈ চিঞৰ বাখৰখন লগাইছ? ইতিমধ্যে দীপাঞ্জয়ে মাকৰ ভৰি ছুই কলে মা; মা মই বি. এ পাছ কৰিলো, প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান পালো। তাৰ কথা শুনি অন্ধকাৰ বেদনা.যী মাকৰ মুখখন দীপশিখাই আলোকিত কৰাৰ দৰে জ্যোতিষ্মান হৈ উঠিল। ইতিমধ্যে ইমান সময়ে মৌন হৈ থকা তাৰ একমাত্ৰ প্ৰানৰ ভনীয়েক কুঞ্জই আহিকৈ কলে Congratulation brother সি তৎক্ষনাত ভনীয়েকক সাবতি ধৰিThank you বুলি কৈ তাৰ সমষ্ট ভগ্নীসুলভ মৰমবোৰ ভনীয়েকক এটি চু৷ব দ্বাৰা বিলাই দিলে। অহ দাদা ইমানতে কিন্তু নহব, মিঠাই দিয়া বুলি কৈ তাই ককায়েকৰ ওচৰত হাত পাতিলে। ভনীয়েকৰ কথাতহে সি উপলব্দি কৰিলে যে সি পাস কৰাৰ আনন্দত অন্তত কিবা আনিব লাগিছিল। মই একেবাৰে পাহৰিলো বুলি কৈ সি ভনীয়েকৰ গালত চিকুট এটা মাৰি কলে তই পাঁচ মিনিট অপেক্ষা কৰ মই এতিয়াই মিঠাই লৈ আহিছো বুলিকৈ সি যাবলৈ লৈযো বৈ যাবলৈ বাধ্য হ'ল। মাকৰ জ্যোতিময়ী অথচ বেদনাময়ী নয়নেৰে ওলাই অহা দুটুপি চকুলোৱে তাক বৈ যাবলৈ বাধা কৰালে, মাকৰ চকুত চকুপানী ওলোৱাৰ কোনো কাৰন বিচাৰি নাপায় সি সুধিলে মা তুমি কিয় কান্দিছা। মই পাচ কৰাৰ বাবে তোমাৰ জানো আনন্দ লগা নাই। মা তোমাৰ এই সুন্দৰ চকুযুৰিত চকুলোৱে শোভা নাপায়। তাৰ কথা শুনি মাকে চাদৰৰ আচঁলেৰে চকুলো মচি

কলে তই পাচ কৰাৰ বাবেইতো মই আনন্দত কান্দিছো। এইয়া মোৰ দুখৰ চকুলো নহয় ই মোৰ অন্তৰৰ আনন্দাশ্রু। তোৰ অতদিনৰ কষ্ঠ যে সাৰ্থক হৈছে সেই কথা ভাবি মই অতিশয় আনন্দিত। মাকৰ কথাতহে তাৰ অতীতলৈ মনত পৰিল। সচাকৈয়ে তাৰ অতীত অতিশয় দুখ কষ্ঠৰে ভৰা আছিল। তাৰ চকুৰ আগত ভাহি উঠিল জীৱনৰ আদি কালছোৱা

দীপাঞ্জয়ৰ সাত বছৰ বয়স হওঁতেই নিয়তিৰ নিষ্ঠুৰ পৰিহাসৰ বাবে সি দেউতাকক হেৰুৱাই। দেউতাকৰ মৃত্যুৰ লগে লগেই সিহঁতৰ ঘৰলৈ নামি আহে অন্ধকাৰ। চৌদিশে আলোকিত হৈ থকা ঘৰখনলৈ অন্ধকাৰৰ আগমনৰ বিৰহ বেদনাত মাকে প্ৰায়ে উচুপি উচুপি কান্দিছিল। দীপাঞ্জয়ে চাৰিবছৰীয়া ভনীয়েকক সাবতি ধৰি মাকৰ সৈতে অজানিতে কান্দিছিল। দেউতাকৰ পেণচনৰ সামান্য টকাকেইটিৰে কোনোমতে ঘৰখন নচলাত ঘৰৰ সাঁচতিয়া ধন তথা ভৰাঁলৰ ধানমুঠি শেষ হৈ আহিবলৈ ধৰিলে। এইদৰে অৱশেষত এমুঠি অন্নৰ বাবে সিহঁতে হাহাঁকাৰ কৰিবলগীয়া হ'ল। শেষত মাকে উপায়বিহীন হৈ লোকৰ ঘৰত কাম কৰিবলৈ ধৰিলে। ইতিমধ্যে প্ৰৱাহমান সময়ৰ প্ৰবাহৰ সৈতে দীপাঞ্জয়ো প্ৰৱাহিত হৈ এই দুখ কষ্ঠৰ মাজেদিয়েই নিজকে মেধা বুলি পৰিচয় দি প্ৰাইমেৰী আৰু মজলীয়া দুয়োটা পৰীক্ষাতে বৃত্তি পাই অৱশেষত দুটা বিষয়ত লেটাৰ সহ মেট্ৰিকো প্ৰথম বিভাগত উত্তীৰ্ণ হল। ইয়াৰ পাছৰে পৰা তাৰ জীৱনৰ এক নতুন অধ্যায় আৰম্ভ হল। কলেজত নাম ভৰ্ত্তি কৰি সি হাইস্কুলৰ কেইজনমান ছাত্ৰক পঢ়োৱাৰ দায়িত্ব ললে। নিজে পঢ়াত তথা আনকো পঢ়োৱাত ভাল বাবে তাৰ ছাত্ৰ সংখ্যা আৰু বাঢ়িল ফলত তাৰ উপাৰ্জন অলপ বেছিকৈ হবলৈ ধৰিলে, আৰু এই উপাৰ্জনেৰে সি তাৰ লাগতিয়াল সকলোবোৰ যোগাৰ কৰি লোৱাৰ ওপৰিও ঘৰৰ লাগতিয়াল অন্যান্য বয় বস্তু যোগাৰ দিব পৰা হল ফলত মাকৰ দুখ কষ্ঠ যথেষ্ঠ লাঘব হ'ল। সি কিন্তু ভনিয়েককো প্ৰত্যেকবাৰেই কিবা নহয় কিবা এটা দিবলৈ পাহৰা নাছিল। টেঙৰ সুবুদ্ধিৰ দীপাঞ্জয়ে সময় সুবিধা বুজি ভনিয়েকক অসমীয়াৰ 'ক' টোৰ পৰা ইংৰাজীৰ A, B, C, ইত্যাদি সকলোবোৰ শিকাই মেট্ৰিক দিব পৰা কৰি থৈছে, অথচ তাই কোনোদিনে স্কুলত ভৰি দিয়েই পোৱা নাই। এইদৰে দোপদ দোপে উন্নতি কৰি সি আজি B.A. পাচ কৰিলে ইংৰাজীত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থানলৈ, সেয়েহে তাৰ মনত আজি অপাৰ আনন্দ।

অতীতৰ ভাৱনাত বিভোৰ হৈ থকা দীপাঞ্জয়ৰ অজানিতে দুটুপি চকুলো ওলাই আহিল। সেই চকুপাণী দেখি ইমানদেৰী মৌন হৈ থকা ভনীয়েকে চকুলো মচি দিয়াতহে তাৰ তন্ময়তা ভাগিল। সি ভনীয়েকক কলে

ভণ্টি পাণী এগিলাচ খুৱাবি নেকি ? নিশ্চয় কিন্তু মিঠাই — বুলি কৈ তাই পাকঘৰলৈ দৌৰ দিলে আৰু ক্ষন্তেকতে পাণী এগিলাচ লৈ হাজিৰ হলহি। দীপাংজয়ে এক উশাহতে পাণী গিলাচ খাই শেষ কৰিলে। তাৰ পাছত কলে ভণ্টি তই চাহৰ যোগাৰ কৰ মই এতিয়াই মিঠাই আনোগৈ — বুলি সি ওলাই গল।

Be quick বুলি কৈ ভনীয়েক পাকঘৰলৈ গুচি গল মাকে এবাৰ তাই যোৱাৰ কালে আৰু এবাৰ দীপাঞ্জয় যোৱাৰ কালে চাই এটি ম্লান হাঁহি মাৰি পাকঘৰলৈ এখুজি দুখুজিকৈ গুচি গল যি হাঁহিত নীহিত হৈ আছিল এগৰাকী দুখিনী মাতৃৰ দুখভৰা সুখ ………

# মহান পুৰুষৰ মহান বাণী

শ্ৰীনিপন হাজৰিকা

★ সমগ্ৰ বিশ্বতে যেতিয়া শ্ৰেণী সমাজ বিলুপ্ত হ'ব তেতিয়াহে প্ৰকৃত মানৱ প্ৰেম সম্ভৱ হ'ব। আজিৰ শ্ৰেণী সমাজে সমাজক বহুতো বৈপৰিত্যত বিভক্ত কৰি ৰাখিছে। গতিকে মানৱতাৰ প্ৰকৃত প্ৰেম এতিয়াই সম্ভৱ নহয়।" — মাও ছে টুং

★ যি জাতিয়ে জাতীয় সাহিত্য গঢ়ি তুলিবলৈ নোৱাৰে, সেই জাতিৰ প্ৰান নাবাঁচেগৈ, সি কোনো এটা সাহিত্যবান বলী চুবুৰীয়া জাতিত লয় হৈ আপোনাৰ অস্তিত্ব হেৰুৱায়।"

পদ্মনাথ গোহাঁই বৰুৱা

★ নিজৰ ভাষাত উন্নত ধৰণৰ সাহিত্য নেথাকিলে আন ভাষাৰ সাহিত্য মানুহে পঢ়িবই। কাৰণ জ্ঞানোপাৰ্জ্জনৰ আকাংক্ষা মানুহ মাত্ৰৰেই এটা শাশ্বত গুন।"

বিহগী কবি ৰঘুনাথ চৌধুৰী

★ জীৱনৰ সত্যতম অথবা গভীৰতম তাৎপৰ্য্য বিচাৰি পোৱা আৰু উপলব্ধি কৰাৰ ক্ষমতা আহিব পাৰে কেৱল মানুহৰ প্ৰতি গভীৰ দৰদ আৰু বুকুভৰা ভালপোৱাৰ জৰীয়তে।"

মেক্সিম গৰ্কী

★ সাহিত্যিক জাতিৰ খনিকৰ। জাতি গঠন কৰাত, জাতীয় চৰিত্ৰ গঢ়ি তোলাত সাহিত্যিকে যথেষ্ঠ বৰঙনি যোগাব পাৰে, যোগোৱা উচিতো।"

সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকা

★ আপোনালোক গ্ৰেজুৱেট হওঁক বা নহওঁক আটায়ে মানুহ হওক। আমাৰ আৱশ্যক হৈছে মানুহৰহে।"

শৰৎ চন্দ্ৰ গোস্বামী

★ বন্ধুনো কি ? ইয়াৰ উত্তৰ সমূহৰ উল্লেখযোগ্য দুটি হ'ল — পৃথিৱীখন আঁতৰি গলেও যিয়ে তোমাৰ লগ নেৰে সেয়ে হ'ল বন্ধু, বন্ধু হ'ল সেই জনেই যিয়ে তোমাক জানে আৰু ভাল পায় ঠিক তেমোৰ দৰেই। ”

**WISDOM**

★ ভাষা কেৱল সাহিত্যৰ সঁজুলি নহয়। ই জাতীয় জীৱন আৰু জাতীয় ইতিহাসৰ স্মৃতি চিহ্ন আৰু ই সমাজ উক্তিৰে সংকেত। ই মেঘৰ গাজনিৰ দৰে আকাশতে মাৰ নাযায়। কিন্তু সাহিত্যৰে পাষাণময় গাত খোদিত হৈ থাকে।

কালিৰাম মেধি

